# গোট-৩ ঃ বুৰঞ্জী

**গঠন ঃ**

৩.০ সূঁচনা

৩.১ উদ্দেশ্য শিকি লোৱা

৩.২ বুৰঞ্জীৰ অৰ্থ

৩.৩ বুৰঞ্জীৰ প্ৰকৃতি

৩.৪ প্ৰাথমিক স্তৰত বুৰঞ্জীৰ পাঠ

৩.৫ সমাজ বিজ্ঞানৰ নিৰ্দিষ্ট পাঠ্য তালিকাত বুৰঞ্জী শিক্ষাদানৰ প্ৰয়োজনীয়তা

৩.৬ অতীতক বুজিবলৈ বুৰঞ্জীভিত্তিক বিচাৰ

৩.৭ প্ৰাথমিক পৰ্য্যয়ৰ বুৰঞ্জীত দুটা অধ্যায়ৰ বিষয়বস্তুৰ ধাৰণাৰ ওপৰত মানচিত্ৰ (Concept Mapping)

৩.৮ সাৰাংশ

৩.৯ পঢ়িবলগীয়া আৰু সংশ্লিষ্ট কিতাপৰ ওপৰত পৰামৰ্শ

৩.১০ গোটৰ অন্তত কৰিবলগীয়া অনুশীলণ

**৩.০ সূঁচনা**

শেষৰ গোটটোত আপোনালোকে সমাজ বিজ্ঞানত (এই খণ্ডৰ গোট-৩) ভুগোল যে এটা প্ৰয়োজনীয় বিভাগ, সেই বিষয়ে আয়ত্ব কৰিলে। এই গোটে মুখ্যতঃ বুৰঞ্জীৰ অৰ্থ আৰু প্ৰকৃতি বৰ্ণনা কৰিব। পুণৰ এই গোটে সমাজ বিজ্ঞানৰ নিৰ্দিষ্ট পাঠ্যতালিকাত বুৰঞ্জী শিক্ষাৰ বিষয় আৰু প্ৰয়োজনীয়তাৰ বিষয়ে বাখ্যা কৰিব। পৰ্য্যায়ক্ৰমে এই গোটে সমাজবিজ্ঞানীসকলে অতীতক বুজিবৰ বাবে কি প্ৰক্ৰিয়া অৱলম্বন কৰে আৰু লগতে তেওঁলোকে বুৰঞ্জীমূলক ঘটনাপ্ৰবাহ মানচিত্ৰৰ আহিলাৰ দ্বাৰা আপোনালোকক পৰিচয় কৰি দিয়াৰো ব্যৱস্থা কৰিব।

**৩.১ উদ্দেশ্য শিক্ষা**

এই গোটতো শিকাৰ পাচত, আপোনালোক সক্ষম হব

- বুৰঞ্জীৰ অৰ্থ কি বাখ্যা কৰা
- বুৰঞ্জীৰ প্ৰকৃতি বৰ্ণনা কৰা
- প্ৰাথমিক পৰ্য্যায়ত বুৰঞ্জীৰ বিষয়বস্তু

- বৰ্ত্তমানৰ প্ৰসংগত সমাজবিজ্ঞানৰ নিৰ্দিষ্ট পাঠ্যতালিকাত বুৰঞ্জীৰ প্ৰয়োজনীয়তা বাখ্যা কৰা।
- অতীতক অনুসন্ধান কৰাত বুৰঞ্জীবিদসকলৰ ভূমিকা কি তাক বৰ্ণনাকৰণ আৰু অন্য লোকক ইয়াত অংশীদাৰ কৰি লোৱা আৰু
- ধাৰণাৰ মানচিত্ৰত ব্যৱহাৰ কৰ কৌশলৰ যোগেদি বুৰঞ্জীমূলক ঘটনাৰাজিৰ ভাব, চিন্তা আৰু গুণসমূহ চিত্ৰসহ উপস্থাপন কৰা।

### ৩.২ বুৰঞ্জীৰ অৰ্থ

আপোনালোকে নিশ্চয় আলেকজেণ্ডাৰৰ গুৰু এৰিষ্টটলৰ বিষয়ে পঢ়িছে। তেওঁ গ্ৰীচ দেশৰ বাসিন্দা আছিল। আপোনালোকে জানেনে গ্ৰীকসকলে বিস্তৃতভাবে জ্ঞানৰ অন্বেষণ কৰিছিল? বুৰঞ্জী আছিল এটা বিষয় যি তেওঁলোকৰ বিদ্যা আৰু জ্ঞানত অৰিহণা যোগাইছিল। ইংৰাজী ভাষাৰ History শব্দটো গ্ৰীক ভাষাৰ Historia বিশেষ্য পদৰ পৰা অহা যি অনুসন্ধান কৰা, গবেষণা কৰা, আবিস্কাৰ কৰা বা তথ্য উলিওৱা কাৰ্য্যক বুজাইছিল। মানৱ জগতৰ অতীতক অনুসন্ধান আৰু গবেষণাৰ যোগেদি বুজিবলৈ চেষ্টা কৰি হিৰডটাচ(৪৮৪ খৃঃপূঃ-৪২৫ খৃঃপূৰ্ব) আৰু থুচিডাইডইচে (Thucydides খৃঃপূঃ ৪৬০-৪০১) এটা সুশিক্ষাৰ প্ৰৱৰ্ত্তন কৰিলে। জনপ্ৰিয়ভাৱে হিৰডটাচক বুৰঞ্জীৰ পিতা আখ্যা দিয়া হয়। তেওৰ দ্বাৰা ৰচিত গ্ৰেকো পাৰ্চিয়ান যুদ্ধ কাহিনীত বহু তথ্য সম্বলিত হৈ আছে বিশেষকৈ প্ৰাচীন মিচৰীয় আৰু পাৰ্চিয়ানসকলৰ বিষয়ে।

থুচিডাইডে বুৰঞ্জীৰ বিষয়বস্তু বিজ্ঞানসন্মতভাবে আগবঢ়াই আনিছিল। সাক্ষ্যপ্ৰমাণৰ ওপৰত ভিত্তি কৰি তেওঁ পেল'পেনচিয়ান (Pelopensian) কিতাপখন লিখিছিল আৰু কাৰণ আৰু ফলাফলৰ মাজত থকা সম্বন্ধ দেখুৱাই দিছিল। হেনৰি জনচনৰ ভাষাত (Henary Johnson, 1969)“বুৰঞ্জী হৈছে হৈ যোৱা ঘটনাৰ বিশদ বিবৰণ”। এই বাখ্যাৰ পৰিধিৰ পৰা এইটো সুস্পষ্ট হয় যে বুৰঞ্জীয়ে ঘাইকৈ হৈ যোৱা ঘটনাৰাজি বিচাৰ কৰে। বুৰঞ্জীয়ে কেৱল ঘটনাৰ বিৱৰণ দাঙি ধৰে। ফৰাচী বিপ্লৱৰ বিখ্যাত বুৰঞ্জীবিদ কাৰ্লাইলৰ (Thomas Carlyle, 1895) বুৰঞ্জী হ'ল বিখ্যাত লোকসকলৰ জীৱনী আৰু ই মানুহৰ বিশেষকৈ মহান ব্যক্তিৰ উৎকৰ্ষতাৰ নথি। এজন ব্যক্তিৰ প্ৰসিদ্ধ কাৰ্য্যৰ বাবেই এখন গাওঁ, এখন, নগৰ, নতুবা এটা জাতিৰ নাম আৰু যশ আহিব পাৰে।

অধ্যাপক মেইটলেণ্ডে (Prof. Maitland, 1989) আমাৰ ভাবধাৰালৈ অধিক উন্নতি সাধন আনিছে“মানুহে যি কৰিছে আৰু কৈছে বা যি ভাবিছে সেয়াই হ'ল বুৰঞ্জী”। শেষত ক'বলৈ গ'লে ই এটা চিন্তাপ্ৰবাহ; হৈ যোৱা ঘটনাৰাজিৰ প্ৰতিবিম্ব আৰু প্ৰতিচ্ছবি আৰু ইয়েই হৈ পৰে বুৰঞ্জীৰ মূল বিষয়।

অধ্যাপক ৰেনিয়াৰে (Prof. Renier, 1950) আকৌ এটা নতুন দিশ সামৰি লৈছে আৰু কৈছে যে বুৰঞ্জী হ'ল সমাজ পাতি বাস কৰা লোকৰ কাহিনী। এই ধাৰণাত দলিয় কাৰ্য্য, সৃষ্টিমূলক চিন্তাধাৰালৈ সমূহীয়া ইচ্ছা, সামাজিক প্ৰৱণতা আৰু সকলো ব্যক্তিৰ স্বাৰ্থলৈ চিন্তা কৰাই অধিকতৰ গুৰুত্ব পাইছে। অধ্যাপক ঘোষৰ (Prof. Ghosh, 2007) মতে বুৰঞ্জী হ'ল আমাৰ অতীতক সম্পূৰ্ণ সামৰি লোৱা নথি আৰু বিজ্ঞানসন্মত অধ্যয়ণ।

সকলো পণ্ডিতৰ ভিতৰত আৰ্ণেষ্ট বাৰ্ণহেইয়ৰ (Earnest Bernheiw) উক্তি প্ৰণিধানযোগ্য। তেওঁ কয় বুৰঞ্জী এক বিজ্ঞান যি স্থানভেদে আৰু সময়ভিত্তিক ব্যক্তিকেন্দ্ৰিক আৰু সমূহীয়া লোকৰ প্ৰচেষ্টাত হোৱা

ঘটনাৰাজিৰ দৈহিক আৰু মনস্তাত্বিক দিশত বিচাৰ কৰি আগবঢ়োৱা বিশ্লেষণ। এই ব্যাখ্যাই বুৰঞ্জী অনুধাৱন কৰা সকলো দিশ সামৰি লৈছে। বুৰঞ্জী বিজ্ঞান হয় কাৰণ ই ধাৰণা আৰু কিংবদন্তিৰ ওপৰত ভিত্তি কৰি নহয়, ই মানুহৰ বাস্তৱ জীৱনৰ ওপৰত ভিত্তি কৰি হোৱা আৰু যিবিলাক ঘটনা ঘটি গৈছে তাৰ ক্ৰমাগত বিৱৰণ। হৈ যোৱা ঘটনাৰ অনুসন্ধান কৰা আৰু তাক সঠিক প্ৰসংগত উপস্থাপন কৰা ইয়াৰ এটা প্ৰধান কাম। কিন্তু অধিক প্ৰয়োজনীয় কথা হ'ল ঘটনাৰ কাৰণ উদ্‌ঘাটন কৰা সমস্যা কি বুজা, গভীৰতালৈ গৈ আৰম্ভণিৰ পৰা শেষলৈ বাখ্যা কৰা। ঘটনাৰ উৎস হয় এটা বিশেষ সময়ত আৰু এক বিশেষ স্থানত, মানুহৰ মানসিক আৰু পাৰ্থিৱ সামগ্ৰীৰ যোগসূত্ৰতাত। ঘটনাসমূহৰ যদি অনুসন্ধান কৰা হয়, ই মানৱ সমাজৰ বিকাশ আৰু পৰিৱৰ্তনত এটা যোগসূত্ৰ আনিব। মানুহ ব্যক্তিগত কামকাজেই তেওঁৰ স্থান নিশ্চিত কৰিব। কিন্তু ভাৰতবৰ্ষত বুৰঞ্জী মৌলিক প্ৰথাত চলি আহিছে। ইয়াত প্ৰাচীন বীৰসকলৰ কাহিনী জনশ্ৰুতিৰ যোগেদি চলন্ত হৈ আছিল। কবি আৰু অন্যান্য লোকসকলে বিভিন্ন ঘটনা আৰু মানুহৰ কীৰ্ত্তিকলাপ অন্তৰৰ পৰাই উপলব্ধি কৰি আয়ত্ব কৰিছিল কিয়নো ছপাশালৰ কিতাপ নাছিল আৰু লেখাৰ শিল্পকলাও তাত নাছিল। বুৰঞ্জীপ্ৰসিদ্ধ ঘটনাসমূহ ধাৰ্মিক, ৰাজনৈতিক, সাহিত্য, কলা সম্বন্ধীয় উদ্দেশ্য সাধনৰ কাৰণে ব্যৱহৃত হৈছিল। পুৰাণ আৰু ভাৰতৰ অন্যান্য বুৰঞ্জীমূলক লিখাসমূহ শৃঙ্খলাবদ্ধ আৰু কাল অনুযায়ী নাছিল। ৰজা আৰু যোদ্ধাসকলক বেছ প্ৰশংসা কৰা হৈছিল। ইংৰাজে আনি দিয়া শিক্ষা ব্যৱস্থাত "বুৰঞ্জী" এটা বিষয় হিচাপে অন্তৰ্ভূক্ত হব। সেয়ে আৰম্ভণিৰ পাঠ্যপুথিবোৰ ইউৰোপীয় পণ্ডিতৰ দ্বাৰা প্ৰণয়ণ কৰা হৈছিল।

শেষত এইটো কোৱাই যথেষ্ট যে মানৱ সম্বন্ধীয় পৃথিৱীৰ সকলো ঘটনাকে বুৰঞ্জীয়ে বিচাৰ কৰে।

আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক —১

টোকা ক) তলত থকা ঠাইত আপোনাৰ উত্তৰ লিখক—

খ) আপোনাৰ উত্তৰ গোটৰ শেষত থকা উত্তৰৰ লগত ৰিজাই লিখক

১) বন্ধনিৰ ভিতৰত লিখক— শুদ্ধ/অশুদ্ধ

ক) গ্ৰীক বিশেষ্য পদ 'হিষ্টৰিয়া'ৰ পৰা ইংৰাজী 'হিষ্টাৰ' শব্দ আহিছে। ( )

খ) হিৰডটাছে পেলপেনচিয়ান যুদ্ধৰ বিৱৰণ লিখিছিল। ( )

গ) থুচিডাইডচ্‌ক বুৰঞ্জীৰ পিতা হিচাবে জনা যায়। ( )

ঘ) ভাৰতবৰ্ষৰ প্ৰাচীন বীৰসকলৰ কাহিনী জনশ্ৰুতি আৰু লোকগাথা হিচাবে সংৰক্ষিত হৈ আহিছে। ( )

ঙ) ইংৰাজ শিক্ষা ব্যৱস্থাই ভাৰতবৰ্ষৰ স্কুলসমূহত "বুৰঞ্জী এটা বিষয় হিচাবে অন্তৰ্ভুক্ত কৰিলে। ( )

২) বুৰঞ্জীৰ অৰ্থ কি? মুখ্য সাৰাংশসমূহ উল্লেখ কৰক।

৩) প্ৰাচীন ভাৰতীয় পাৰদৰ্শিতাসমূহ কিয় জনশ্ৰুতি আৰু লোকগঠনৰ যোগেদি সংৰক্ষিত হৈছিল?

### ৩.৩ বুৰঞ্জীৰ প্ৰকৃতি

ওপৰৰ আলোচনাৰ অন্তত আমাৰ কাৰণে বুৰঞ্জীৰ প্ৰকৃতি কি বুজা সহজ হব।

**১. বুৰঞ্জী মানৱজাতিৰ অধ্যয়ন ঃ**

বুৰঞ্জীয়ে সময় আগবঢ়াৰ লগে লগে মানুহৰ সাধনা আৰু উৎকৰ্ষতাৰ ওপৰত বিচাৰ কৰে। সময় আগবঢ়াৰ লগে লগে মানৱ সভ্যতাই কেনেকৈ চমৎকাৰভাবে বিকাশ লাভ কৰিলে তাৰ সমিধান বিচাৰে। উদাহৰণ স্বৰূপে আমাৰ সিন্ধু সভ্যতা, আৰ্য্য সভ্যতা, দ্ৰাবীড়িয় সভ্যতাই অতীতত কেনেকৈ শৃঙ্খলাবদ্ধভাবে সমাজ পদ্ধতিক আগুৱাই নিছিল, সেয়া উল্লেখ কৰিব পাৰি।

**২. বুৰঞ্জীয়ে বৰ্ত্তমানক বিচাৰ কৰে ঃ**

অতীতৰ পৰা বৰ্ত্তমানলৈ এই অংশটো কেনেকৈ আগবাঢ়িল, সেই প্ৰশ্ন আপোনাৰ মনলৈ আহিব পাৰে। দৈনন্দিন জীৱনৰ অভিজ্ঞতা চোৱা হওঁক। অৰণ্যত প্ৰাচীন মানুহে কাঠৰ কুণ্ডা বগৰাই নিয়াৰ পৰাই আজিৰ যাতায়ত ব্যৱস্থাৰ উত্তৰণ ঘটিছে। অনুৰূপ বিকাশৰ গতি ফহিয়াই দেখুওৱা বুৰঞ্জীৰ কাম। কিছুমান হৈ যোৱা ঘটনা বাচি লোৱা হওঁক। এই ঘটনাৰ কাৰকসমূহ বিচাৰি উলিয়াই ল'লে ঘটনাসমূহ কেনেকৈ ঘটিল আৰু ইয়াৰ পৰিপ্ৰেক্ষিতত যিবোৰ সংশ্লিষ্ট আইন প্ৰণয়ন কৰা হ'ল, তাৰ উদ্দেশ্য বুজিব পৰা যাব। অতীতৰ ঘটনা বিচাৰ কৰা আৰু ইয়াৰ বৰ্ত্তমানৰ ওপৰত কি প্ৰভাব, সেয়া দেখুৱাই দিয়াৰ দায়িত্ব হ'ল বুৰঞ্জীবিদৰ কাম।

**৩. বুৰঞ্জীৰ ঘটনাসমূহ ক্ৰমাগত আৰু সামঞ্জস্য থকা ঃ**

মানৱ জাতিৰ মাজত ঘটা ঘটনা শূণ্যত জন্ম লাভ কৰা নহয়। অন্যবোৰ ঘটনাৰ লগত ইয়াৰ সম্বন্ধ আছে। আগতে হৈ যোৱা ঘটনাই অন্য সম্বন্ধ থকা ঘটনাৰ লগত লগ লাগি নতুন নতুন ঘটনাৰ জন্ম দিয়ে আৰু এইদৰেই বিকাশৰ ধাৰা আগবাঢ়িছে। উদাহৰণ স্বৰূপে ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহৰ বিফলতাই পিচলৈ বেলেগ বেলেগ সামৰিক বিপ্লৱৰ সূচনা কৰিলে আৰু ইয়েই যি পিচলৈ জাতীয় আন্দোলন আৰু ভাৰতীয় জাতীয় কংগ্ৰেছৰ জন্ম দিলে।

**৪. বুৰঞ্জী অতীত আৰু বৰ্ত্তমানৰ মাজত চলি থকা অন্তহীন বাৰ্তালাপ ঃ**

আমি জানো অতীত সম্বন্ধে আমি অজ্ঞ আৰু প্ৰত্যেক বুৰঞ্জীবিদে অলপ হলেও ইয়াক উদ্ধাৰ কৰিবলৈ চেষ্টা কৰে আৰু ইয়াক কৰিবলৈ যাওঁতে তেওঁ সামান্য আবিস্কাৰ কৰে নতুবা বাখ্যা আগবঢ়ায়। ঘটনাৰাজি পূৰ্বৰ কিন্তু বুৰঞ্জীবিদ হ'ল বৰ্ত্তমানৰ, সেয়ে ঘটনাৰাজিৰ লগত তেওঁৰ এটা নিৰ্ভীক বাৰ্ত্তালাপৰ প্ৰয়োজন। যিহেতু ঘটনাৰাজি তেওঁৰ সন্মুখত ঘটা নাই, সেয়ে তেওঁ এইবিলাক প্ৰাথমিক নাইবা দ্বিতীয় উৎসৰ পৰা সংগ্ৰহ কৰে, যেনে ব্যক্তিগত দিনলিপি, চাক্ষুস সাক্ষী, কোনো ব্যক্তি যি ঘটনাৰ লগত প্ৰত্যক্ষভাবে জড়িত নাছিল, কিন্তু টোকা বা বিৱৰণী প্ৰস্তুত কৰিছিল, এই সমস্ত প্ৰক্ৰিয়া তেওঁ কল্পনা শক্তিৰ যোগেদি হৃদয়াঙ্গম কৰি লয় আৰু পূৰ্বৰ

ঘটনাৰ বিষয়ে এটা কাল্পনিক কথোপকথন হয়, তেওঁৰ অন্তৰ্নিহিত ধাৰণাত অতীতৰ মৃত তথ্যই পুনৰ জীৱন দান পায়।

**৫. বুৰঞ্জী হ'ল অতীতৰ ৰাখ্যা যি ভৱিষ্যতৰ আগজাননী দিয়েঃ**

এই ধৰণে বুৰঞ্জীয়ে অতীতৰ ঘটনাসমূহ আগত ৰাখি অৰ্থপূৰ্ণ ভৱিষ্যতৰ ছবি দাঙি ধৰে। বেলেগ বেলেগ স্থান আৰু সময়ত বুৰঞ্জীৰ ঘটনাসমূহ সংঘটিত হয়। ঘটনাসমূহৰ চালিকা শক্তিয়ে মানুহৰ প্ৰকৃতিৰ ওপৰত প্ৰভাব বিস্তাৰ কৰে আৰু পুনৰ সংঘটিত হয়। উদাহৰণ স্বৰূপে ভাৰতবৰ্ষৰ সাম্প্ৰদায়িক পৰিস্থিতিৰ বুজলৈ চাৰ্চিলে কৈছিল যে ভাৰতবৰ্ষত ইংৰাজ গুচি যোৱা মানে তেজৰ নৈ বোৱা। এয়া ঘটিলো সমসাময়িক ৰাজনীতি আৰু বিদেশ নীতি অতীতৰ ঘটনা বিশ্লেষণ কৰি প্ৰত্যেক দেশে স্থিৰ কৰে।

**৬. বুৰঞ্জীমূলক শক্তিসমূহ পোনপটীয়া কিন্তু চক্ৰাকাৰঃ**

ৰেখাৰ দ্বাৰা আগবাঢ়ি যোৱা বুৰঞ্জী অতীতৰ পৰা ক্ৰমান্বয়ে আগবাঢ়ি আহি বৰ্ত্তমানৰ মাজেদি অজান ভৱিষ্যতলৈ গতি কৰে। এইমতে ঘটনাপ্ৰবাহত ধাৰাবাহিকতা আছে আৰু এডাল চুঙাৰ এটা দিশৰ পৰা শেষৰ দিশলৈ গতি কৰে। চক্ৰাকাৰ বুৰঞ্জীমতে ই চক্ৰত আগবাঢ়ে। এটা আৰম্ভণি আছে আৰু শেষবিন্দু নোপোৱালৈকে ই আগবাঢ়ি গৈ থাকে। তাৰপৰা ই পশ্চাদগতি কৰে আৰু আৰম্ভণিৰ বিন্দুত আহি অদৃশ্য হয়। সকলো সভ্যতাৰ উত্থান আৰু পতনে এই ধাৰাৰ সঠিকতা আনে। ডাঙৰ সভ্যতাসমূহ যেনে মিচৰীয়, বেবিলন, সিন্ধুসভ্যতা, হৰপ্পা, চীনা, গ্ৰীক, ৰোমান, ইচলামিক আৰু ইউৰোপ-সকলো এই নীতিৰ ভিতৰত পৰে।

**৭. বুৰঞ্জীৰ বিদ্যা আয়ত্ব অসম্পূৰ্ণঃ**

বুৰঞ্জীৰ প্ৰকৃতি জানিবলৈ আমি ইয়াৰ ইতিমধ্যে হোৱা অধ্যয়ণ পদ্ধতি আৰু অভাৱসমূহ জানিব লাগিব। এক নিৰ্দিষ্ট সময়ৰ সকলো তথ্যৰ চিনাক্ত কৰা কাৰ্য্য প্ৰচলিত অধ্যয়ণ পদ্ধতিয়ে কৰে। যিহেতু বুৰঞ্জী প্ৰণেতাসকলে পোনপটীয়াকৈ অতীতৰ ঘটনাসমূহ অধ্যয়ণ কৰিব নোৱাৰে, প্ৰাপ্ত প্ৰমাণসমূহক তেওঁলোকে ভিত্তি কৰি লয়। ইয়াতে আমি প্ৰকৃত বুৰঞ্জী আৰু প্ৰচলিত বুৰঞ্জীৰ পাৰ্থক্য বুজিব লাগিব। প্ৰকৃত বুৰঞ্জীয়ে অধ্যয়নৰত ঘটনাসমূহৰ সকলো দিশ সামৰি ল'ব কিন্তু প্ৰচলিত বুৰঞ্জী সেই সময়ত থাকি যোৱা কিছুমান প্ৰমাণহে। মৃত্যুৰ লগে লগে মানুহে স্মৃতিসমূহো লৈ যায়। মানুহে সৃষ্টি কৰা কিছুমান শিল্পসামগ্ৰীহে শতিকাজুৰি আছে। ঐতিহাসিক কালৰ বহু প্ৰমাণ আজি নাই, যি আছে সিও সামান্য অতীত সম্বন্ধে আমি যি জানো, সেয়া হৈ যোৱা প্ৰকৃত ঘটনাতকৈ কম আৰু সীমিত পৰিসৰৰ।

**৮. বুৰঞ্জীৰ পৰিবৰ্ত্তনঃ**

বুৰঞ্জী স্থিৰ নহয়, বুৰঞ্জী সম্বন্ধে আমাৰ দৃষ্টিভঙ্গী সততে পৰিবৰ্ত্তনশীল। কাৰণ নতুন নতুন আবিস্কাৰসমূহে পূৰ্বৰ জ্ঞানৰ ওপৰত সন্দেহ জন্মায়। ১৯০০ শতিকালৈকে ট্ৰজান যুদ্ধ এটা কিংবদন্তি বুলি ধৰা হৈছিল। মাচ্চু পিচ্চু

আৰু চীন দেশৰ টেৰাকোটা সৈন্যৰ বিষয়ে একো জনা হোৱা নাছিল। সততে আহি থকা নতুন ব্যাখ্যাসমূহে পুৰণিৰ ভাৱধাৰা নস্যাৎ কৰে। উইনষ্টন চাৰ্চিল তেওঁৰ যুগৰ এজন ডাঙৰ ৰাজনীতিজ্ঞ পুৰুষ সঁচাই আছিলনে? নহলে এতিয়া বহুতে উল্লেখ কৰামতে তেওঁ পোৱাতকৈ কম প্ৰশংসাৰ যোগ্য আছিল। এনে নতুন আৰু বিকল্প বাখ্যাক সংশোধিত বুৰঞ্জী বোলা হয়। এখন জনপ্ৰিয় কথাছবিয়েও অতীত বুৰঞ্জীৰ কাহিনীৰ ওপৰত মানুহৰ মাজত প্ৰভাৱ বিস্তাৰ কৰিব পাৰে। বুৰঞ্জীৰ প্ৰকৃতি বহু জটিল। ইয়াৰ বিভিন্ন বাখ্যা হ'ব পাৰে। বুৰঞ্জীৰ এটা এটা শাখা বহু জটিল ঘটনাসমূহৰ এটা ৰেঙণি মাত্ৰ। কিন্তু এইটো কোনেও অস্বীকাৰ কৰিব নোৱাৰে যে বুৰঞ্জীৰ এটা পৰিবৰ্ত্তনশীল বিৰূপ আছে।পৰিবৰ্ত্তনশীল জীৱন নাটৰ লগত ইয়াৰ সম্বন্ধ আছে, এটা উদ্দেশ্য আছে আৰু অৰ্থও আছে।

আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক—২

টোকা ক) তলৰ স্থানত আপোনাৰ উত্তৰ দিয়ক।

খ) আপোনাৰ উত্তৰ আৰু গোটৰ তলত দিয়া উত্তৰৰ সৈতে মিলাই লওক।

৪) বুৰঞ্জীৰ প্ৰকৃতি উল্লেখ কৰক।

৫) ঐতিহাসিক শক্তিসমূহ ৰেখাৰ দৰে পোনপটীয়া আৰু লগতে চক্ৰাকাৰ ঃ কেনেকৈ বাখ্যা কৰক।

৬) প্ৰাথমিক পৰ্য্যায়ৰ আৰু দ্বিতীয় পৰ্য্যায়ৰ বুৰঞ্জীৰ উৎসসমূহৰ পাৰ্থক্য দেখুৱাই দিয়ক।

### ৩.৪ প্ৰাথমিক পৰ্যায়ত বুৰঞ্জীৰ বিষয়বস্তু ঃ

আপোনালোকে জানে যে পঞ্চম শ্ৰেণীলৈকে বুৰঞ্জী পাৰিপৰ্শ্বিকতাৰ বিষয়ে হোৱা অধ্যয়ন। সংশোধিত পাৰিপাৰ্শ্বিকতা অধ্যয়নৰ পাঠ্যপুথি তালিকাই ১-৫ শ্ৰেণীৰ ছাত্ৰলৈ সমাজৰ বিভিন্ন সময়, স্থান আৰু জীৱনৰ ঘটনাৰাজিৰ ওপৰত মনোযোগ আকৰ্ষণ কৰিব বিচাৰে; যাতে তেওঁ নিজৰ চৌপাশৰ জগতখন চিনি পায় আৰু বুজি পায়। ৬-১০ শ্ৰেণীত ছাত্ৰই বুৰঞ্জী সমাজ বিজ্ঞানৰ Curriculumৰ অংশ হিচাবে অধ্যয়ন কৰিব।

বাল্যকালৰ উত্তৰোত্তৰ আৰু বয়সন্ধিপ্ৰাপ্তিৰ আৰম্ভণিৰ এই মাজৰ কালছোৱাত শিক্ষাৰ্থীৰ গুণগত পৰিবৰ্ত্তন আহে। বাল্যকালৰ উত্তৰণত ল'ৰা-ছোৱালীৰ মনৰ অন্তৰ্ভাগত তালমিল হয়। বুদ্ধিবৃত্তিৰ ফালৰ পৰা বেছিভাগ ল'ৰা-ছোৱালী Piaget's concrete স্তৰত প্ৰবেশ কৰে আৰু তেওঁলোকে যুক্তিবাদ চিন্তা-চৰ্চ্চালৈ আগবঢ়াৰ কাৰণে মোকাবিলা কৰে। ছাত্ৰ-ছাত্ৰীৰ চিন্তা-চৰ্চ্চা এই বছৰবোৰৰ ভিতৰত ভাৱবাদী আৰু বহুমুখী হয়। তেওঁলোকে বহুসংখ্যক তথ্যৰ তুলনামূলক বিশ্লেষণ কৰাত নিজকে নিয়োজিত কৰে, পাৰ্থক্য অনুযায়ী বাখ্যা কৰে আৰু সিদ্ধান্তমূলক বিশ্লেষণ গ্ৰহণ কৰে।

এনেকুৱা শক্তিশালী বিশ্লেষণৰ ধাৰাই ছাত্ৰৰ মনোযোগ আৰু ধাউতি বঢ়ায়। তেওঁলোকে ভাৰতীয় সভ্যতাৰ আৰম্ভণি আৰু বিকাশ মনোযোগেৰে আয়ত্ব কৰিব বিচাৰে। তেওঁলোকৰ কৌশলী বিদ্যাক সহায় কৰিবৰ কাৰণে বিভিন্ন ধৰণৰ বুজাব পৰা সঁজুলি, মানচিত্ৰ, তথ্য পৰিবেশণ আৰু সময় স্থিৰ কৰাৰ কাৰণে দুইকোণীয়া/তিনিকোণীয়া ঘটনাৰ তালিকা (two and three dimensional charts) উপলব্ধ হ'ব লাগিব। এনে শিক্ষাদানৰ সজুলিৰ

সহায়ত ছাত্ৰই গভীৰভাবে তুলনামূলক অধ্যয়ণ কৰিব পাৰিব আৰু অনুভবী সিদ্ধান্তত উপনীত হ'ব পাৰিব। ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীৰ বুৰঞ্জী পাঠ্যই ভাৰতীয় সমাজৰ অতীতৰ ওপৰত আলোকপাত কৰে, আমাৰ দেশখনৰ বিস্তৃত বিকাশ সাধনৰ ওপৰত প্ৰতিচ্ছবি পোৱা যায় আৰু গোটেই পৃথিৱীৰ লগত ভাৰতবৰ্ষৰ সম্বন্ধ কি— সেই তথ্যৰ যোগান ধৰে। অতীতৰ শিক্ষাই ভবিষ্যত আৰু বৰ্ত্তমানত কেনেকুৱা সঠিক সিদ্ধান্ত লব পাৰি, এই বিষয়ে ছাত্ৰসকলে শিক্ষা লাভ কৰাত সহায় কৰিব। পাঠ্যপুথিৰ এই অংশটো এনে ধৰণে পৰিকল্পনা কৰা হৈছে যাতে ছাত্ৰসকলে বুৰঞ্জীৰ প্ৰয়োজনীয়তা বুজি পায়। চৈতন্য আৰু সজাগতা অনুভব কৰে। ছাত্ৰৰ কাৰণে বুৰঞ্জী কিছুমান অতীত ঘটনাৰ — অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক আৰু সাংস্কৃতিক সমষ্টি নহয়, ইয়াক বুৰঞ্জীগত প্ৰমাণৰ ওপৰত ভিত্তি কৰি চিন্তা চৰ্চা কৰিব লাগিব। ছাত্ৰৰ দক্ষতা হব লাগিব বিভিন্ন ঘটনা আৰু ঘটনাপ্ৰবাহৰ সম্বন্ধ ঘটোৱা, বেলেগ বেলেগ স্থানত হোৱা বিকাশ সাধন আৰু অন্যান্য সামূহিক গোট আৰু সমাজত হোৱা যোগসূত্ৰতা লক্ষ্য কৰা। তিনিটা বছৰত (VI-VIII) ভাৰতীয় বুৰঞ্জীৰ ওপৰত গুৰুত্ব দিয়া হ'ব— প্ৰাচীন কালৰ পৰা বৰ্ত্তমানলৈকে সামৰি লৈ। প্ৰত্যেক বছৰতে ক্ৰমিকভাবে আৰু সময়ৰ সূচীমতে অধ্যয়ণ কৰা হ'ব। উদ্দেশ্য হ'ব এই সময়ছোৱাৰ ভিতৰত পৰা সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক আৰু সাংস্কৃতিক প্ৰবাহ বুজি উঠা। এই ধৰণে বুৰঞ্জীয়ে এজন ছাত্ৰক দেশলৈ অৰিহণা যোগোৱাত সহায় কৰিব আৰু এখন জটিল সমাজত য'ত বিভিন্ন সংস্কৃতিৰ সমাহাৰ ঘটিছে আৰু সমান্তৰালভাবে কাৰিকৰী, অৰ্থনৈতিক, ৰাজনৈতিক আৰু সামাজিক পৰিবৰ্ত্তন আহিছে, তাত এজন দায়িত্বশীল নাগৰিক হোৱাত সহায় কৰিব।

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা বোৰ্ড (CBSE 2006) ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈকে বুৰঞ্জী পাঠৰ যি কেৰিকুলাম যোগান ধৰিছে সেয়া হ'ল—

## ষষ্ঠ শ্ৰেণী ঃ আমাৰ অতীত- ১

**কেতিয়া, ক'ত আৰু কেনেকৈ**

- অধ্যয়ণে সামৰি লোৱা সময়সীমা
- ভৌগলিক পৰিসীমা
- উৎস

**পূৰ্বৰ সমাজসমূহ**

- চিকাৰ আৰু সংগ্ৰহৰ যোগেদি জীৱন ধাৰণ পদ্ধতি আৰু ইয়াৰ প্ৰভাৱ
- শিলৰ সজুলি আৰু ব্যৱহাৰ, ইয়াৰ আৰম্ভণি
- অধ্যয়ণৰ সামগ্ৰী—দাক্ষিণাত্য

**প্ৰথম খেতিয়কসকল, গৰখীয়া আৰু পৰিভ্ৰমী দল**

- কৃষিকাৰ্য্য আৰু গো-পালনৰ প্ৰভাৱ
- শস্য, জীৱ-জন্তু, ঘৰ, সামগ্ৰী/সজুলি, মৃতকৰ সৎকাৰ, মাটিৰ বাচনৰ প্ৰত্নতাত্বিক প্ৰমাণ
- অধ্যয়ণ—উত্তৰ পশ্চিম আৰু উত্তৰ পূব

**প্ৰথমে হোৱা নগৰসমূহ**

- হৰপ্পাৰ সভ্যতাত বসতিকৰণৰ আৰ্হি
- স্থাপত্যবিদ্যাৰ বৈশিষ্ট্য
- কাৰিকৰী সজুলি/সামগ্ৰীৰ উৎপাদন
- নগৰীয়াকৰণৰ অৰ্থ
- অধ্যয়ণ ঃ উত্তৰ পশ্চিম

**[illegible]**

- বেদ আৰু বেদে কি কয়
- সমসাময়িক বাতাবৰণ
- অধ্যয়ণ ঃ উত্তৰ পশ্চিম আৰু দাক্ষিণাত্য

**পূৰ্বৰ ৰাজ্যসমূহ**

- জ্ঞানপদসমূহ আৰু মহাজনপদসমূহ
- অধ্যয়ণ ঃ বিহাৰ, মগধ আৰু ৱাজ্জি যুক্তৰাজ্যসমূহ

**নতুন ধাৰণা**

- উপনিষদসমূহ
- জৈন ধৰ্ম
- বৌদ্ধ ধৰ্ম

**আদি সমাজ**

- সাম্ৰাজ্যৰ বিস্তাৰ
- অশোক
- শাসন ব্যৱস্থা

**নগৰীয়া আৰু গ্ৰাম্য জীৱন**

- দ্বিতীয় নগৰীয়াকৰণ
- কৃষিকাৰ্য্যৰ বিস্তৃতকৰণ
- অধ্যয়ণ—তামিলনাডু

**দূৰণিৰ ঠাইৰ লগত সংস্পৰ্শ**

- সংগম পাঠসমূহ(Sangame texts) আৰু দূৰণিৰ লগত আদান-প্ৰদান
- আৰ্হি অঞ্চল—তামিল অঞ্চল দক্ষিণ পূব এচিয়া আৰু পশ্চিম দেশলৈ বিস্তাৰিত
- দূৰৰ পৰা অহা যুদ্ধ বিজেতা লোকসকল—উত্তৰ পশ্চিম আৰু পশ্চিম ভাৰত
- বৌদ্ধধৰ্মৰ বিস্তাৰ ঃ উত্তৰ ভাৰতৰ পৰা মধ্য এচিয়া

**ৰাজনৈতিক বিকাশ**

- গুপ্তসাম্ৰাজ্য আৰু হৰ্ষবৰ্দ্ধন
- পল্লৱ আৰু চালুক্য

**সংস্কৃতি আৰু বিজ্ঞান**

- সাহিত্য-পুৰাণ, মহাকাব্যসমূহ, অন্য সংস্কৃত আৰু তামিলকো অন্তৰ্ভূক্ত কৰি
- নৃতত্ববিদ্যা- আদি মঠ আৰু মন্দিৰ, শিল্পকলা, ছবি (অজন্তা), বিজ্ঞান

## অষ্টম শ্ৰেণী ঃ আমাৰ অতীত- ২

**ক'ত, কেতিয়া আৰু কেনেকৈ**

- উপমহাদেশ আৰু অঞ্চলসমূহ মানচিত্ৰৰ সৈতে বুজাবলৈ ব্যৱহৃত সংজ্ঞা
- সময়সূচী আৰু প্ৰধান উন্নয়ণৰ বিৱৰণ
- উৎসৰ চমু আলোচনা

**নতুন ৰজাসমূহ আৰু ৰাজ্যবোৰ**

- ৭০০-১২০০ খৃঃপূঃলৈ ৰাজনৈতিক উন্নয়ণৰ বিৱৰণ
- কৃষিকাৰ্য্যত অন্তৰ্ভুক্ত কৰি চোলাসকলৰ অধ্যয়ণ
- তামিল অঞ্চলত বিস্তাৰ

**দিল্লীৰ চুলতানসকল**

- ওপৰুৱা আলোচনা
- কাছাৰী, সামন্ত লোকসকল আৰু মাটিৰ নিয়ন্ত্ৰণ- গুৰুত্ব, টোকলকসকলৰ ওপৰত অধ্যয়ণ

**সাম্ৰাজ্যৰ সৃষ্টি**

- মোগল সাম্ৰাজ্য বিস্তাৰৰ বিৱৰণ
- অন্য শাসনকৰ্ত্তাসকলৰ শাসন ব্যৱস্থা আৰু কছাৰীৰ লগত সম্বন্ধ
- কৃষি সম্বন্ধীয়/কৃষকৰ লগত সম্বন্ধ
- অধ্যয়ণ ঃ আকবৰ

**শক্তিপ্ৰদৰ্শন হিচাবে স্থাপত্যবিদ্যা ঃ দুৰ্গ সমূহ আৰু পবিত্ৰ স্থানসমূহ**

- দেশৰ বিভিন্ন ঠাইত অট্টালিকা সদৃশ বিশাল স্থাপত্যৰ নিৰ্মাণ।
- অধ্যয়ণ ঃ চাহজাহানৰ স্থাপত্যবিদ্যাত দান আৰু পৃষ্ঠপোষকতা

**নগৰ, বেপাৰী আৰু কাৰিকৰসকল**

- বিভিন্ন নগৰীয়া কেন্দ্ৰবোৰ—কাছাৰী অৱস্থিত নগৰসমূহ
- তীৰ্থস্থান, বন্দৰ আৰু বাণিজ্য কেন্দ্ৰ
- অধ্যয়ণ ঃ হাম্পি, মুচলিপট্টম, চুৰাট

**সামাজিক পৰিবৰ্ত্তন ঃ গতিশীল আৰু স্থায়ীভাবে বসতি কৰা সম্প্ৰদায়**

- জনজাতি, অঘৰী আৰু মাজৰ গোটবোৰৰ এটা বিৱৰণ
- জাতি গঠনত পৰিবৰ্ত্তন
- অধ্যয়ণ- ৰাজ্য গঠনৰ ওপৰতঃ গোণ্ড আৰু আহোম

**জনপ্ৰিয় বিশ্বাস আৰু ধাৰ্মিক তৰ্ক**

- বিশ্বাসৰ ধাৰা, ধাৰ্মিক ক্ৰিয়াকাণ্ড, তীৰ্থভ্ৰমণ, একে সময়তে উত্থান হোৱা বিভিন্ন ধৰ্মমত (Cult)

**আঞ্চলিক সংস্কৃতিৰ উত্থানৰ জোঁৱাৰ**

- আঞ্চলিক ভাষাসাহিত্য, সংগীত আৰু ছবি অংকণৰ (Paintings) ওপৰত আলোচনা।
- অধ্যয়ণ ঃ বঙ্গ

**ওঠৰশ শতিকাত নতুন ৰাজনৈতিক গঠন**

- উপমহাদেশত স্বাধীন আৰু স্বশাসিত ৰাজ্যসমূহৰ ওপৰুৱা আলোচনা
- অধ্যয়ণ ঃ মাৰাঠা

## অষ্টম শ্ৰেণী ঃ আমাৰ অতীত-৩

**ক'ত, কেতিয়া আৰু কেনেকৈ**

- কালৰ ওপৰত আলোচনা
- নতুন ভৌগলিক ভাগৰ সূচনা
- সময়সূচীৰ বৰ্ণনা
- উৎসমূহৰ পৰিচয় প্ৰদান,

**কোম্পানীসমূহৰ ক্ষমতা আহৰণ**

- বেপাৰ বাণিজ্য আৰু বাণিজ্যিক সংঘাট
- ৰাজ্যৰ কাৰণে যুঁজবাগৰ, ভাৰতীয় শাসনকৰ্ত্তাৰ লগত হোৱা যুদ্ধ
- সাম্ৰাজ্যবাদী সেনা আৰু অসামৰিক সেৱাৰ বিকাশ
- শাসন ঃ ক্ষেত্ৰীয় আলোকপাত ঃ তামিল নাডু

**গ্ৰাম্যজীৱন আৰু সমাজ**

- ঔপনিবেশিক কৃষিখেতি/মাটিৰ শাসন ব্যৱস্থা ঃ খেতিয়ক আৰু ভূ-স্বামীৰ ওপৰত ইয়াৰ প্ৰভাব।
- বাণিজ্যিক শস্যৰ বিকাশ
- কৃষক বিদ্ৰোহ ঃ নীলখেতি কৃষকৰ বিদ্ৰোহ
- ক্ষেত্ৰীয় আলোকপাত ঃ বঙ্গ আৰু বিহাৰ। পিচলৈ পঞ্জাৱত হোৱা ঘটনাৱলীৰ সৈতে ইয়াৰ বিচাৰ।

**ঔপনিবেশিকতা আৰু জনজাতীয় সমাজ**

- উনৈশ শতিকাত জনজাতীয় সমাজ আৰু অৰ্থনীতিত আহি পৰা পৰিবৰ্ত্তন
- জনজাতিৰ বিদ্ৰোহ ঃ বীৰছা মুণ্ডাৰ ওপৰত আলোকপাত
- ক্ষেত্ৰীয় আলোকপাত ঃ চোটনাগপুৰ আৰু উত্তৰপূব

**মহিলা আৰু সুধাৰ/সংস্কাৰ**

- সতীদাহ প্ৰথা, বিধবা বিবাহ, বাল্যবিবাহ আৰু সন্মতি প্ৰদানৰ যুগৰ ওপৰত তৰ্ক-বিতৰ্ক।
- মহিলাৰ স্থিতি আৰু শিক্ষাৰ ওপৰত ভিন্ন সংস্কাৰবাদীসকলৰ মতভাব।
- ক্ষেত্ৰীয় আলোকপাত ঃ মহাৰাষ্ট্ৰ আৰু বঙ্গ।
- জাতিভেদ প্ৰথাৰ সংস্কাৰৰ সপক্ষে দিয়া মত।
- ফুলে, বীৰচালিংগম, নাৰায়ন গুৰু, পেৰিয়াৰ, গান্ধী আৰু আম্বেদকাৰৰ মতবাদ
- সংস্কাৰবাদীসকলৰ কাৰ্য্যৰ পৰিণাম আৰু প্ৰভাব
- ক্ষেত্ৰ ঃ মহাৰাষ্ট্ৰ আৰু অন্ধ

**ঔপনিবেশিকতা আৰু নগৰীয়া পৰিবৰ্ত্তন**

- নগৰীয়া মুক্তকৰণ (De-urbanisation) আৰু নতুন নগৰৰ উত্থান।
- ঔপনিবেশিক শাসন আৰু অনুষ্ঠানৰ প্ৰভাব— ৰাজহুৱা কাম পৰিকল্পনা, ৰেল সংযোগ, আৰক্ষী আৰু নগৰপালিকা।
- অধ্যয়ণ ঃ দিল্লী

**কলাৰ পৰিবৰ্ত্তন ঃ ছবি অংকণ, সাহিত্য, স্থাপত্যবিদ্যা**

- নতুন শিল্পবিদ্যা আৰু অনুষ্ঠানসমূহৰ প্ৰভাৱ ঃ কলা শিক্ষাৰ অনুষ্ঠান আৰু ছপাশাল।
- পশ্চিমীয়া শৈক্ষিক ধৰণ আৰু জাতীয় কলা
- কলা পৰিবেশনত পৰিবৰ্ত্তন— ৰাজহুৱা প্ৰদৰ্শনত নৃত্য আৰু সংগীতৰ প্ৰবেশ
- লেখনৰ নতুন প্ৰকাৰ
- নতুন স্থাপত্য

**শিল্প বিদ্যা আৰু উদ্যোগ**

- উনৈশ শতিকাত হস্তশিল্পৰ অধোন্নতি
- বিংশ শতাব্দীত উদ্যোগ বিকাশৰ ওপৰত চমু উল্লেখ

**১৮৫৭-৫৮ চনৰ বিদ্রোহ**

- সৈন্যৰ বিদ্রোহ আৰু আন্দোলনৰ অগ্ৰগতি
- সম্ভ্ৰান্তলোক আৰু কৃষকৰ অংশ গ্ৰহণৰ প্ৰকৃতি ঃ ক্ষেত্ৰীয় আলোকপাত ঃ অৱধ

**শিক্ষা আৰু ইংৰাজৰ শাসন**

- নতুন শিক্ষাব্যৱস্থা— স্কুল, পাঠ্যপুথি, মহাবিদ্যালয়, বিশ্ববিদ্যালয়, কাৰিকৰী প্ৰশিক্ষণ
- থলুৱা ব্যৱস্থাৰ পৰিবৰ্ত্তন
- ৰাষ্ট্ৰীয় শিক্ষাৰ বিকাশ
- অধ্যয়ণ ঃ বৰোদা, আলিগড়
- অধ্যয়ন ঃ মুম্বাই, চেন্নাই

**জাতীয় আন্দোলন**

- ১৮৭০ চনৰপৰা ১৯৪০ চনলৈ জাতীয় আন্দোলনৰ ৰূপৰেখা।
- আন্দোলনত বিভিন্ন সুতি আৰু ভিন্ন গোটৰ জড়িত প্ৰক্ৰিয়া
- সাংবিধানিক পৰিবৰ্ত্তনত ইয়াৰ যোগসূত্ৰ
- অধ্যয়ণ ঃ খিলাফাটৰ পৰা অসহযোগ আন্দোলন

**স্বাধীনতাৰ পিছত ভাৰতবৰ্ষ**

- ১৯৪৭ চনৰ পৰা ৰাষ্ট্ৰীয় আৰু আঞ্চলিক বিকাশ
- অন্য দেশৰ লগত সম্বন্ধ
- ভবিষ্যত দৃষ্টি

### ৩.৫ সমাজবিজ্ঞানত বুৰঞ্জীৰ প্ৰয়োজনীয়তা

প্ৰাথমিক স্তৰত সমাজ বিজ্ঞানৰ নিৰ্দিষ্ট পাঠ্যতালিকাত বুৰঞ্জী অধ্যয়ণৰ আৰশ্যকতা কি? এই প্ৰশ্নৰ কেইবাটাও উত্তৰ আছে। বিশদ আলোচনা কৰাৰ আগতে আমি বিহঙ্গম দৃষ্টিৰে বৃহত্তৰ ভাবত সমাজবিজ্ঞানৰ চিন্তা-চৰ্চ্চা কি ভাবি চাব লাগিব। আপোনালোকে জানে যে সমাজবিজ্ঞানে সমাজৰ অধ্যয়ন আৰু মানুহৰ সম্বন্ধৰ কথা চিন্তা কৰে। এটা দিশত ই যেনেকৈ মানুহৰ পাৰস্পৰিক সম্বন্ধ, সমাজ আৰু আকাংক্ষিত বিদ্যা লাভ কৰাত সহায় কৰে, আনহাতে ই আমাৰ যুৱকসকলক জাতি আৰু সমাজৰ উন্নতি সাধন কৰাত অৰিহণা যোগায়। বুৰঞ্জী আৰু সমাজ বিজ্ঞানৰ শিক্ষক হিচাপে আমি আমাৰ ছাত্ৰসকলে সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক সমস্যাসমূহ বুজি লোৱাটো বিচাৰো। আৰশ্যক কি আৰু অনাৰশ্যক কি ইয়াক তেওঁলোকে আয়ত্ব কৰা দৰকাৰ। সমাজ বিজ্ঞানৰ অন্তৰ্ভুক্ত বিষয়সমূহে ছাত্ৰক কেনেকৈ বিভিন্ন ঘটনা, চিন্তা আৰু ব্যক্তিৰ যোগসূত্ৰতাত সময়ৰ সোঁতত পৰিবৰ্ত্তন অনাত সহায় কৰে, বুজাবলৈ চেষ্টা কৰে। লগতে কি কি অৱস্থা আৰু শক্তিসমূহে মানৱ সমাজৰ ধাৰাবাহিকতা অব্যাহত ৰাখিছে তাক বুজিবলৈ চেষ্টা কৰে। সমাজ বিজ্ঞানৰ যদি এইটোৱেই চিন্তনীয় বিষয়, তেন্তে বুৰঞ্জীমূলক ঘটনাসমূহে কেনেকৈ মানুহৰ সমাজ আৰু সম্বন্ধ বুজি উঠাত সহায় কৰে?

প্ৰথমতে, একৈশ শতিকাত হোৱা বৈজ্ঞানিক আৰু কাৰিকৰী বিপ্লৱে আমাৰ পৃথিৱীখন সৰু কৰি পেলালে। শান্তিপূৰ্ণ জীৱন ধাৰণ আৰু পৃথিৱীত মানৱ জাতি বৰ্ত্তি থাকিবলৈ হ'লে ডাঙৰ আৰু সৰু দেশসমূহৰ মাজত পাৰস্পৰিক সদ্ভাৱ আৰু বুজাপৰা থাকিব লাগিব। সেইকাৰণে সকলো মানুহৰ মাজত ইজনে সিজনক চিনি পোৱাৰ স্পৃহা থাকে। বুৰঞ্জী অধ্যয়ণে এই প্ৰয়োজনীয়তা পূৰণ কৰে।

দ্বিতীয়তে, অন্য বিষয়সমূহত যিবিলাক ঘটনা উল্লেখ হৈ আছে, তাকো বুৰঞ্জীক এখন কেনভাচ হিচাবে লৈ বুজিব পৰা যায়। ল'ৰা-ছোৱালীক বিজ্ঞান আৰু অঙ্ক বুজোৱা হয়, ইয়াত ল'ৰা ছোৱালীৰ ওপৰত বুৰঞ্জীৰ প্ৰভাব নাথাকে। কিন্তু সুন্দৰকৈ পৰিকল্পিত বুৰঞ্জীৰ পাঠ্যই/পাঠ্যতালিকাই বৈজ্ঞানিক আৱিস্কাৰ আৰু অংকশাস্ত্ৰৰ প্ৰামান্য বুজি পোৱাত সহায় কৰিব। উদাহৰণ স্বৰূপে খাদ্য আৰু ঔষধ প্ৰস্তুতকৰণৰ যিবিলাক আহিলা আৰু যন্ত্ৰ যাতায়ত ব্যৱস্থাৰ যোগেদি অনা-নিয়া কৰিছিল, তাৰ কাহিনীবোৰে ল'ৰা-ছোৱালীক বহলভাৱে বিজ্ঞান আৰু গণিত/অংক বুজাত সহায় কৰিছিল।

তৃতীয়তে, বুৰঞ্জী শিক্ষাই শিকাৰুৰ মনত নীতিৰ মূল্য আনে (Ethical values)। ই ডেকালৰা মনত নীতিশাস্ত্ৰমতে কি শুদ্ধ নাইবা কি অশুদ্ধ সেই ভাব মনলৈ আনে। ল'ৰা-ছোৱালীৰ মনলৈ দেশপ্ৰেমৰ ভাব আনে। অতীতৰ গৰিমা আৰু চহকী সাংস্কৃতিক ভড়ালে তেওঁলোকৰ মনলৈ গৰ্বভাব আনিব, আৰু ইয়েই জন্মভূমিৰ প্ৰতি তেওঁলোকৰ মনলৈ প্ৰেমৰ ভাব আনিব।

চতুৰ্থতে, বুৰঞ্জীৰ শিক্ষাই মহৎ লোকসকলৰ কামৰ প্ৰতি খতিয়ান ল'বলৈ বা জানিবলৈ ধাউতি আনিব। এই ধাউতিয়ে মহান লোকসকলৰ জীৱন অধ্যয়ণ কৰিবলৈ সহায় কৰে। অধ্যয়ণে তেওঁলোকৰ ভাৱধাৰা উচ্চমানৰ আদৰ্শ আৰু মূল্যবোধলৈ অগ্ৰসৰ কৰি নিব।

পঞ্চমতে, বুৰঞ্জী শিক্ষাই আমাৰ ল'ৰা-ছোৱালীক বুজাব কেনেকৈ মানুহে অন্যান্য সময়ত, বিভিন্ন ঠাইত সত্য, ন্যায় আৰু ব্যক্তিগত দায়িত্ব পালনৰ প্ৰশ্নত মুখামুখি হৈছিল আৰু চিন্তা কৰিব কেনেকৈ আমি বৰ্ত্তমান সময়ত এনেকুৱা পৰিস্থিতিবোৰ মোকাবিলা কৰিম। কলাবিষয় অধ্যয়ন কৰি মহৎ চিন্তাবিদসকলৰ বৰঙণি, প্ৰধান ধৰ্মসমূহ আৰু দাৰ্শনিক বিচাৰ পৰীক্ষা কৰি, আমাৰ ছাত্ৰসকলে বুজি উঠিব মানুহে ভিন্ন সময়ত কেনেকৈ কষ্ট কৰিবলগীয়া হৈছিল আৰু নীতিপালনত সমস্যাৰ সন্মুখীণ হৈছিল। লগতে চিন্তা ধাৰণাৰ যোগেদি আমাৰ কাৰণে পৰিণাম কি হ'ব সেয়াও তেওঁলোকে বুজিব।

অৱশেষত ই আমাৰ ল'ৰা-ছোৱালীৰ স্মৰণশক্তি বৃদ্ধি কৰিব, লগতে কৰ্মশক্তি আৰু ৰিজনিও।

আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক—৩

টোকা ক) তলত দিয়া ঠাইত আপোনাৰ উত্তৰ লিখক

খ) গোটৰ তলত দিয়া উত্তৰ আৰু আপোনাৰ উত্তৰ তুলনা কৰক।

১) ল'ৰা-ছোৱালীৰ মাজত বুৰঞ্জীয়ে কেনেকৈ সত্যনিষ্ঠা আৰু নৈতিক মূল্যবোধৰ বিকাশ ঘটায়?

২) প্ৰাথমিক স্তৰত বুৰঞ্জী শিকাৰ তিনিটা নৈতিক মূল্য উল্লেখ কৰক।

৩) বুৰঞ্জীৰ দৃষ্টিভঙ্গীৰে কেনেকৈ বিজ্ঞান আৰু গণিত শিকিব পাৰি?

### ৩.৬ অতীতক বুজাৰ কাৰণে বুৰঞ্জীয়ে দেখুওৱা পথ

বুৰঞ্জীৰ নিমিত্তেই আমি বুৰঞ্জী পঢ়ো। আমি অতীতক জানিবলৈ বিচাৰো কাৰণ ই আক্ৰমণাত্মক, হতাশজনক, উত্তেজিত, আনন্দদায়ক, আৰু বিষাদগ্ৰস্ত। আৰু এইটো আমি সকলোৱে বিশ্বাস কৰো যে বেলেগ বেলেগ স্থানৰ আৰু সময়ৰ মানুহৰ জীৱনী পঢ়িলে আমাৰ জ্ঞানৰ বিস্তাৰ হয়, বুৰঞ্জীয়ে অন্য লোকৰ আৰু আমাৰ বিষয়েও মূল্যৱান কথা শিকায়। আপোনাৰ হয়তো জানিবৰ মন গৈছে যে বুৰঞ্জীবিদসকলে কেনেকৈ অতীতৰ ঘটনাবোৰ (তথ্য, প্ৰকৃততে ঘটা, ঘটনা, ইত্যাদি) পুনৰ ঘূৰাই আনে। অতীতক তেওঁলোকে কেনেকৈ অনুসন্ধান কৰে আৰু বিচাৰ কৰে। আপুনি জানে কাৰো সন্মুখত অতীতে বৰ্ত্তমানৰ ৰূপত ধৰা নিদিয়ে। অতীতক জানিবলৈ আমি বহুসংখ্যক উৎসৰ সহায় লওঁ। উদাহৰণ স্বৰূপে ভাৰতৰ প্ৰথম স্বাধীনতা সংগ্ৰামৰ কাৰণ। এটাও এনে একমাত্ৰ কাৰণ নাই বা উৎস নাই, যি প্ৰথম স্বাধীনতা সংগ্ৰামৰ সকলোবোৰ কাৰণ শৃংখলাবদ্ধভাবে উদঙাই দিব পাৰে। সেয়ে আমি বহু উৎসৰ ধাৰণা কৰি লব লাগিব যেনে- মানুহৰ ভিতৰত আদান-প্ৰদান হোৱা চিঠিবোৰ, খবৰ কাগজ, যুদ্ধৰ পৰা সংগ্ৰহ কৰা গুলি, কালভিত্তিক প্ৰণয়ন কৰা কিতাপ, তৰ্ক আৰু অন্যান্য কিতাপ আৰু এটা সময়ৰ ওপৰত বিশেষজ্ঞসকলৰ লগত হোৱা সাক্ষাৎকাৰ। এতিয়া আপুনি প্ৰশ্ন উত্থাপন কৰিব পাৰে যে এই সকলো উৎস আমি কিয় বিবেচনা কৰিম। কাৰণ আমাৰ মাজৰ কোনো মানুহ সেই বিশেষ সময়ছোৱাৰ নহয়, নতুবা আমাৰ হাতত চাক্ষুস সাক্ষী নাই। তদুপৰি আমি কোনো এটা উৎসকে অস্বীকাৰ কৰিব নোৱাৰো। সেইকাৰণে বিদ্ৰোহৰ কাৰণ উলিয়াবলৈ হ'লে আমি সকলোবোৰ উৎসৰ পৰা অহা তথ্যসমূহৰ বৌদ্ধিক অনুমান (Educated guessing) আৰু বাখ্যাৰ সহায় লব লাগিব। একেলগে বুৰঞ্জীবিদসকলে অতীতক অনুসন্ধান কৰিবলৈ বহু উপাদানৰ সহায় লয় যেনে— কীৰ্ত্তিচিহ্নসমূহৰ বয়স স্থিৰ কৰাৰ কাৰণে Radiocarbon dating। ইয়াৰ দ্বাৰা অট্টালিকা, Inscription, প্ৰাচীন লোকৰ মাজত চলি থকা সাধু, কাকতৰ নুৰাত লিখা জীৱন চৰিত, বেৰত থকা মুৰল, গুহা আৰু শিলত থকা মুৰলৰ বয়স স্থিৰ কৰিব পৰা যায়। ওপৰৰ আলোচনাৰ পৰা এইটো নিশ্চিত হয় যে সমাজবিজ্ঞানীসকলে অতীতক বিচাৰি উলিয়াবৰ কাৰণে বহু উৎসৰ সহায় লয়। এই বিচাৰ বস্তুতান্ত্ৰিক। (Objective) আৰু এই সকলোবোৰ অনুশীলণী এটা প্ৰয়াসৰ ভিতৰত পৰে। সেয়া হ'ল বুৰঞ্জীমূলক প্ৰয়াস। ইয়াৰ উদ্দেশ্য অতীত অনুসন্ধান। এইদৰে সকলো সমাজবিজ্ঞানীয়ে অতীত অনুসন্ধানৰ কাৰণে বুৰঞ্জীমূলক প্ৰয়াসৰ সহায় লয়।

এতিয়া আমি বুৰঞ্জীৰ বিভিন্ন উৎসসমূহ আলোচনা কৰো আহক।

**বুৰঞ্জীৰ বিভিন্ন উৎস (উপলব্ধ হোৱা মতে) ঃ**

ওপৰৰ আলোচনাৰ পৰা এইটো স্পষ্ট হয় যে বুৰঞ্জীবিদসকলে অতীতত হৈ যোৱা ঘটনাবোৰৰ স্পষ্ট সম্ভেদ পাবৰ কাৰণে বহুবিধ উৎসৰ সহায় লয়। বিহঙ্গম দৃষ্টিৰে সম্ভাব্য বুৰঞ্জীৰ উৎস চোৱা হওঁক। যেনে— স্থাপত্যবিদ্যাৰ উৎস, সাহিত্যৰ পৰা পোৱা উৎস, মৌখিক প্ৰথা।

১) স্থাপত্যবিদ্যাৰ উৎস ঃ ইয়াৰ তিনিবিধ উৎস আছে।

ক) কীৰ্ত্তিচিহ্নসমূহ, অট্টালিকাসমূহ, প্ৰতিচ্ছবি (images), মাটিৰ পাত্ৰ, টেৰাকট্টা আৰু প্ৰাচীন সামগ্ৰীসমূহ

খ) পুৰণি মুদ্ৰাৰ পৰা লাভ কৰা মুদ্ৰা সম্বন্ধীয় অধ্যয়ণ।

গ) খোদিত কৰি লিখাসমূহ যেনে শিলাখণ্ড, স্তম্ভ, তাম্ৰপত্ৰ, ঘৰৰ দেৱাল, টেৰাকোট্টাৰ ইটা, পাথৰত কটা মোহৰ আৰু প্ৰতিচ্ছৱি

২) সাহিত্যৰ পৰা অহা উৎস ঃ এই উৎসমূহ তিনিটা ভাগত ভাগ কৰিব পাৰি।

ক) পবিত্ৰ বা ধাৰ্মিক লিখাসমূহ—বেদ, মহাকাব্য, পুৰাণ, বৌদ্ধধৰ্মীয় সাহিত্য, ধৰ্মগ্ৰন্থ (জৈনসকলৰ)

খ) নিৰপেক্ষ সাহিত্য— ইয়াক দুটাভাগত বিভক্ত কৰিব পাৰি। ব্যক্তিগত সাহিত্য আৰু চৰকাৰী সাহিত্য। ব্যক্তিগত সাহিত্যৰ ভিতৰত পৰিব নাটক, সাহিত্য, উপন্যাস, কবিতা, ব্যাকৰণ আৰু জ্যেতিৰ্বিজ্ঞানৰ ওপৰত লিখা গ্ৰন্থসমূহ, ঔষধ আৰু কলাৰ ওপৰত লিখা গ্ৰন্থ, জীৱনী, আত্মজীৱনী, দিনলিপি, ভ্ৰমণকাৰীসকলৰ বিৱৰণ। অন্যহাতে চৰকাৰে জাৰি কৰা হুকুমনামা, বেলেগে ঠাইলৈ প্ৰেৰণ কৰা হুকুম (Despatches), চনদ, আইনী কৰ্তত লোৱা সিদ্ধান্ত-চৰকাৰী লেখাসমূহৰ ভিতৰত পৰে।

ঙ) বিদেশী লোকৰ খতিয়ান—বিদেশৰপৰা অহা পৰিব্ৰাজক যেনে ফাহিয়ান, মেগাস্থানিচৰ বিৱৰণ।

৩) মৌখিক প্ৰথাই স্থানীয় বুৰঞ্জীৰ নিৰ্ণয়ত বহু সহায় কৰে। TOD's Annals, দ্বীপবংশ আৰু মহাবংশ, এই ভাগত পৰে।

**বুৰঞ্জীৰ বিভিন্ন উৎস (প্ৰমাণৰ ভিত্তিত)**

নথীভুক্ত বুৰঞ্জীৰ সকলো উৎস দুটা ভাগত প্ৰধানকৈ ভাগ কৰিব পৰা যায়। প্ৰাথমিক উৎস আৰু দ্বিতীয়স্তৰৰ উৎস। এই উৎসৰ বিষয়ে আলোচনা কৰা হওঁক।

**ক) প্ৰাথমিক উৎস ঃ**

যিসকল ব্যক্তি ঘটনাটোৰ লগত নিজে জড়িত আছিল, নতুবা চাক্ষুস সাক্ষী আছিল, তেওঁলোকে লিখা বিৱৰণ ইয়াৰ অন্তৰ্ভুক্ত। লোকসভা/ৰাজ্যসভা আৰু ন্যায়িক আদালতৰ কাৰ্য্যবিৱৰণী, আইন, সন্ধি, চৰকাৰী কাগজ, আত্মজীৱনী এই উৎসৰ ভিতৰলৈ আহে। সময় বিশেষে অহা প্ৰাথমিক লিখাসমূহ—পিয়ল, মানুহে অন্য মানুহলৈ লিখা চিঠি, ভিদিঅ' ছবি, অনাতাঁৰ কাৰ্য্যসূচী, বাতৰি কাকত, সাক্ষীৰ বিৱৰণ, কিতাপ, কলা-সামগ্ৰী আৰু কিছুমান উদ্ধাৰ হোৱা যেনে— সমাধি, যুদ্ধত পোৱা বুলেট ইয়াৰ ভিতৰত পৰে।

**চ) দ্বিতীয় স্তৰৰ উৎস ঃ**

যিসকল লোক ঘটনাস্থলীৰ পৰা বহু আঁতৰত আছিল, চাক্ষুস সাক্ষীৰ জৰিয়তে তাৰ বিৱৰণ প্ৰস্তুত কৰিছিল, সেয়া ইয়াৰ ভিতৰত পৰে। কিছুমান যুগত মৌলিক বিৱৰণৰ ওপৰত ভিত্তি কৰি মানগত কিতাপ প্ৰস্তুত কৰা হৈছিল। ইয়াৰ ভিতৰত পৰে— এটা বিশেষ যুগত প্ৰস্তুত কৰা কিতাপ, তৰ্ক, কিছু বছৰৰ আগৰ বাতৰিকাকত, এটা কালৰ ওপৰত বিশেষজ্ঞই দিয়া সাক্ষাৎকাৰ।

**বুৰঞ্জীমূলক প্ৰয়াসৰ কাৰণে নীতি-নিৰ্দ্দেশনা ঃ**

বুৰঞ্জীৰ তথ্যসমূহক সমালোচনা কৰি বুৰঞ্জীৰ প্ৰমাণ আনিব পাৰি। ই দুই প্ৰকাৰৰ—বাহিৰৰ পৰা অহা আৰু ভিতৰৰ পৰা অহা। তলত দিয়া কাৰ্য্যই বুৰঞ্জীবিদসকলে সাধাৰণভাবে বাহিৰৰ সমালোচনা আৰু ভিতৰৰ সমালোচনাৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰা নিৰ্দেশাৱলীৰ আভাষ দিব।

**বাহিৰৰ সমালোচনা ঃ** (নিশ্চিতকৰণ আৰু নিভাজ)

বাহিৰৰ সমালোচনাই তথ্যৰ আৰু বিশুদ্ধতাৰ নিশ্চিত কৰে। স্মৃতিচিহ্ন বা তথ্যবোৰ সত্য নে নকল? বিভিন্ন পৰীক্ষা সত্যতা পৰীক্ষা কৰিবলৈ ব্যৱহাৰ কৰা হয়। উদাহৰণ স্বৰূপে কৌটিল্যই প্ৰণয়ন কৰা অৰ্থশাস্ত্ৰখন প্ৰকৃত হয়নে নহয়, তাক কৰিবলৈ যাওতে আমি চাব লাগিব কোনটো সময়ত বা কাৰ দ্বাৰা কিতাপখন প্ৰণয়ন কৰা হৈছে। কিতাপখনত থকা চহীবোৰ, আখৰ বা হস্তলিখন, ৰচনা, প্ৰকাৰ, বানান, ব্যৱহৃত ভাষা, তথ্যঙ্কলন, সেই সময়ত উপলব্ধ হোৱা জ্ঞানবিদ্যা আৰু এতিয়ালৈকে আমি যি জানিব পাৰিছো, তাৰ লগত সামঞ্জস্য আছেনে নাই। চিঞাহি আৰু ছবি অংকন কৰা কাকত ইত্যাদিৰ ৰাসায়নিক আৰু ভৌতিক পৰীক্ষা কৰিবলগীয়া হ'ব পাৰে। যিটো সময়ৰ তথ্য ঠাৰৰ কৰা হৈছে, উল্লেখিত প্ৰমাণবোৰ আমাৰ ইতিমধ্যে জ্ঞাত বা আমি যি জ্ঞান আহৰণ কৰিলো বা সেই সময়ৰ কাৰিকৰী অৱস্থাৰ লগত ৰজিতা খোৱানে?

**ভিতৰুৱা সমালোচনা ঃ (বুৰঞ্জীগত নিৰ্ভৰযোগ্যতা)**

তথ্যসমূহ বা কীৰ্ত্তিচিহ্নবোৰৰ সত্যতা প্ৰমাণিত হোৱাৰ পাচতো এইবোৰ কিমান সঠিক আৰু ইয়াৰ মূল্য কিমান, তাক মূল্যায়ণ কৰাত সমস্যা আহে। তথ্যবোৰ নিভাঁজ কিন্তু ঘটনাৰ প্ৰতিচ্ছবি কিমান সত্যভাবে দাঙি ধৰে। তথ্যবোৰ যথাযোগ্য, সজ, পক্ষপাতমুক্ত আৰু ঘটনবোৰৰ লগত পৰিচিত আছিলনে? নতুবা ঘটনা বিকৃত কৰাৰ কাৰণে প্ৰস্তুত কৰা হৈছিল? এটা ঘটনা হৈ যোৱাৰ কিমান পাচত সেই বিষয়ে নথী প্ৰস্তুত কৰিছিল? নথী প্ৰস্তুত কৰোতে সম্পূৰ্ণ ঘটনা পৰিস্কাৰকৈ মনত আছিলনে? অন্য সাক্ষীৰ লগত মতামতবোৰ মিলিছিল নে?

বুৰঞ্জীৰ ধাৰণাৰ মানচিত্ৰ কেনেকৈ তৈয়াৰ কৰা হয়? Concept map বা ধাৰণাৰ মানচিত্ৰবোৰ কেইবা তৰপীয়া? ওপৰত থাকে মূল ধাৰণা, আৰু ইয়াৰ পৰা তললৈ কম প্ৰাধান্যৰ ধাৰণাবোৰ নামি যায়। এনেকুৱা নক্সা কৰি তৈয়াৰ কৰা চিত্ৰবোৰত পিচত অহা পৰিবৰ্ত্তন যোগ কৰাত আৰু নতুন ভাবধাৰা সন্নিবিষ্ট কৰাত সহায় হয়।

**এটা মুখ্য ভাব, বিষয় আৰু সমস্যাৰে আৰম্ভ কৰক ঃ** এখন ধাৰণাৰ মানচিত্ৰৰ বিষয়বস্তু নিৰ্ধাৰণ কৰিবলৈ যাওতে প্ৰশ্নটোৰ উদ্দেশ্য চাব—সমস্যাৰ সমাধান লাগেনে? নাইবা সামৰণি মাৰিব লাগে? বিষয়বস্তু বাচি ললে বা প্ৰশ্নটো ঠিক কৰি ল'লে, ধাৰণাৰ মানচিত্ৰৰ তৰপবোৰ ঠিক কৰি লোৱাত সুবিধা হয়।

**তলতীয়া ধাৰণাবোৰ ঠিক কৰক ঃ** মুখ্য ভাবৰ লগত সম্বন্ধ থকা তলৰ ভাববোৰ বিচাৰি উলিয়াওক আৰু স্থান অনুসৰি সজাই লওঁক। সাধাৰণ আৰু বহল অৰ্থৰ ভাবে ওপৰত থাকিব আৰু বিশেষভাববোৰ তললৈ আহিব।

**তলৰ স্তৰত থকা ভাববোৰ স্থিৰ কৰা হওঁক ঃ** ভাববোৰৰ জোৰা লগাওক, নতুন শব্দ উলিয়াই লওঁক ঃ ভাববোৰৰ মাজত যেতিয়া প্ৰাথমিক জোৰা লগোৱা কাম হ'ল, মেপখনৰ বিভিন্ন স্থানত থকা ভাববোৰৰ মাজত যোগসূত্ৰ কৰি লওঁক। এনে হ'লে ছাত্ৰসকলে অধিক জ্ঞান লাভ কৰাত সহায় হব, ভাববোৰৰ মাজত সম্বন্ধ বেছি ভালকৈ বুজি উঠিব।

সপ্তম শ্ৰেণীৰ বুৰঞ্জীৰ পাঠৰ পৰা এটা উদাহৰণ লোৱা হওঁক।

৩.৮ **সাৰাংশ**

বুৰঞ্জী হ'ল মানৱ অধ্যয়ণ। যুগ যুগ ধৰি মানুহে কৰি অহা প্ৰযত্ন আৰু উৎকৰ্ষতাৰ লগত ইয়াৰ সম্বন্ধ। ই বহুত ঘটনাৰ লগত মোকাবিলা কৰে — যিবোৰ ঘটনা এটা বিশেষ সময়ত ভৌতিক আৰু ভৌগোলিক পাৰিপাৰ্শ্বিকতাৰ মাজত ঘটিছিল। বুৰঞ্জী ঘটনাবোৰ ধাৰাবাহিক আৰু তালমিল থকা। মানৱজড়িত কোনো ঘটনা শূণ্যতাত সৃষ্টি নহয়।

আগতে ঘটি যোৱা ঘটনাবোৰত ইয়াৰ গুৰি থাকে। বুৰঞ্জীয়ে অতীত বাখ্যা কৰে আৰু ভবিষ্যতৰ জাননী দিয়ে। অতীত আৰু বৰ্ত্তমানৰ মাজত ই অন্তহীন কথোপকথন বা বাৰ্ত্তালাপ, লগতে ই বৰ্ত্তমানৰো আভাষ দিয়ে। ই বিপৰীতভাবে ঘূৰি অহা ভবিষ্যতবাণীৰ দৰে। কাৰণ কিছু পৰিমাণে ই ভবিষ্যতক বুজিবৰ কাৰণে সহায় কৰে, বিশেষকৈ ভবিষ্যতে কি আশা কৰিব পৰা যায়। কিছু লোকৰ মতে ই ৰৈখিক গতিত আগবাঢ়ে, আকৌ কিছুমানৰ মতে ই চক্ৰাকাৰ। বুৰঞ্জী সম্পূৰ্ণ ৰূপে বিকশিত নহয়, কাৰণ আমি অতীতৰ বহু ঘটনা নাজানো। সেইকাৰণে আমি জনা অতীত প্ৰকৃত অতীতকৈ কম পৰিসৰৰ। বুৰঞ্জী স্থবিৰ নহয়। বুৰঞ্জীৰ লগত আমাৰ দৃষ্টিভঙ্গী সততে ভিন্ন হয় কাৰণ নতুন নতুন আৱিস্কাৰৰ যোগেদি হোৱা আলোকপাত আমি জনা ঘটনাবোৰৰ ওপৰত সন্দেহ আনে। কিন্তু কোনেও বুৰঞ্জীৰ পৰিবৰ্ত্তনশীল প্ৰকৃতিক অস্বীকাৰ কৰিব নোৱাৰে।। কাৰণ ইয়াৰ পৰিবৰ্ত্তশীল জীৱন নাটৰ লগত সম্বন্ধ আছে। এই জীৱন নাটৰ উদ্দেশ্যও আছে আৰু অৰ্থও আছে। ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীৰ বুৰঞ্জীৰ পাঠৰ বিষয়বস্তু কেন্দ্ৰীয় মাধ্যমিক পৰিষদে (CBSE 2006) নিৰ্ধাৰণ কৰি দিয়ে। এই বিষয়বস্তুসমূহত ছাত্ৰই যি জ্ঞান আহৰণ কৰিব তাৰ দ্বাৰা তেওঁলোকে চিন্তাধাৰা, ঘটনা আৰু ব্যক্তিয়ে সমাজত বিভিন্ন সময়ত পৰিবৰ্ত্তন অনাত যি সহায় কৰিছিল, তাক বুজিব পাৰিব। যিবিলাক অৱস্থাই আৰু শক্তিয়ে সমাজৰ ধাৰবাহিকতা বজাই ৰখাত সহায় কৰে তাকো আয়ত্ব কৰিব পাৰিব। বুৰঞ্জীবিদ্‌সকলে অতীতক অনুসন্ধান কৰিবলৈ বহু উপাদানৰ সহায় লয় যেনে সময়ে সময়ে প্ৰাচীন মানুহে লিখা প্ৰাচীন বুৰঞ্জীমুলক লিখনিসমূহ, কীৰ্ত্তিচিহ্নসমূহৰ বয়স ঠিক কৰাৰ কাৰণে কাৰিকৰী বিদ্যাৰ সহায় যেনে- Radio Carbon dating। ইয়াৰ দ্বাৰা অট্টালিকা, খোদিত হৈ থকা সামগ্ৰী, প্ৰাচীন লোকৰ মাজত চলা সাধু, কাকতৰ নুৰাত লিখা জীৱন চৰিত, গুহা বা বেৰত অকা মূৰলৰ বয়স নিৰ্দ্ধাৰণ কৰা হয়।

## ৩.১০ গোটৰ ওপৰত অনুশীলনী

১ বুৰঞ্জী মানে কি বুজে?

২ বুৰঞ্জীৰ বৈজ্ঞানিক ভেটি কোনে গঢ় দিলে?

৩ বুৰঞ্জী বাখ্যাত কিয় প্ৰভেদ আহে? যুক্তি সহকাৰে বুজাই দিয়ক।

৪ আপুনি একমত হয়নে যে বুৰঞ্জীয়ে মানুহৰ সকলো বৈষয়িক সকাম চোৱা-চিতা কৰে? বাখ্যা কৰক।

৫ "এইটো কোনেও অস্বীকাৰ কৰিব নোৱাৰে যে বুৰঞ্জীয়ে দৈনন্দিন জীৱনৰ পট পৰিবৰ্ত্তনত এটা গতিবেগ আনে।" এই উক্তিৰ সন্দৰ্ভত বুৰঞ্জীৰ প্ৰকৃতি আলোচনা কৰক।

৬ CBSE য়ে প্ৰাথমিক স্তৰত সমাজবিজ্ঞানৰ কেৰিকুলমত অন্তৰ্ভুক্ত বুৰঞ্জীপাঠত দিয়া পৰামৰ্শাৱলী উপযুক্তনে? যদি ইয়াত কিবা আসোঁৱাহ আছে, উল্লেখ কৰক। আসোঁৱাহবোৰ আঁতৰ কৰাৰ কাৰণে পৰামৰ্শ দিয়ক।

৭ সমাজ বিজ্ঞানৰ কেৰিকুলামৰ অংশ হিচাবে বুৰঞ্জী পাঠৰ প্ৰয়োজনীয়তা কি আলোচনা কৰক।

৮ আপুনি বুৰঞ্জীৰ শিক্ষক হিচাবে প্ৰাথমিক আৰু দ্বিতীয় স্তৰৰ উৎসবিলাক ব্যৱহাৰ কৰি কেনেকৈ ছাত্ৰসকলক বুৰঞ্জী শিকাব?

# ৪ নং গোট - ভূগোল

**গঠন**

৪.০ আৰম্ভণি

৪.১ উদ্দেশ্য শিক্ষা

৪.২ শিক্ষাৰ উদ্দেশ্য— ভূগোল পাঠ

৪.৩ ভূগোলৰ ওপৰত ৰেখাপাত

৪.৪ ভূগোল শিক্ষাৰ প্ৰতি কেনেকৈ আগবাঢ়িব

৪.৫ ভূগোল শিক্ষাৰ প্ৰাধান্য

৪.৬ প্ৰাথমিক স্তৰৰ ওপৰ খাপত ভূগোল পাঠ

৪.৬.১ যুক্তি আৰু উদ্দেশ্য

৪.৬.২ বিষয়বস্তুৰ আকৃতি

৪.৭ যাতায়তৰ ওপৰত তৈয়াৰ কৰা পৰিকল্পনা

৪.৮ সাৰাংশ

৪.৯ টীকা নিৰ্ঘন্ত/সংক্ষেপকৰণ

৪.১০ অধ্যয়ণ আৰু উদ্ধৃতিৰ কাৰণে পঢ়িবলগীয়া কিতাপৰ পৰামৰ্শ

৪.১১ গোটৰ শেষত কৰিবলগীয়া অনুশীলণী

৪.০ **পাতনি**

ইতিমধ্যে আপুনি বুজি উঠিছে যে সমাজ বিজ্ঞান এক শিক্ষাৰ ক্ষেত্ৰ যি ছাত্ৰক সমাজ সম্বন্ধে গভীৰ ভাবে বুজি উঠাত সহায় কৰে। আপুনি এইটোও অনুভব কৰিব পাৰিছে কেনেকৈ সমাজ বিজ্ঞানে বুৰঞ্জী, ভূগোল, ৰাজনীতি বিজ্ঞান, অৰ্থনীতি আৰু সমাজশাস্ত্ৰ আদি বিষয়ত পঢ়োৱা ঘটনাবোৰ যিবোৰে বিভিন্ন দিশ আঙুলিয়াই দিয়ে সেইবোৰ বিস্তৃতভাবে সামৰি লৈছে। বোধহয় স্কুল নাইবা মহাবিদ্যালয়ত এই আটাইবোৰ বিষয় আপুনি পঢ়া নাছিল, যি কাৰণে যেতিয়া আপুনি এই বিষয়বোৰ পঢ়াবলগীয়া হয়, অসুবিধাৰ সন্মুখীন হয়। এই কথা মনত ৰাখি আমি সমাজ বিজ্ঞানৰ মুখ্য অংশবোৰৰ আভাষ আপোনাৰ আগত দাঙি ধৰিবলৈ চেষ্টা কৰিছো। ইয়াৰ আগৰ গোটত বুৰঞ্জী যে সমাজ বিজ্ঞানৰ এটা অংশ তাক বাখ্যা কৰা হৈছিল। সেই গোটটোৰ যোগেদি আপুনি জানিব পাৰিছিল, বুৰঞ্জীকালত কি ঘটিছিল, বুৰঞ্জীবিদ্সকলে কেনেকৈ নিজৰ কাম সমাধা কৰে আৰু আমি স্কুল কলেজত কিয় বুৰঞ্জী পঢ়িব লাগে। এই গোটটোত আপুনি আৰু এটা নতুন বিষয়ৰ লগত মুখামুখী হব সেয়া হৈছে ভূগোল। দুটা প্ৰয়োজনীয় প্ৰশ্ন আপুনি বুজিব পাৰিব-ভূগোল কি আৰু ইয়াক কিয় আমি পঢ়িব আৰু শিকাব লাগে? সমাজবিজ্ঞানৰ অন্য বিষয়বোৰতকৈ ভূগোলৰ বিষয়বস্তু আৰু পদক্ষেপ কিয় ভিন্ন আপুনি জানিব পাৰিব। প্ৰাইমেৰি

স্তৰৰ ওপৰ মহলাত কিয় ভূগোল শিকাব লাগে, ইয়াকো বুজিব পাৰিব। লগতে ভূগোলৰ বিষয়বস্তু শিকি লোৱাত সুবিধা পাব। তাৰোপৰি এই গোটত আপুনি যাতায়ত ব্যৱস্থাৰ ওপৰত এটা আৰ্হি পাঠ লাভ কৰিব।

### ৪.১ উদ্দেশ্য শিকি লোৱা

এই পাঠটো অধ্যয়ণ কৰাৰ পিছত আপুনি জানিবলৈ সক্ষম হ'ব—

ভূগোল কিয় শিকিব লাগে আৰু ইয়াৰ প্ৰয়োজনীয়তা

ভূগোলৰ প্ৰকৃতি বাখ্যা কৰা

ভূগোলৰ বিষয়বস্তু বিশ্লেষণ কৰা

সমাজবিজ্ঞানত ভূগোলৰ স্থিতি বুজাই দিয়া

প্ৰথমিক স্তৰৰ ওপৰ মহলত ভূগোল শিক্ষাৰ যুক্তিযুক্ততা বিচাৰ কৰা আৰু

ভূগোলৰ পাঠ পৰিকল্পনা কৰা

### ৪.২ ভূগোলৰ শিক্ষা আহৰণ আৰু শিক্ষাদানৰ উদ্দেশ্য

প্ৰাথমিক স্তৰৰ ওপৰ মহলাত আপুনি সমাজবিজ্ঞান পঢ়াওতে এইটো দেখিছে যে প্ৰায়ে ইয়াৰ ওপৰত বেলেগ বেলেগ কিতাপ- বুৰঞ্জী, ভূগোল, অৰ্থনীতি আৰু ৰাজনীতি বিজ্ঞান পঢ়িবলৈ দিয়া হয়। এনেকুৱাও দেখা যায় কেতিয়াবা মাত্ৰ এখনহে কিতাপ থাকে কিন্তু তাত বুৰঞ্জী, ভূগোল, অৰ্থনীতিৰ ওপৰত কিছুমান অধ্যায় সন্নিবিষ্ট কৰা হয়। আকৌ আনহাতেদি এইটোও দেখা যায় যে সমাজ বিজ্ঞান বিষয়টোৰ মাত্ৰ এখন কিতাপ যোগান ধৰা হৈছে কিন্তু বুৰঞ্জী, অৰ্থনীতি, ৰাজনীতি বিজ্ঞান আৰু সমাজশাস্ত্ৰৰ বিষয় আৰু পৰিধি বোধগম্য নহয়। কিছুমান সামাজিক ঘটনা বা ঘটনাপ্ৰবাহ অধ্যয়ন কৰিবলৈ যাওঁতে বা বিশ্লেষণ কৰোতে সানমিহলি কৰি পেলায়। আমাৰ দেশৰ ৰাজ্যবোৰৰ বেছিভাগতে সমাজ বিজ্ঞানৰ পাঠ্যতালিকাত কেইবাখনো কিতাপ ধাৰ্য্য কৰা থাকে কিন্তু শিক্ষক থাকে এজন আৰু তেঁৰেই শ্ৰেণীত সকলোবোৰ কিতাপ মোকাবিলা কৰিব লাগে। এই পৰিস্থিতিত হয়তো আপুনি স্কুল নাইবা মহাবিদ্যালয়ত শিক্ষালাভ কৰোতে ভূগোল পঢ়িবলৈ নাপালে কিন্তু আপুনি সন্মুখীন হোৱা বৰ্ত্তমান অভিজ্ঞতা আৰু বাধ্যবাধকতাৰ কাৰণে ছাত্ৰসকলক আপুনি ভূগোল শিকাবলগীয়া হৈছে। শিকাই গৈ থাকোতে পৃথিবী আৰু ইয়াৰ বিভিন্ন ঠাইৰ ভৌগলিক সম্বন্ধীয় কিছুমান ঘটনা ঘটাৰ অভিজ্ঞতা লাভ কৰিব।

কাৰ্য্যাৱলী—**১**

পৃথিৱী, সৌৰজগত, বায়ুমণ্ডল, মাটিৰ প্ৰকাৰ, জলবায়ু, বতৰ, প্ৰাকৃতিক আৰু মানৱ সমাজ, অঞ্চল, দেশ, মহাদেশ, অৰ্থনৈতিক কামকাজ, কৃষি, উদ্যোগ আৰু বেপাৰ, যাতায়ত আৰু যোগাযোগ, গোলকীয় সমস্যা যেনে— জলবায়ু পৰিবৰ্ত্তন, গোলকীয় উষ্ণতা, এলনিনো, জলসম্পদ, প্ৰাকৃতিক দুৰ্যোগ, দৰিদ্ৰতা, নিবনুৱা সমস্যা,

পাৰিপাৰ্শ্বিকতাৰ অধোন্নতি, মৰুভূমিৰ প্ৰসাৰ ইত্যাদি এইবোৰৰ সম্বন্ধে আপুনি বোধহয় ছাত্ৰসকলক আভাষ দিছে।

আপুনি এটা প্ৰশ্ন কৰিব পাৰে যে এই বিষয়বোৰ কিয় ল'ৰা-ছোৱালীক শিকাব লাগে আৰু আপোনাৰ প্ৰশ্নটোও সঠিক। অন্য প্ৰকাৰে ক'বলৈ গ'লে, আপোনাৰ প্ৰশ্নটো হ'ব আমি কিয় ভূগোল পঢ়িব লাগে? আপুনি এইটোত একমত হ'ব যে মানুহ হিচাবে পৃথিৱীখনক মানৱজাতি আৰু অন্য জীৱৰ বসতিস্থল হিচাবে জানিবলৈ আমি অনুসন্ধিৎসু হৈ থাকো। ভূগোল শিক্ষাই এজন মানুহক গ্ৰহবোৰ আৰু ইয়াৰ নিয়ম, গতিবিধিৰি ওপৰত আৰু লগতে পৃথিৱীৰ সমস্যাবোৰৰ ওপৰত জ্ঞান দিব পাৰে। বিভিন্ন দেশ, সংস্কৃতি, নগৰ, দেশৰ ভিতৰতে থকা বেলেগ অঞ্চলবোৰৰ মাজত আৰু দেশৰ অভ্যন্তৰত ঘটি থকা গোলকীয় সমস্যাবোৰ ভূগোল অধ্যয়ণ কৰি থকা লোকসকলে আয়ত্ব কৰিব পাৰে আৰু বাখ্যা কৰিব পাৰে। আমি এইটো জানো যে চৌপাশে আমাৰ জীৱনৰ ওপৰত বহুত প্ৰকাৰে প্ৰভাৱ পেলায়। ইয়াৰ কাৰণে পাৰিপাৰ্শ্বিকতাৰ অধ্যয়ণ জৰুৰী হৈ পৰে— সমান্তৰালভাবে মানুহ আৰু প্ৰকৃতিৰ বিষয়েও। চৌপাশৰ বাতাবৰণত বৰ্তি থাকিবলৈ হ'লে আমি প্ৰাকৃতিক সম্পদৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। এই প্ৰাকৃতিক আৰু মানৱ সম্পদ কেনেকৈ ভাগ-বাটোৱাৰা হয়, তাক আমাৰ জনাৰ দৰ্কাৰ। গোলকীয় পটভূমিত আমি অঞ্চলবোৰ, ৰাজ্যবোৰ আৰু দেশৰ বিষয়ে জানিব লাগিব। স্থায়ী উন্নয়ণৰ কাৰণে কেনেকৈ বিভিন্ন অঞ্চল আৰু দেশবোৰ পৰস্পৰ নিৰ্ভৰশীল তাকো বুজাৰ দৰকাৰ। ঠাই বিশেষে ঘটনাবোৰে কেনেকৈ বেলেগ ৰূপ লয় আৰু সময় বাগৰাৰ লগে লগে কেনেকৈ পৰিবৰ্ত্তন আহে, এইবোৰো বুজিব লাগিব। ভিন্ন ভিন্ন ঠাই আৰু ইয়াৰ বাসিন্দাসকলৰ বিষয়েও জ্ঞান থকাৰ প্ৰয়োজন। আমি দৈনন্দিন জীৱনত গ্ৰহণ কৰা সিদ্ধান্তবোৰৰ ওপৰত ভূগোলে ভূমিকা পালন কৰে, যেনে- স্থান নিৰ্ণয়, বজাৰমুখী সিদ্ধান্ত, বিতৰণ পদ্ধতি পৰিকল্পনা কৰা, জৰুৰী অৱস্থাৰ মোকাবিলা কৰা। ভূগোলে এই ভিন্নতা বুজি উঠাত সহায় কৰে আৰু কেনেকৈ ভিন্ন সময়ত আৰু ঠাইত যিবোৰ কাৰণৰ দ্বাৰা এই পৰিবৰ্ত্তনবোৰ সংঘটিত হয়, সেইবোৰ ফহিয়াই উলিওৱাত সহায় কৰে। সেয়ে সমাজ বিজ্ঞানৰ এই প্ৰয়োজনীয় অংশটো আমাৰ অধ্যয়ণ কৰাৰ প্ৰয়োজন।

### ৪.৩ ভূগোলৰ ওপৰত ৰেখাপাত

ইয়াৰ আগৰ অধ্যায়ত আমি কিয় ভূগোল পঢ়িব লাগে ইয়াৰ বিষয়ে আপোনালোক অৱগত হ'ল। ইয়াৰ পিছৰ প্ৰশ্নটো আপুনি সুধিব পাৰে 'ভূগোল কি?' ভূগোলবিদ্‌সকলে কেনেকৈ কাম কৰে? এই অধ্যায়ত আপুনি ভূগোলৰ গুণগত বিষয়ৰ ওপৰত পৰিচয় হ'ব। আপুনি এই বিষয়ে অৱগত যে সমাজ বিজ্ঞানে ইয়াৰ বিষয়বোৰ বিভিন্ন উৎসৰ পৰা আহৰণ কৰে। এনেকুৱা এনে বিষয় হ'ল ভূগোল। ই বুৰঞ্জীতকৈ আগতে বিকাশ লাভ কৰিছিল। ২২০০ বছৰ আগতে ভূগোলৰ জন্ম লয় আৰু গ্ৰীকসকলৰ মাজৰ এজন ইৰাটথেনেছি (২৭৬-১৯৪ খৃঃপূঃ) নামৰ লোকে ভূগোল শব্দটো নামাঙ্কন কৰে। শব্দৰ উৎসৰ বিচাৰ কৰিলে দেখা যায় যে দুটা গ্ৰীকশব্দ Geo (পৃথিৱী) আৰু Graphos (বৰ্ণনা)ৰ পৰা ইংৰাজী Geography (ভূগোল) শব্দটো আহিছে। দুটা শব্দ গোট খাই পৃথিৱীক বুজায়। আগৰ অধ্যায়ত আমি কৈছিলো যে বাসস্থান হিচাবে আমি পৃথিৱীক বুজিব লাগিব। আপুনি কেতিয়াবা এইটো কথা প্ৰত্যক্ষ কৰিছিল নে পৃথিৱীৰ ওপৰিভাগত দৈহিক পৰিৱৰ্ত্তন হোৱাৰ লগতে সাংস্কৃতিক আবহাওৱাৰো পৰিৱৰ্ত্তন হয়।

কাৰ্য্যাৱলী-২

পৃথিৱীৰ ওপৰিভাগত হোৱা প্ৰাকৃতিক আৰু সাংস্কৃতিক বাতাবৰণৰ পৰিবৰ্ত্তনবোৰ উল্লেখ কৰা

প্ৰাকৃতিক বাতাবৰণ

.................................................................................................................................

.................................................................................................................................

.................................................................................................................................

সাংস্কৃতিক বাতাবৰণ

.................................................................................................................................

.................................................................................................................................

.................................................................................................................................

আপুনি যিবোৰ প্ৰভেদ উল্লেখ কৰিলে, কিছুমান ঘটনা একে ধৰণৰ আৰু মিল থকা কিন্তু বহুতো ঘটনাৰ মিল নাই। ঠাই বিশেষে এই ঘটনাবোৰৰ ব্যতিক্ৰম হয়। ইয়াৰ লগত পৃথিৱীৰ ওপৰিভাগৰ প্ৰাকৃতিক অৱস্থা, জলবায়ু, মাটি, উদ্ভিদ, প্ৰাকৃতিক আৰু মানব সম্পদ আৰু সংস্কৃতিৰ সম্বন্ধ আছে।

আপুনি এতিয়া যুক্তি প্ৰদৰ্শন কৰিবনে যে ভূগোল বিষয়টো কেৱল "Areal differentiation"? (ক্ষেত্ৰীয় ভিন্নতা) আমি ভূগোলত কেৱল পৃথিৱীৰ ওপৰিভাগত হোৱা পৰিৱৰ্তনেই আলোচনা নকৰো। এইটোও অধ্যয়ন কৰো কেনেকৈ ঘটনাৰ সমাহাৰ হয় আৰু অন্য কাৰকৰ লগ লাগি তাৰতম্য আনে। পৃথিৱীৰ উপৰিভাগকে স্থান (Space) বোলা হৈছে। উদাহৰণস্বৰূপে জনসংখ্যাৰ প্ৰভাৱ অঞ্চলভেদে বেলেগ হয়। কিন্তু এই তাৰতম্যক যদি এটা ঘটনা হিচাবে চোৱা যায় — দেখা যাব বহু কাৰকৰ তাৰতম্যৰ লগত যেনে- জলবায়ু, মাটি, প্ৰাকৃতিক উদ্ভিদজগত, খনিজাত বস্তুৰ উপলব্ধি, ধৰ্ম, খাদ্যাভাস, সংস্কৃতি, মানুহৰ শিক্ষাৰ মানদণ্ড ইয়াৰ সম্বন্ধ আছে। এই কাৰকবোৰত হোৱা পৰিৱৰ্তনে জনসংখ্যা এটা অঞ্চলত বেছি হোৱা বা কম হোৱা কাৰ্য্যক সহায় কৰে। এই ধৰণে ভূগোলৰ কাম হৈছে দুটা গুৰুত্বপূৰ্ণ ঘটনা বা এটাতকৈ বেছি গুৰুত্বপূৰ্ণ ঘটনাৰ মাজত থকা সম্বন্ধ বিচাৰি উলিওৱা। ষষ্ঠ শ্ৰেণী আৰু অষ্টম শ্ৰেীৰ মাজৰ NCERT পাঠ্যপুথিৰ পৰা কেইটামান উদাহৰণ লোৱা হওঁক।

- আমাজান অৱবাহিকাত অৰণ্যৰ যি ধ্বংসকাৰ্য অব্যাহত আছে তাৰ প্ৰভাৱ বহু বেছি হ'ব। বৰষুণে ওপৰৰ মাটি ধুই নিছে আৰু সুন্দৰ অৰণ্য এতিয়া শুকান অঞ্চললৈ পৰিৱৰ্তিত হৈছে। (সপ্তম শ্ৰেণী, অষ্টম শ্ৰেণী — মানুহ আৰু পাৰিপাৰ্শ্বিকতাৰ ভিতৰত হোৱা সমস্যাৰ আলোচনা।) এই সমস্যাটোৰ কাৰণ আৰু ফলাফলৰ মাজত সম্বন্ধ দেখুৱাব পাৰিবনে?

- বেলেগ বেলেগ অঞ্চলত বেলেগ বেলেগ খেতি কৰা হয় (কৃষি — অষ্টম শ্ৰেণী, চতুৰ্থ অধ্যায়)। কি কাৰণে কৰা হয়, ভূগোলত আমি ইয়াৰ কাৰণ উলিয়াবলৈ চেষ্টা কৰো। কেৱল ধাৰণা কৰিলেই নহ'ব। ভৱিষ্যতৰ পৰিপ্ৰেক্ষিততো ঘটনাটো বিচাৰ কৰি চাব লাগিব — কাৰণ ভূগোল অধ্যয়ন কৰা এজন মানুহে কাৰণ আৰু ফলাফল দুয়োটাৰ সংগতি ৰাখি ঘটনাৰ অধ্যয়ণ কৰে।

আপুনি এইটো লক্ষ্য কৰিছে যে আমি এজন গতিশীল আৰু পৰিৱৰ্তনমুখী সমাজ আৰু পৃথিৱীত বাস কৰো। ভৌগোলিক ঘটনাসমূহ — প্ৰাকৃতিক নাইবা মানৱজড়িত- স্থবিৰ নহয়। বিপুলভাৱে গতিশীল। ইয়াৰ পৰিৱৰ্তন হৈ থাকে খৰতকীয়া নাইবা লেহেমীয়া।

কাৰ্য্যৱলী-৩ যোৱা দুটা দশকত আপোনাৰ চৌপাশে হোৱা পৰিৱৰ্তনসমূহ তালিকাভুক্ত কৰক।

| | | | |
|---|---|---|---|
| পৃথিৱীৰ ওপৰিভাগত (Relief) | | কাৰিকৰী বিদ্যা | |
| উষ্ণতা | | যাতায়তৰ সুবিধা | |
| বৰষুণ | | সংযোগ ব্যৱস্থা | |
| মাটিৰ গুণাগুণ | | বেপাৰ | |
| প্ৰাকৃতিক উদ্ভিদ | | | |
| বন্যজন্তু | | | |
| মানুহ | | | |
| খাদ্যাভাস | | | |
| পোছাক পৰিচ্ছদ | | | |

আপুনি নিশ্চয় লক্ষ্য কৰিছে ওপৰুক্ত পৰিঘটনাসমূহ সময় বাগৰি যোৱাৰ পাছত স্থিৰ হৈ থকা নাই। যোৱা দুটা দশকত ইয়াৰ পৰিৱৰ্তন আহিছে। আপুনি এতিয়া এটা মন্তব্য আগবঢ়াব পাৰিবনে যে কিয় পৰিৱৰ্তনবোৰ হৈছে? এইটো কাৰণতে হৈছেনে যে ই চিৰ পৰিৱৰ্তনমুখী পৃথিৱী আৰু চিৰ কৰ্মমুখী আৰু অক্লান্ত মানুহৰ কামৰ সংঘাত (Interaction)। নতুবা আৰু অন্য কাৰণ আছে নেকি? মানুহৰ জীৱন ধাৰণত প্ৰকৃতিৰ বহু প্ৰভাৱ আছে। ইয়াৰ প্ৰভাৱ মানুহৰ খাদ্য, পোছাক, আশ্ৰয় আৰু বৃত্তিৰ ওপৰত লক্ষ্য কৰিব পাৰি। মানুহে পৰিস্থিতি সাপেক্ষে সালসলনি ঘটাই নিজকে প্ৰকৃতিৰ লগত খাপখুৱাই লয় আৰু এই দিশটোৱে ভূগোলৰ অন্য এটা বিশেষত্ব দেখুৱায়। আমি এতিয়া এটা মন্তব্য আগবঢ়াব পাৰো যে ভূগোলে মানৱ সমাজ আৰু তেওঁলোকৰ পাৰিপাৰ্শ্বিকতাৰ মাজত চলি থকা ঘাট প্ৰতিঘাত আৰু সম্বন্ধবোৰৰ ওপৰত অধ্যয়ণ কৰে।

ভূগোলৰ বিষয়বস্তু অন্য সমাজবিজ্ঞানতকৈ বেলেগ। ভূগোল পৃথিৱীৰ ওপৰিভাগৰ অধ্যয়ণৰ লগত জড়িত, যাক Space বুলি কোৱা হয় আৰু সেয়ে ইয়াক Spatial Science বুলিও জনা যায়। পৰিঘটনাবোৰ কি, ক'ত আৰু কেনেকৈ হয়, ভূগোলে সেই সমন্ধে কয়। পৃথিৱীৰ উপৰিভাগৰ গঠন (গঢ়), পৰিঘটনা আৰু কাৰ্য্যপ্ৰণালী সমন্ধে আমি অনুসন্ধান কৰো। লগতে এইবিলাকৰ বেলেগ বেলেগ ঠাইত অৱস্থিতিৰ (Distribution) বিষয়ে জানিবলৈ আমাৰ মন যায়। 'কি' আৰু 'ক'ত' এই দুয়োটা প্ৰশ্নই প্ৰাকৃতিক আৰু সংস্কৃতি সম্বন্ধীয় ঘটনাবোৰৰ অৱস্থিতি আৰু বিতৰণৰ সমিধান দিয়ে। এনে প্ৰশ্নই গঠন আৰু ইয়াৰ স্থান বা অৱস্থিতিৰ যি সম্ভেদ দিয়ে সি আৱিষ্কাৰৰ তুল্য। ঔপনিৱেশকতাৰ কালত ই এটা জনপ্ৰিয় অধ্যয়ণৰ ধাৰা আছিল। এই দুয়োটা প্ৰশ্নই ভূগোলক বিজ্ঞানসন্মত বিষয় হিচাবে গঢ় দিয়া নাই। তৃতীয় প্ৰশ্নই 'কিয়ই' বাখ্যা আগবঢ়াইছিল আৰু গঠন, ধাৰাবাহিকতা আৰু পৰিঘটনাসমূহৰ মাজত সম্বন্ধ দেখুৱাইছিল। এই 'কিয়ৰ' প্ৰশ্নই ভূগোলক এটা বৈজ্ঞানিক ভিত্তি দিলে।

বৰ্তমান কালত কাৰিকৰী বিদ্যাৰ সহায়ত GIS (ভৌগোলিক অৱস্থিতিৰ সম্ভেদ), Remote sensing, কম্পিউটাৰৰ সহায়ত তৈয়াৰ কৰা মানচিত্ৰাংঙ্কণ ইত্যাদিয়ে পৃথিৱীৰ ওপৰিভাগৰ গঠন, চলন্ত প্ৰবাহ আৰু ঘটনাৰাশিক এই বিষয়টোৱে বাখ্যা কৰা আৰু সাধাৰণ সম্বন্ধৰ বিষয়ে উন্মোচিত কৰাত সহায় কৰে। এই ধৰণে ভূগোল Digital যুগত প্ৰৱেশ কৰিছে।

"ভূগোলে পৃথিৱীৰ ওপৰিভাগত হোৱা ক্ষেত্ৰীয় ভিন্নতা বৰ্ণনা আৰু বাখ্যা কৰে।" — ৰিচাৰ্ড হাৰ্টচৰ্ণ

"ভূগোলে সাধাৰণভাবে পৃথিৱীৰ খোলাটোৰ বিভিন্ন ঠাইত ঘটি থকা পৰিঘটনাবোৰৰ পাৰ্থক্য অধ্যয়ণ কৰে।" — হেট্নাৰ

"এটা বিষয় যি পৃথিৱীৰ ওপৰিভাগ আৰু স্থান আৰু ইয়াৰ ভিতৰত অন্তৰ্ভূক্ত সকলো কাৰ্য্য, ইয়াৰ বৈশিষ্ট্য বা ইয়াৰ মাজেদি যি গতি কৰে আৰু য'ত সকলোবোৰে প্ৰাধান্য লাভ কৰে মানুহ, পানী, জনবিশ্বাস, digital তথ্যক লৈ ই এটা বিশাল বিষয়।"— পিটাৰ মনাঘান

ভূগোলৰ ওপৰত আমি যেতিয়া বিশেষত্ব আৰোপ কৰো, ইয়াৰ কেইটামান গুণ উদয় হয়। আমি কেইটামান মুখ্য গুণৰ ওপৰত আলোকপাত কৰিম।

ভূগোলত ঠাই নাইবা কোনে এক বিশেষ বাতাবৰণ সযত্নে নিৰীক্ষণ / পৰীক্ষা / বৰ্ণনা কৰা বিশেষভাৱে প্ৰয়োজন। অলপ দিনৰ আগলৈকে ভূগোল অধ্যয়ণে চৰজমীন হোৱা কামো সামৰি লৈছিল। স্থানৰ অৱস্থিতি আৱশ্যক। স্থানৰ অৱস্থিতি চৰম বা সম্পূৰ্ণ আৰু আপেক্ষিক দুয়ো ফালৰ পৰা বিচাৰ কৰা হয়। প্ৰাকৃতিক আৰু মানুহৰ দৃষ্টিকোণৰ পৰাও ঠাই টুকুৰাৰ বৈশিষ্ট্য চোৱা হয়।

আমি ভূগোলত জীৱমণ্ডল, বায়ুমণ্ডল আৰু  জলস্তৰৰ প্ৰকাৰ আৰু ধাৰাৰ ওপৰত আলোকপাত কৰিবলৈ যাঁও। প্ৰায়ে ভূখণ্ডৰ ওপৰত গুৰুত্ব দিয়া হয় আৰু কেনেকৈ প্ৰাকৃতিক আৰু মানুহৰ কাৰ্য্যকলাপে ইয়াৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে।

আমি ভূগোলত মানুহ আৰু পাৰিপাৰ্শ্বিকতাৰ মাজত হোৱা ঘাত-প্ৰতিঘাতৰ বিষয়ে জানিব বিচাৰো আৰু চাঁও কেনেকৈ পাৰিপাশ্বিকতাই মানুহৰ কাৰ্য্যত গঢ় দিয়ে আৰু মানুহৰ কাৰ্য্যই কেনেকৈ পাৰিপাৰ্শ্বিকতা গঠণত সহায় কৰে। প্ৰকাৰন্তৰে আমি বুজাবলৈ চেষ্টা কৰো মানুহে কেনেকৈ পাৰিপাৰ্শ্বিকতাৰ লগত মোকাবিলা কৰে। মানুহে পাৰিপাৰ্শ্বিকতাৰ লগত নিজকে খাপ খুৱাই লয় নে, নাইবা সংশোধন কৰি লয় নতুবা পাৰিপাৰ্শ্বিকতাৰ ওপৰত নিৰ্ভৰশীল নে? বিভিন্ন ঠাইবোৰৰ মাজত থকা সম্বন্ধই বিশেষ মনোযোগ পায়, বিশেষকৈ ঠাইবোৰে কেনেকৈ ক্ৰমবিকাশ লাভ কৰে আৰু উন্নয়নৰ দিশে আগুৱায়। মানুহৰ যাতায়ত আৰু বয়বস্তুৰ প্ৰেৰণ ইয়ো প্ৰয়োজনীয় দিশ।

ক্ষেত্ৰ অধ্যয়ণে এটা নিৰ্দিষ্ট অঞ্চলৰ বিশেষত্ববোৰ দেখুৱায় — বিশিষ্ট গুণবোৰ বিচাৰ কৰি আৰু এটা অঞ্চলক অন্য অঞ্চলৰ লগত তুলনা কৰি। অঞ্চলবোৰে কেনেকৈ গঢ় লয় আৰু কেনেকৈ পৰিৱৰ্তিত হয়, এই বিষয়বোৰে সদায় মন আকৃষ্ট কৰে। বেলেগ বেলেগ অঞ্চলবোৰৰ অধ্যয়ণে ইয়াৰ মাজত থকা সাধাৰণ বিশেষত্ববোৰ দেখুৱাব পাৰে যেনে আৰ্দ্ৰ অঞ্চলবোৰ নাইবা দক্ষিণ-পূব এছিয়া অঞ্চল।

ভৌগোলিক বিতৰণ বা প্ৰকৃতিৰ গুণবোৰৰ সম্বন্ধ Spatial বিশ্লেষণে দেখুৱায়। ই পৃথিৱীৰ ওপৰিভাগত

হোৱা যাতায়ত আৰু পৰিভ্ৰমণৰ বিষয়েও আলোচনা কৰে। এখন ঠাইৰ পৰা অন্য এখন ঠাইলৈ কেনেকৈ মানুহৰ যাতায়ত হয়, বয়বস্তুৰ যোগান হয় আৰু ভাব চিন্তা বিয়পি পৰে, এই বিষয়ে বুজিবলৈ চেষ্টা কৰে।

বেলেগ বেলেগ ঠাইৰ ভিতৰত কেনেকৈ মানুহবোৰে, সামগ্ৰী আৰু চিন্তাধাৰাই আগবঢ়া কৰে।

এতিয়া আমি তলত দিয়া মতে ভূগোলৰ বিশেষত্ব দেখুৱাব পাৰো।

- এটা বিষয় হিচাবে ভূগোলৰ পৃথিৱীৰ ওপৰিভাগৰ অধ্যয়ণৰ লগত সম্বন্ধ আছে আৰু অঞ্চল বিশেষৰ বিশেষত্ব আৰু গুণবোৰৰ প্ৰতি ই লক্ষ্য ৰাখে।
- পৃথিৱীৰ ওপৰভাগত হোৱা ঘটনাবোৰৰ বিতৰণ, অৱস্থিতি আৰু সমষ্টিকৰণ ই অধ্যয়ণ কৰে। বুৎপত্তি আলোচনা কৰে আৰু প্ৰকৃতি সম্পৰ্কে বাখ্যা কৰে।
- মানুহ আৰু পাৰিপাৰ্শ্বিকতাৰ মাজত হোৱা ঘাট-প্ৰতিঘাটৰ পৰিপ্ৰেক্ষিতত যিবিলাক ঘটনাৰ উদ্ভৱ হয়; ভূগোলে তাৰ পাৰস্পৰিক সম্বন্ধ আৰু লক্ষণসমূহৰ প্ৰতি লক্ষ্য ৰাখে।

**আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক — ১**

টোকা ঃ (ক) আপোনাৰ উত্তৰৰ কাৰণে তলত ঠাই দিয়া আছে।

(খ) গোটৰ শেষত দিয়া উত্তৰৰ লগত আপোনাৰ উত্তৰ তুলনা কৰক।

১. ভূগোল কি?

.....................................................................

২. ভূগোল কিয় পঢ়িব লাগে, তাৰ কাৰণ দিয়ক?

............................................

৩. আপোনাৰ ভূগোলৰ পাঠ্যপুথিৰ পৰা দুটা উদাহৰণ দিয়ক যি ভূগোল প্ৰকৃতিৰ বিষয়ে বাখ্যা কৰিব।

(i) ভূগোল এটা বিষয় হিচাবে পৃথিৱীৰ ওপৰিভাগৰ অধ্যয়ণৰ লগত জড়িত আৰু বিভিন্ন ঠাই আৰু ই ইয়াৰ বিশেষত্বৰ ওপৰত আলোকপাত কৰে।

...................................................

(ii) পৃথিৱীৰ ওপৰিভাগত (space) হোৱা ঘটনাবোৰৰ বিতৰণ, অৱস্থিতি আৰু সমষ্টিকৰণৰ প্ৰক্ৰিয়া ভূগোলে অধ্যয়ণ কৰে আৰু প্ৰক্ৰিয়াবোৰৰ বিষয়ে বিচাৰ কৰি বাখ্যা কৰে।

...........................................................

(iii) মানুহে আৰু প্ৰাকৃতিক বাতাবৰণৰ মাজত হোৱা ঘাট-প্ৰতিঘাত গতিশীল। ইয়াৰ ফলত উদ্ভৱ হোৱা পৰিঘটনাসমূহৰ পাৰস্পৰিক সম্বন্ধ আৰু লক্ষণসমূহৰ বিষয়ে ভূগোলত অধ্যয়ণ কৰা হয়।

....................................................................................................

ভূগোলৰ শিক্ষাদানত আপুনি এই কথা গম পাইছিল যে ইয়াত বহুতো পাঠ আছে যিবোৰ অন্য বিষয়টো পঢ়ুৱা হয়। উদাহৰণস্বৰূপে — সমাজশাস্ত্ৰত মানুহ আৰু সমাজৰ বিষয়ে অধ্যয়ণ কৰা হয়। উদ্ভিদ বিদ্যাই গছৰ ওপৰত অধ্যয়ণ কৰে। ভূতত্ত্ববিদ্যাই পৃথিৱী সম্বন্ধে অধ্যয়ণ কৰে। ভূগোলৰ বিষয়বস্তু নিৰীক্ষণ কৰিলে দেখা যায়, ই কেৱল ভৌতিক বা প্ৰাকৃতিক বিজ্ঞানৰ পৰা বিষয়বস্তু সংগ্ৰহ নকৰে, সমাজ বিজ্ঞান আৰু কাৰিকৰী বিজ্ঞানৰ ওপৰত লেখাসমূহো ব্যৱহাৰ কৰে। সেয়ে ভূগোল একত্ৰীকৰণ হোৱা, সানমিহলি হোৱা নতুবা সংহতপূৰ্ণ বিজ্ঞান আৰু জ্ঞানৰ সংযুক্তিকৰণ (অংশবিশেষক যুক্ত কৰি লোৱা)। ভূগোলৰ বিশেষ অধ্যয়ন ক্ষেত্ৰবোৰ বিজ্ঞানৰ বিজ্ঞানৰ লগত সম্বন্ধ থকা ভাগবোৰৰ সৈতে ওপৰা ওপৰি হৈ থাকে। তলৰ পাঠবোৰত আমি ভূগোলৰ পৰিসীমা আলোচনা কৰিম।

ইয়াৰ আগৰ পাঠত আমি বাখ্যা কৰিলো আৰু লগতে বুজিলো যে ভূগোলে বিভিন্ন প্ৰাকৃতিক বিজ্ঞান যেনে ভূতত্ত্ববিদ্যা, বতৰ সম্বন্ধীয় বিজ্ঞান, জলবিজ্ঞান, Petrology, উদ্ভিদ বিদ্যা, জীৱবিদ্যা আৰু সমাজবিজ্ঞান যেনে- অৰ্থনীতি, জনসংখ্যা বিষয়ক, ৰাজনৈতিক বিজ্ঞান, বুৰঞ্জী, দৰ্শন, নৃতত্ত্ববিদ্যা আৰু সমাজশাস্ত্ৰৰ পৰা তথ্য আহৰণ কৰে। সামৰণিত এইটো কব পাৰি যে, ভূগোল এক নিজস্ব বিষয়যুক্ত আৰু লগতে বহু বিষয়যুক্ত বিষয়। এটা দিশৰ পৰা নতুবা অন্য দিশৰ পৰা গুৰুত্ব দি প্ৰত্যেকটো বিষয় অধ্যয়ণ কৰা হয়। ভূগোল অধ্যয়ণত দুটা পথ লোৱা হয়।

- **শৃঙ্খলাভাবে অধ্যয়ণ ঃ** এই অধ্যয়ণত ঘটনাটোৰ সমুদায় আভাষ লোৱা হয়। ইয়াক স্থানীয় পাঠ অধ্যয়ণ হিচাবে বুজাব পাৰ যায়। এই ধৰণে আমি এটা নিৰ্দ্দিষ্ট অঞ্চলৰ এটা পৰিঘটনা সামগ্ৰিক ৰূপত অধ্যয়ণ কৰো। যদি কোনোবাই জলবায়ুৰ ওপৰত অধ্যয়ণ কৰে, তেন্তে তেওঁ জলবায়ুৰ বিভিন্ন দিশ যেনে- ইয়াৰ সংজ্ঞা, জলবায়ুৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব পৰা বিভিন্ন কাৰণ, জলবায়ুৰ গঠণ, প্ৰকাৰ আৰু পৃথিৱীৰ বিভিন্ন জলবায়ু অঞ্চলৰ বিষয়ে জানিব লাগিব।

- **আঞ্চলিক অধ্যয়ণ ঃ** আঞ্চলিক অধ্যয়ণত পৃথিৱীক তৰপ হিচাবে কেইবাটাও অঞ্চলত কৰা হয় আৰু তাৰ পাছত এটা অঞ্চলৰ সকলো ভৌগোলিক ঘটনাবোৰ অধ্যয়ণ কৰা হয়। এই অঞ্চলবোৰ প্ৰাকৃতিক, ৰাজনৈতিক নতুবা এক নিৰ্দ্দিষ্ট ঘোষিত অঞ্চল হ'ব পাৰে। অনৈক্যৰ মাজত ঐক্যৰ মিল বিচাৰি নিভাজ আৰু সম্পূৰ্ণৰূপে অঞ্চলটোৰ ওপৰত অধ্যয়ণ কৰা হয়। আমি যেতিয়া অধ্যয়ণৰ কাৰণে এটা অঞ্চল বাচি লওঁ, তেতিয়া আমি পৃথিৱীৰ ওপৰিভাগৰ বৰ্ণনা, নলা-নৰ্দমা, জলবায়ু, মাটি, প্ৰাকৃতিক উদ্ভিদ, খনি, মানৱ সম্পদ, অৰ্থনৈতিক কাৰ্য্য, বেপাৰ, যাতায়ত আৰু যোগাযোগ সকলোবোৰ অধ্যয়ণ কৰো। ইয়াক আঞ্চলিক অধ্যয়ণ বুলি কোৱা হয়।

### ৪.৫ ভূগোলৰ পৰিসীমা ঃ

ভূগোলৰ পৰিসীমা যথেষ্ট বিশাল। বিশেষ বিভাগবোৰৰ যোগেদি ভূগোলৰ বিষয়বস্তু অধ্যয়ণ কৰা হয়। সকলো বিভাগ দুটা ধাৰাত বিভক্ত — শৃঙ্খলাভাবে কৰা আৰু আঞ্চলিক অধ্যয়ণ। যিটো বিভাগে ভৌতিক বিজ্ঞানৰ পাঠ বুজায়, তাক প্ৰাকৃতিক ভূগোল আৰু যিটোৱে সমাজ বিজ্ঞানৰ পাঠ বুজায়, তাক মানৱ সম্বন্ধীয় ভূগোল বুলি কোৱা হয়। এই বিভাগবোৰৰ বিষয়ে অধিক জানো আঁহক।

১. **প্ৰাকৃতিক ভূগোল ঃ** ই ভূতত্ববিদ্যা আৰু অন্য প্ৰাকৃতিক বিজ্ঞানৰ পৰা উৎপত্তি হৈছে। সমাজবিজ্ঞানতকৈ ই অধিকভাবে প্ৰাকৃতিক বিজ্ঞানহে। এই ভূগোলে বাতাবৰণ সম্পৰ্কীয় দিশ আলোচনা কৰে।

- জলবায়ু।
- মাটিৰ প্ৰকাৰ — শিলৰ প্ৰকাৰ আৰু অৱস্থিতি, পৃথিৱীৰ ওপৰিভাগ আৰু নিষ্কাষণ পদ্ধতি।
- জীৱ-জন্তু, জান-জুৰি, জলপ্ৰপাত ইত্যাদি।
- মাটি
- বনৰীয়া উদ্ভিদ।
- এই পৰিৱৰ্তিত ৰূপবোৰৰ ভিতৰত পৰস্পৰ সম্বন্ধ।

(i) Geomorphology য়ে মাটিৰ শ্ৰেণী, ৰূপান্তৰ আৰু সংযুক্ত ধাৰাবোৰৰ ওপৰত বিচাৰ কৰে।

(ii) বায়ুমণ্ডলৰ গঠন, বতৰ আৰু জলবায়ুৰ ভাগ, জলবায়ুৰ প্ৰকাৰ আৰু জলবায়ুৰ বিভিন্ন অঞ্চলবোৰ যিটো বিষয়ে আলোচনা কৰে তাক Climatology বোলে।

(iii) জলবিজ্ঞানে পৃথিৱীৰ ওপৰিভাগত থকা পানীভাগ যেনে মহাসাগৰ, হ্ৰদ, নদী আৰু অন্যান্য জলাশয়বোৰৰ বিষয়ে অধ্যয়ণ কৰে লগতে বেলেগ বেলেগ জীৱজগতৰ ওপৰত ইয়াৰ প্ৰভাৱ কি, তাক দেখুৱাই দিয়ে। মানুহৰ জীৱন আৰু কাৰ্য্যাৱলীও ইয়াৰ ভিতৰত পৰে।

(iv) মাটিৰ বিজ্ঞানে মাটিৰ গঠনৰ প্ৰক্ৰিয়া, মাটিৰ প্ৰকাৰ, সাৰুৱা অৱস্থা, মাটিৰ বিতৰণ আৰু ব্যৱহাৰৰ ওপৰত আলোকপাত কৰে।

২. **মানৱ ভূগোল ঃ** মানৱ ভূগোলে সমাজত থকা বিভিন্ন অনুষ্ঠান/অধ্যয়ণৰ লগত জড়িত। আৰম্ভণিতে মানুহে বাস কৰা বিভিন্ন ঠাইৰ বিষয়ে ই আলোচনা কৰিছিল। কিছুদিনৰ পৰা অৰ্থনৈতিক কাৰ্য্যকলাপে গুৰুত্ব পাইছে, ইয়াৰ ভিতৰত আছে আঞ্চলিক ভিত্তিত সম্পদ বিতৰণ আৰু তাৰ দ্বাৰা হোৱা অৰ্থনৈতিক কামকাজ। পাৰিপাশ্বিকতাৰ লগত সম্বন্ধ থকা সমস্যাই মনোযোগ আকৰ্ষণ কৰে কিন্তু ঘাইকৈ পৰিৱেশে কেনেকৈ মানুহৰ ওপৰত প্ৰভাৱ পেলায়, তাৰ ওপৰত গুৰুত্ব দিয়া হয়। ইয়াৰ বিপৰীতে প্ৰকৃতিৰ ওপৰত মানুহৰ প্ৰভাৱ কি, ইয়াক অধ্যয়ণ কৰা নহয়।

(i) সামাজিক / সাংস্কৃতিক ভূগোলে মানুহৰ সাংস্কৃতিক অৱদান, বিভিন্ন অঞ্চলত হোৱা সমাজৰ গতিশীলতাৰ বিষয়ে আলোচনা কৰে।

(ii) জনসংখ্যা আৰু বসতিৰ ভূগোল (গ্ৰাম্য আৰু নগৰ অঞ্চল)। ই জনসংখ্যা বৃদ্ধি, বিতৰণ, ঘনত্ব, লিংগৰ সমৰাশি, প্ৰবজনৰ সময়ত বয়সৰ গঠন প্ৰক্ৰিয়াত বৃত্তিগত ব্যৱস্থা ইত্যাদি অধ্যয়ণ কৰে। বন্দৰস্তি ভূগোলে গ্ৰাম্য আৰু নগৰ অঞ্চলত হোৱা বসতিৰ বৈশিষ্ট্যৰ ওপৰত জোৰ দিয়ে।

(iii) অৰ্থনৈতিক ভূগোলে মানুহৰ অৰ্থনৈতিক কাৰ্য্যকলাপৰ ওপৰত অধ্যয়ণ কৰে। ইয়াৰ ভিতৰত আছে কৃষি, উদ্যোগ, পৰ্য্যটন, বেপাৰ, যাতায়ত আৰু ইয়াৰ পৰিকাঠামো আৰু সেৱা।

(iv) বুৰঞ্জীমূলক ভূগোলে পৃথিৱীৰ বিভিন্ন ঠাইবোৰ বুৰঞ্জীগত প্ৰক্ৰিয়াৰ দ্বাৰা কেনেকৈ সংগঠিত হয়, তাক বৰ্ণনা কৰে। প্ৰত্যেক অঞ্চল বা ঠাইবোৰৰ ইতিহাসৰ অভিজ্ঞতা লাভ কৰি আহি বৰ্তমানৰ অৱস্থাত উপনিতহৈছে। ভৌগোলিক বৈশিষ্ট্যসমূহৰো সাময়িক পৰিৱৰ্তন হয় আৰু এইখিনিতে বুৰঞ্জীমূলক ভূগোল জড়িত হৈ পৰে।

(v) ৰাজনৈতিক ভূগোলে পৃথিৱীখন ৰাজনৈতিক ঘটনাৰ দৃষ্টিকোণেদি চায় আৰু দেশসমূহৰ চাৰিসীমা, ওচৰ-চুবুৰীয়া দেশসমূহ আৰু প্ৰদেশসমূহৰ মাজত ঠাই আৰু সীমা লৈ কেনে সম্বন্ধ, সমষ্টিৰ বৰ্দ্ধিতকৰণ (ভোটৰ সমষ্টি), ভোট ব্যৱস্থাৰ দৃশ্যপট আৰু মানুহৰ ৰাজনৈতিক ব্যৱহাৰ তত্ত্বগত বিচাৰ কৰে।

৩. **জৈৱিক ভূগোল** ঃ প্ৰাকৃতিক ভূগোল আৰু মানৱ সম্বন্ধীয় ভূগোল দুয়ো মুখামুখি হোৱাৰ পাছত জৈৱিক ভূগোলৰ বিকাশ ঘটিছে। ইয়াৰ অন্তৰ্ভুক্ত —

(i) উদ্ভিদ ভূগোল — পৃথিৱীত প্ৰকৃতি সৃষ্ট উদ্ভিদ কোন কোন অঞ্চলত বিয়পি আছে।

(ii) জীৱ ভূগোল — ই জীৱ জন্তু, ইয়াৰ বসবাস অঞ্চল, ইয়াৰ ভৌগোলিক বৈশিষ্ট্য আৰু সিঁচৰিত হৈ থকা অঞ্চলবোৰ অধ্যয়ন কৰে।

(iii) বাতাবৰণে জীৱ বিলাকৰ — মানুহকে ধৰি — বসবাস আৰু বৈশিষ্ট্যৰ অধ্যয়ণ কৰে।

(iv) পাৰিপাৰ্শ্বিকতাৰ ভূগোল — পাৰিপাৰ্শ্বিকতাৰ লগত জড়িত আৰু ইয়াৰ সমস্যাবোৰ আলোচনা কৰে।

৪. **আঞ্চলিক ভূগোল** ঃ

(i) আঞ্চলিক অধ্যয়ন / ক্ষেত্ৰ অধ্যয়ন ঃ Macro, Micro আৰু Meso আঞ্চলিক অধ্যয়ন ই সামৰি লয়।

(ii) আঞ্চলিক পৰিকল্পনা ঃ দেশীয় / গ্ৰাম্য আৰু নগৰ / নগৰীয়া পৰিকল্পনাৰ লগত জড়িত।

(iii) আঞ্চলিক বিকাশ।

(iv) আঞ্চলিক বিশ্লেষণ।

এই প্ৰধান ভাগবোৰৰ ওপৰিও আৰু দুটা দিশ আছে। এই দুয়োটা দিশ প্ৰত্যেকটো বিষয়ৰ লগত জড়িত হৈ থাকে। এয়া হ'ল —

(i) দৰ্শন ঃ

(ক) ভৌগোলিক চিন্তাধাৰা

(খ) মাটি আৰু মাজত হোৱা ঘাট-প্ৰতিঘাট/মানুহৰ লগত জড়িত বাতাবৰণ।

(ii) প্ৰণালী আৰু কলা-কৌশল

(ক) মানচিত্ৰঅঙ্কণ লগতে কম্পিউটাৰৰ মানচিত্ৰ অঙ্কণ।

(খ) Quantitative Technique /পৰিসংখ্যা প্ৰণালী বা পদ্ধতি।

(গ) চৰজমীন জোখ-মাখ কৰা পদ্ধতি।

(ঘ) ভৌগোলিক সম্ভেদ সম্পৰ্কীয় কাৰিকৰী জ্ঞান যেনে— Remote sensing, GIS, GPS ইত্যাদি।

## ভূগোলৰ পৰিসৰ


ভৌতিক
Interface Biogeography
মানৱ
Geomorpholo
Climatolo
Hydrolo
Soil
চিৰিয়াখানা
গছ-গছনি
Ecology
পাৰিপাৰ্শ্বিকতা ভূগোল
সামাজিক/সাংস্কৃতিক ভূগোল
জনসংখ্যাৰ ভূগোল
বন্দৰস্তি ভূগোল
অৰ্থনৈতিক ভূগোল
বুৰঞ্জীমূলক ভূগোল
ৰাজনৈতিক ভূগোল
গ্ৰাম্য
নগৰীয়া
কৃষি
বাণিজ্য
পৰিবহণ
উদ্যোগ




৪.২ **আঞ্চলিক ভিত্তিত ভূগোলৰ পৰিসীমা**




**আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক।**

টোকাঃ (ক) তলৰ স্থানত আপোনাৰ উত্তৰ লিখক।

(খ) গোটৰ শেষত দিয়া উত্তৰৰ সৈতে আপোনাৰ উত্তৰ ৰিজাই লওক।

(১) ভূগোল শিকাওঁতে আৰু শিকোতে আঞ্চলিক আৰু শৃঙ্খলাবদ্ধভাৱে কৰা অধ্যয়ণৰ বৈশিষ্ট্যবোৰ দেখুৱাই দিয়ক।

..............................................................................................................................

..............................................................................................................................

(২) আপোনাৰ ভূগোল পাঠ্যপুথি নিৰীক্ষণ কৰক আৰু ভূগোল অধ্যয়ণ কৰোঁতে উল্লেখিত কোনটো দিশৰ পৰা আগুৱাই যাব জানিবলৈ চেষ্টা কৰক।

..............................................................................................................................

..............................................................................................................................

### ৪.৬ উচ্চ প্ৰাথমিক স্তৰত ভূগোল শিক্ষাদান

এতিয়ালৈকে আমি সমাজ বিজ্ঞানৰ অংশ হিচাবে ভূগোল অধ্যয়ণ কৰিলো। এই অৱস্থাপ্ৰাপ্ত হোৱালৈকে আমি প্ৰয়োজনীয়তা, প্ৰকৃতি, বিষয়বস্তু, সংযোগী দিশ আৰু ভূগোলৰ শাখাবোৰৰ সম্যক পৰিচয় পালো। এই অধ্যায়ত আমি উচ্চ প্ৰাথমিক স্তৰত ভূগোল শিকোৱাৰ যুক্তিযুক্ততা আৰু উদ্দেশ্যৰ বিষয়ে আলোচনা কৰিম। আপুনি অৱগত যে সমাজ বিজ্ঞান পঢ়া আৰু পঢ়ুওৱা স্কুলৰ নিৰ্দ্ধাৰিত পাঠ্যপুথি তালিকাৰ এটা এৰাব নোৱাৰা অংশ। প্ৰাথমিক, উচ্চ প্ৰাথমিক, মাধ্যমিক আৰু উচ্চ মাধ্যমিক এই আটাইবোৰ স্তৰতে নিৰ্দ্ধাৰিত পাঠ্যপুথিৰ তালিকাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিব পাৰি। অৱশ্যে, প্ৰকৃতি, বিষয়বস্তু আৰু সংযোগী দিশ (Approach) পৰিৱৰ্তন হৈ থাকে। পঞ্চম শ্ৰেণীলৈকে অৰ্থাৎ প্ৰাথমিক স্তৰত এই বিষয়টোক পাৰিপাৰ্শ্বিকতাৰ বিজ্ঞান হিচাপে শিকোৱা হয়। গোটেই প্ৰাথমিক স্তৰতে ইয়াক সংহতপূৰ্ণ নিৰ্দ্ধাৰিত পাঠ্য তালিকা (curricullar) হিচাবে জনা যায়। এই সময়ছোৱাত পাৰিপাৰ্শ্বিকতা বুৰঞ্জীৰ পাঠ্যতালিকা ৬টা সাধাৰণ ভাবৰ সৈতে সাঙুৰ খাই থাকে। এই ভাববোৰ ল'ৰা-ছোৱালীৰ জীৱনৰ  লগত জড়িত, যেনে- পৰিয়াল আৰু বন্ধুবৰ্গ, খাদ্য আৰু আহাৰ; আশ্ৰয়, পানী, ভ্ৰমণ আৰু যিবিলাক কামৰ বিষয়ে আমি ভাবি থাকো আৰু কৰি পেলাও। ভূগোল যে পাৰিপাৰ্শ্বিকতাৰ লগত দ'লৈকে জড়িত আছে আপুনি ইয়াক ফঁহিয়াই দেখুৱাব পাৰিবনে? নিম্ন প্ৰাথমিক স্তৰত (শ্ৰেণী ১-২), পাৰিপাশ্বিকতাৰ কথাবোৰ ভাষা আৰু গণিতৰ লগত জড়িত হৈ থাকে। ইয়ে বুজাই যে নিম্ন প্ৰাথমিক স্তৰত পাৰিপাশ্বিকতাৰ অধ্যয়ণ পাঠ্যপুথি তালিকাৰ অংশ। ২০০৫ চনৰ National Curriculum Framework য়ে পাৰিপাশ্বিকতাৰ ওপৰত পাঠ্যতালিকা এনেদৰে প্ৰস্তুত কৰিছে যাতে ই সময়, স্থান আৰু সামাজিক জীৱন বা সমাজত বৰ্তি থকা জীৱন সম্বন্ধে ল'ৰা-ছোৱালীৰ মনোযোগ আকৰ্ষণ কৰে। পাঠ্যপুথি প্ৰণয়নত জোৰ দিয়া হৈছে যাতে ল'ৰা-ছোৱালীয়ে এনে বয়সত যি ধৰণে জীৱনৰ দিশবোৰ নিৰীক্ষণ কৰে আৰু বুজি পায় — তাৰ লগত সংগতি ৰাখিব। উচ্চ প্ৰাথমিকত এই ব্যৱস্থা বাহাল থাকিব। কিন্তু বিশেষ বিশেষ বিষয়তহে গুৰুত্ব দিয়া হয় আৰু সমাজ বিজ্ঞানৰ বিষয়টো বিকাশ প্ৰাপ্তিৰ প্ৰতিও মনোযোগ দিয়া হয়।

#### ৪.৬.১ যুক্তিযুক্ততা আৰু উদ্দেশ্য ঃ

এই উপ অনুচ্ছেদত National Curriculum Framework য়ে (২০০৫) দিয়া দিহামতে উচ্চ প্ৰাথমিকত ভূগোল পঢ়ুৱাৰ যুক্তিযুক্ততা কি তাৰ লগত পৰিচয় কৰাই দিম। আমি এই বিষয়ে অৱগত যে ভূগোল সমাজ বিজ্ঞানৰ এটা অংশ। বয়সৰ এই সময়ত শিকাৰুসকলে যিখন পৃথিৱীত বাস কৰে তাক বুজিবলৈ হ'লে যিবোৰ প্ৰাথমিক ধাৰণাৰ প্ৰয়োজন ভূগোলে তাৰ আভাষ দিয়ে। বিভিন্ন অঞ্চল আৰু দেশবোৰৰ পৰনিৰ্ভৰশীলতাৰ বিষয়ে বুজি পাবলৈ ভূগোলৰ অধ্যয়ণে সুবিধা কৰি দিয়ে। সমসাময়িক ঘটনাবোৰ যেনে আৰ্থিক সম্পদৰ গোলকীয় বিতৰণ, লিঙ্গ, উপান্ত লোক, পাৰিপাশ্বিকতা আৰু গোলকীয়কৰণৰ চলি থকা প্ৰক্ৰিয়া — এইবোৰৰ লগতে ল'ৰা-ছোৱালী পৰিচিত হয়। এই সময়ছোৱাত পাঠ্য তালিকাই মানুহে বসবাস কৰা পৃথিৱীখন, বাতাবৰণ অধ্যয়ণ সম্পদ আৰু বিভিন্ন ক্ষেত্ৰত যেনে স্থানীয়, আঞ্চলিক/জাতীয় আৰু পৃথিৱীত হোৱা বিকাশ সাধন।

National Curriculum Framework ৰ (২০০৫) মতে ভূগোল শিকোৱাৰ উদ্দেশ্য কি জানি লওঁ আহক।

পাঠ্যতালিকাৰ মুখ্য উদ্দেশ্য তলত দিয়া হ'ল।

- মানুহে বসবাস কৰা আৰু অন্যান্য জীৱকুলে বাস কৰা পৃথিৱীখনৰ বিষয়ে কেনেকৈ জনা যায়, তাৰ উন্নতি সাধন কৰা।
- গোলকীয় পটভূমিত এজন শিক্ষাৰ্থীক তেওঁৰ নিজৰ অঞ্চল, ৰাজ্য আৰু দেশখন অধ্যয়ণ কৰিবলৈ আগবঢ়াই দিয়া।
- গোলোকীয়কৰণৰ প্ৰক্ৰিয়া আৰু আৰ্থিক সম্পদৰ গোলকীয় বিতৰণৰ কথা।
- ভিন্ন ভিন্ন অঞ্চল আৰু দেশবোৰৰ পাৰস্পৰিক নিৰ্ভৰশীলতা।

৪.৬.২ **বিষয়বস্তুৰ নক্সা প্ৰস্তুতিকৰণ —**

এই উপ অনুচ্ছেদত আমি প্ৰাথমিক শিক্ষাৰ ওপৰ স্তৰত (উচ্চ প্ৰাথমিক) সামাজিক বিজ্ঞানৰ অন্তৰ্ভূক্ত ভূগোল নস্কাৰ সৈতে ভূগোল কেনেকৈ পঢ়াব লাগে উল্লেখ কৰিম। National Curriculum Framework (২০০৫)ৰ ওপৰত ভিত্তি কৰি পাঠ্যক্ৰমৰ গঠন প্ৰস্তুত কৰা হৈছে। পাঠ্যতালিকা প্ৰস্তুতকাৰীসকলে স্থিৰ কৰা শিক্ষালাভৰ উদ্দেশ্য কি এই বিষয়ে বুজি লওঁ।

**ষষ্ঠ শ্ৰেণী ঃ আমি বাস কৰা পৃথিৱী**

| পাঠ | উদ্দেশ্য |
|---|---|
| **গ্ৰহ ঃ** সৌৰজগত আৰু পৃথিৱী<br>**গোলক ঃ** পৃথিৱীৰ নক্সা, দ্ৰাঘিমা আৰু অক্ষাংশ, পৃথিৱীৰ গতি, প্ৰদক্ষিণ আৰু ঘূৰণ।<br>**মানচিত্ৰ ঃ** মানচিত্ৰৰ প্ৰয়োজনীয় অংশসমূহ, দূৰত্ব, দিশ নিৰ্ণয় আৰু চিহ্ন<br>**পৃথিৱীৰ চাৰিটা ভাগ ঃ** Lithosphere, জলস্তৰ, বায়ুমণ্ডল, জৈৱস্তৰ, মহাদেশ আৰু মহাসাগৰ।<br>**পৃথিৱীৰ প্ৰধান প্ৰাকৃতিক গঠনসমূহ ভাৰতবৰ্ষ আৰু পৃথিৱী ঃ**<br>ভাৰতবৰ্ষৰ প্ৰাকৃতিক বিভাগ — পৰ্বত, সমতলভূমি আৰু মালভূমি, জলবায়ু, প্ৰাকৃতিক উদ্ভিদ আৰু বন্য জীৱ-জন্তু, সংৰক্ষণৰ প্ৰয়োজনীয়তা। | সৌৰজগতত পৃথিৱীৰ বিশিষ্ট স্থান, মানুহকে ধৰি সকলো জীৱৰ কাৰণে জীৱন ধাৰণৰ আদৰ্শ বাতাবৰণ পৃথিৱীৰ দুটা গতি আৰু ইয়াৰ প্ৰভাৱ।<br>মানচিত্ৰ তৈয়াৰ কৰাৰ প্ৰাথমিক কৌশল আয়ত্ব।<br>পৃথিৱীৰ প্ৰাকৃতিক বিভাগবোৰৰ পৰস্পৰৰ মাজত থকা সম্বন্ধ<br>মানৱজীৱনৰ ওপৰত মাটি, জলবায়ু, উদ্ভিদজগত, বন্যজীৱনৰ কি প্ৰভাৱ তাক বুজি উঠা।<br>প্ৰাকৃতিক উদ্ভিদ আৰু বন্য জগত সংৰক্ষণ কৰা। |

## সপ্তম শ্ৰেণী ঃ আমাৰ পাৰিপাৰ্শ্বিকতা

| পাঠ | উদ্দেশ্য |
| --- | --- |
| **সম্পূৰ্ণতাত পাৰিপাৰ্শ্বিকতা ঃ** প্ৰাকৃতিক আৰু মানুহৰ পৰিৱেশ। **প্ৰাকৃতিক ঃ** মাটি, পৃথিৱীৰ অন্তৰভাগ, শিলা আৰু খনি। পৃথিৱীৰ গতিচলন আৰু মাটিৰ প্ৰধান আকাৰ। (ভূমিকম্প সম্পৰ্কীয় এটা অধ্যায়ৰ উদাহৰণ দিব)। **বায়ু ঃ** গঠন, বায়ুমণ্ডলৰ গাঠনি, বতৰ আৰু জলবায়ুৰ ধৰ্ম, উত্তাপ, ভৰ, বতাহ আৰু জলীয় বাষ্প। (ঘূৰ্ণীবতাহৰ লগত থকা সম্বন্ধ থকা এটা অধ্যয়ণ পৰিবেশন কৰিব)। **পানী ঃ** লৱনযুক্ত আৰু লৱনমুক্ত পানী, প্ৰধান জলাশয় বিলাকৰ অৱস্থিতি, মহাসাগৰীয় পানী আৰু সোঁত। (চুনামি সম্পৰ্কীয় এটা উদাহৰণ দিব)। **প্ৰাকৃতিক বাতাবৰণ ঃ** বসতি, যাতায়ত আৰু সংযোগ ব্যৱস্থা। **মানৱ ঃ** পাৰিপাৰ্শ্বিকতাৰ ঘাট-প্ৰতিঘাত, অধ্যয়ণৰ দৃষ্টান্ত — মৰুভূমিৰ জীৱন, চাহাৰা আৰু লাডাখ, ক্ৰান্তিয় আৰু উপক্ৰান্তিয় অঞ্চলত জীৱন প্ৰণালী- আমাজান আৰু গংগা-ব্ৰহ্মপুত্ৰ, প্ৰেইৰি আৰু veldts. | সম্পূৰ্ণভাৱে পাৰিপাৰ্শ্বিকতাৰ অধ্যয়ণ বুজি লোৱা প্ৰাকৃতিক আৰু মানৱ সম্বন্ধীয় সকলোবোৰ অংশ সামৰি লোৱা। প্ৰাকৃতিক বাতাবৰণৰ অংশবোৰ বাখ্যা কৰা। অংশবোৰৰ পৰস্পৰ নিৰ্ভৰশীলতা আৰু আমাৰ জীৱনৰ ওপৰত ইহঁতৰ প্ৰভাৱ। পাৰিপাৰ্শ্বিকতাৰ প্ৰতি সজাগ হ'বলৈ সক্ষম হৈ থকা। বায়ুমণ্ডল আৰু ইয়াৰ গুণবোৰ জানি লোৱা। পৃথিৱীৰ ওপৰিভাগত পানীৰ বিতৰণ, গছ-গছনি আৰু জীৱ-জন্তুৰ প্ৰকৃতি বিচাৰি উলিওৱা। প্ৰাকৃতিক বাতাবৰণ আৰু মানুহৰ বসতিৰ মাজত থকা সম্বন্ধ। আজিৰ পৃথিৱীত মানুহ আৰু পাৰিপাৰ্শ্বিকতাৰ মাজত যি ঘাট-প্ৰতিঘাট হৈছে তাৰ ফলাফলত হোৱা বিকাশৰ সুবিধা উপলব্ধি কৰা, যাতায়ত আৰু সংযোগ ব্যৱস্থাৰ প্ৰয়োজনীয়তা। |

## অষ্টম শ্ৰেণী ঃ সম্পদ আৰু বিকাশ

| পাঠ | উদ্দেশ্য |
| --- | --- |
| সম্পদ আৰু ইয়াৰ ভাগ — প্ৰাকৃতিক আৰু মানৱ<br>**প্ৰাকৃতিক সম্পদ ঃ** ইয়াৰ ব্যৱহাৰ আৰু সংৰক্ষণ, মাটি আৰু মাটিৰ ওপৰিভাগ পানী। প্ৰাকৃতিক উদ্ভিদ, বন্যজন্তু, খনিজাত আৰু শক্তিৰ লগত জড়িত সম্পদ। (পৃথিৱীৰ প্ৰক্ৰিয়াবোৰ বিশেষকৈ ভাৰতৰ পটভূমিত)।<br>**কৃষি ঃ** খেতিৰ প্ৰসাৰ, প্ৰধান শস্য, আঁহজাতীয় উপাদান, পানীয়, কৃষিৰ প্ৰগতি- অধ্যয়ণৰ দুটা উদাহৰণ, এটা ভাৰতবৰ্ষ আৰু অন্য এটা এখন উন্নত দেশৰ / আমেৰিকা যুক্তৰাষ্ট্ৰ, নেদাৰলেণ্ড/অষ্ট্ৰেলিয়াৰ পাম।<br>**উদ্যোগ ঃ** আকাৰ, কেচামাল আৰু মালিকীস্বত্ব ভিত্তি কৰি উদ্যোগৰ শ্ৰেণী বিভেদকৰণ। প্ৰধান উদ্যোগবোৰ আৰু বিতৰণ, কাঠামো আৰু উন্নয়ন। লো আৰু তীখা (জামচেদপুৰ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ এটা কেন্দ্ৰ ডেট্ৰয়ট)<br>বস্ত্ৰ উদ্যোগ (আহমেদাবাদ আৰু ওচাকা) Information Technology (বাঙ্গালোৰ আৰু চিলিকণ সমভূমি)।<br>**মানৱ সম্পদ ঃ** গঠন, জনসংখ্যাৰ পৰিৱৰ্তন, বিতৰণ আৰু ঘনত্ব। | সম্পদৰ অৰ্থ আহৰণ, বিভিন্ন প্ৰকাৰ, অৱস্থিতি আৰু বিতৰণ।<br>আমাৰ জীৱনত সম্পদৰ প্ৰয়োজনীয়তা অধ্যয়ণ কৰা।<br>উন্নয়নৰ ধাৰবাহিকতাৰ কাৰণে সম্পদৰ সজ ব্যৱহাৰ।<br>সম্পদ সংৰক্ষণৰ কাৰণে সজাগতা বঢ়োৱা আৰু সংৰক্ষণ ব্যৱস্থাৰ কাৰণে উদ্‌গনি দিয়া, কৃষিপামৰ বেলেগ বেলেগ প্ৰকাৰ আৰু দুটা ভিন্ন অঞ্চলত হোৱা কৃষিৰ উন্নয়ন।<br>উদ্যোগ উৎপাদনৰ দৰ্কাৰী প্ৰকাৰবোৰ কি কি জানি বুজি লোৱা।<br>জাতীয় অৰ্থনীতিত মানৱ সম্পদৰ ভূমিকা কি অধ্যয়ণ কৰক। |

৪.৭ **শিক্ষাপাঠৰ পৰিকল্পনা ঃ যাতায়ত**

পৰ্যালোচনা — এই অধ্যায়ত ভৌগোলিক দৃষ্টিভংগীৰ পৰা 'যাতায়ত' প্ৰসংগৰ কথা আলোচনা কৰিম। শিক্ষাদানৰ আচল কথা, শিক্ষালাভ কৰাৰ উদ্দেশ্য, মুল্যাংকনকে ধৰি যথাবিহিত শিক্ষাদানৰ কৌশল গ্ৰহণ কৰি আপুনি কেনেকৈ শিক্ষাপাঠ তৈয়াৰ কৰিব, সেয়া সহায় কৰাৰ উদ্দেশ্য এই প্ৰচেষ্টা কৰা হৈছে। যদিও আৰ্হিটোত কেইবাখনো ৰাজ্যৰ উদাহৰণ দাঙি ধৰা হৈছে, ছাত্ৰসকলে যাতায়ত সম্বন্ধে বুজি পাবলৈ আপুনি আপোনাৰ ৰাজ্যখন আৰু ওচৰৰ ৰাজ্যবোৰৰ উদাহৰণ মুক্তভাৱে ল'ব পাৰে। ছাত্ৰসকল যাতে নিৰ্দ্ধাৰিত পাঠ্যপুথিৰ ওপৰিও অধিক শিক্ষালাভ কৰিব পাৰে, তাৰ সুবিধা কৰি দিব লাগে যাতে তেওঁলোকৰ অভিজ্ঞতা আৰু চহকী হয়।

উদ্দেশ্য ঃ এই পাঠটো অধ্যয়ণ কৰাৰ পাচত, আপুনি সক্ষমতা লাভ কৰিব ঃ

- যাতায়তৰ বিষয়বস্তু বিশ্লেষণ কৰা।
- শিক্ষাৰ সুবিধাৰ কাৰণে বিষয়বস্তুৰ ধাৰাবাহকতা বজাই ৰখা।
- এই অধ্যায়টোৰ শিক্ষা লাভৰ উদ্দেশ্য গঠন।
- শিক্ষাৰ সুবিধাৰ কাৰণে কৌশল সাজু কৰাৰ কাৰণে পৰামৰ্শ দিয়া।
- শিক্ষাদান আৰু শিক্ষালাভৰ সম্পদৰ চিনাক্তকৰণ আৰু ব্যৱহাৰ কৰা।
- শিক্ষাৰ উদ্দেশ্য উপলব্ধ কৰিবলৈ লেখা-মেলা কৰা আৰু কাৰ্য্যাৱলীবোৰ সম্পন্ন কৰা।
- নক্সা আৰু Flow Chart অংকন কৰা।
- সম্পূৰ্ণ পাঠদান কাৰ্য্যত মানচিত্ৰ ব্যৱহাৰ কৰা।

মূল কথাৰ শিক্ষাদান

যাতায়তৰ প্ৰকাৰ — ৰেলপথ, জলপথ, উৰাজাহাজ।

এখন নিৰ্দ্ধাৰিত ঠাইত বেলেগ বেলেগ যাতায়ত উপলব্ধ হোৱাৰ কাৰণসমূহ — জনসংখ্যা বিতৰণ, আৰ্থিক বিকাশ আৰু সাংস্কৃতিক পৰিৱৰ্তন।

শিক্ষাদান আৰু শিক্ষালাভ কৰাৰ সম্পদ

মানচিত্ৰ — প্ৰাকৃতিক, এখন নগৰৰ পৰ্য্যটনৰ মানচিত্ৰ, যাতায়তৰ ধৰণ।

ছবি — যাতায়তৰ উপায়, মানুহৰ বসতি, ভূ-খণ্ড, ভূমিস্খলন, পথ অৱৰোধ, জীৱনৰ অভিজ্ঞতা।

ভাৰতবৰ্ষৰ মানচিত্ৰ ——

৪০ পৃঃ — ভাৰতবৰ্ষৰ মানচিত্ৰ

৪১ পৃঃ — ঐ

৪২ পৃঃ — প্ৰচ্ছদ।

**কাৰ্য্যাৱলীৰ ধাৰাবাহকতা**

সাধাৰণতে এজন শিক্ষক যথেষ্ট সাজু হৈ শ্ৰেণীকোঠালৈ যাব। এটা পাঠ শিকোৱা যিমান প্ৰয়োজন। পাঠটোৰ পৰিকল্পনা কৰা সিমানেই প্ৰয়োজন। পৰিবহনৰ ওপৰত থকা অধ্যায়টো চাই লওঁক আৰু মূল কথাবোৰ চিনাক্তকৰণ কৰি লওক। ইয়াৰ কেইটামান তলত দিয়া হ'ল।

— আমাৰ দৈনন্দিন জীৱনত পৰিবহনে এটা দৰকাৰী ভূমিকা পালন কৰে।

— বহুতো কাৰণৰ ওপৰত পৰিবহন ব্যৱস্থাৰ উপলব্ধিতা নিৰ্ভৰ কৰে।

— পৰিবহনৰ বেলেগ বেলেগ প্ৰকাৰ আৰু উপায় আছে।

— উত্তৰ পূব ভাৰতত পথ যাতায়ত এটা সাধাৰণ প্ৰচলিত ব্যৱস্থা।

— পথবোৰ বেলেগ বেলেগ প্ৰকাৰৰ- আন্তৰ্জাতিক ঘাইপথ, ৰাষ্ট্ৰীয় পথ, ৰাজ্যিক পথ, জিলা আৰু গাঁওৰ পথ।

এই অধ্যায়টোৰ অন্য বিশেষ মূল কথাবোৰ চিনাক্ত কৰক আৰু তলত দিয়া স্থানত লিখক।

শিক্ষাদান কাৰ্য্যৰ বিশেষ মূল কথাবোৰ চিনাক্ত কৰাৰ পাছত এইবোৰ অনুক্ৰমত প্ৰস্তুত কৰক। মনত ৰাখিব শিক্ষাদানৰ উদ্দেশ্য আপুনি এইবোৰ অনুক্ৰমত সজাইছে। ওপৰত লিখা সকলোবোৰ মূল কথা চাই লওঁক আৰু তলৰ চিহ্নিত ঠাইত ক্ৰমিকভাৱে পূৰণ কৰক।

পাঠবোৰৰ মূল কথাবোৰ চিনাক্ত কৰাৰ পাছত শিক্ষালাভৰ উদ্দেশ্যত কোনবোৰ পাঠ অন্তৰ্ভূক্ত কৰা হ'ব তাৰ বৰ্ণনা দিব লাগে। সেইবোৰ হ'ল —

পৰিবহণৰ প্ৰয়োজনীয়তা উদ্ভাৱন কৰা —

পৰিবহণৰ বিভিন্ন ব্যৱস্থাবোৰ চিনাক্ত কৰা

ভিন্ন ধৰণৰ পথৰ চিনাক্তকৰণ

আশা কৰা হৈছে, আপুনি শিক্ষালাভৰ উদ্দেশ্য কি তাক গঠন কৰিব পাৰিব।

‘পৰিবহণৰ’ বাকী বিষয়বস্তুৰ ওপৰতো শিক্ষালাভৰ উদ্দেশ্য কি সেয়া আপুনি এতিয়া তৈয়াৰ কৰিব পাৰিবনে? তলত দিয়া ঠাইত এই বিষয়ে লিখক।

পৰিবহন ব্যৱস্থাৰ লগত জড়িত কিছুমান কামকাজ শিক্ষাদানত ব্যৱহাৰ কৰিবলৈ প্ৰস্তুত কৰি লওঁক আৰু জ্ঞান আয়ত্ব কৰাত ছাত্ৰক সহায় কৰক।

শ্ৰেণীত যিকোনো পাঠদান আৰম্ভ কৰাৰ আগতে, উক্ত পাঠৰ ওপৰত ছাত্ৰসকলৰ অভিজ্ঞতা ব্যৱহাৰ কৰাটো বাঞ্চনীয়। ছাত্ৰৰ অভিজ্ঞতা লৈ কেনেকৈ আলোচনা এটা আৰম্ভ কৰিব পাৰি, চোৱা যাঁওক।

ভূমিস্খলন / মানুহৰ কৰ্ম কাণ্ড বা অন্য কাৰণত ছাত্ৰসকলৰ ‘পথবন্ধ’ৰ ওপৰত অভিজ্ঞতা হৈছে। এই পথবন্ধৰ কাৰণ আৰু পৰিণামৰ ওপৰত তেওঁলোকক ক’বলৈ দিয়া হওঁক।

প্ৰচ্ছদ

কিছুমান প্ৰশ্নৰ অৱতাৰণা কৰি আলোচনা কৰিব পৰা যায়। তলত কিছুমান উদাহৰণ দিয়া হ’ল —

কাৰ কাৰ পথবন্ধৰ অভিজ্ঞতা হৈছে?

কোন ঠাইত পথবন্ধ হৈছে?

কিমান সময় ধৰি পথবন্ধ হৈছিল?

কিয় পথ বন্ধ হৈছিল?

আপোনাৰ আহযাহত ই কেনেকৈ প্ৰভাৱ পেলালে?

মানুহৰ সদায় হৈ থকা কামত ই কেনেকৈ প্ৰভাৱ বিস্তাৰ কৰে?

ওপৰৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়াৰ পাছত ছাত্ৰসকলক জ্ঞান সমৃদ্ধ অনুমান কৰিবলৈ দিব লাগে। সেই কাৰণে তেওঁলোকক সোধক “ধৰি লোৱা পথবন্ধ কাৰ্য্যসূচী যদি এসপ্তাহ ধৰি চলি থাকে, মানুহৰ দৈনন্দিন জীৱন যাপনত কি হ’ব? কি উপায়েৰে তোমালোকে পথবন্ধ কাৰ্য্যসূচী ওৰ পেলাব পাৰা?”

পৰিবহণৰ প্ৰয়োজনীয়তা কি ওপৰৰ আলোচনাই ছাত্ৰসকলক বুজাই দিব।

এতিয়া ছাত্ৰসকলক দৈনন্দিন জীৱনত ব্যৱহৃত কিছুমান সামগ্ৰীৰ বিষয়ে সোধা হওঁক। এইবোৰ ব্লেক বৰ্ডত তালিকাভুক্ত কৰি লিখিবলৈ দিয়ক। স্থানীয়ভাৱে তৈয়াৰ কৰা / উৎপন্ন কৰা আৰু বাহিৰৰ পৰা অনা এই দুই ভাগত বিভক্ত কৰিবলৈ দিয়ক। এই সামগ্ৰীবোৰ ক’ৰ পৰা পায়, তেওঁলোকক প্ৰশ্ন কৰক। কেনেকৈ তেওঁলোকে কিনি লয়, সামগ্ৰীবোৰ কেনেকৈ দোকান পায়গৈ ইত্যাদি ইত্যাদি। ছাত্ৰসকলৰ পৰা ‘পৰিবহণ’ শব্দটোৰ কি অৰ্থ আহে, এই অভিপ্ৰায় লৈয়েই প্ৰশ্নবোৰ তেওঁলোকক কৰিব লাগে। স্থলপথ, ৰেল, জলপথ আৰু উৰা জাহাজ পথসমূহ দেখুৱাই ভাৰতবৰ্ষৰ পৰিবহণ ব্যৱস্থাৰ ওপৰত এখন মানচিত্ৰ পৰিবেশন কৰক। উত্তৰ পূব ভাৰতবৰ্ষ, জম্মু আৰু কাশ্মীৰ, হিমাচল প্ৰদেশ, উত্তৰাখণ্ডৰ পৰিবহণ ব্যৱস্থা জানি ল’বলৈ সুবিধা দিয়ক। এইবোৰ ব্লেকবৰ্ডত তালিকাভুক্ত কৰক। পৰিবহণ ব্যৱস্থাৰ ওপৰত যথেষ্ট আলোচনাৰ পাছত, ছাত্ৰসকলক এখন নক্সা আঁকিবলৈ সহায় কৰক (তলত দিয়া ধৰণে)।

**পৰিবহণ ঃ**

**স্থলপথ** **জলপথ** **উৰা জাহাজৰ পথ** **ৰেলপথ**

ছাত্ৰসকলক কিছুমান গুৰুত্বপূৰ্ণ ঠাইৰ নামো সুধিব লাগে যিবোৰ বেলেগ বেলেগ পৰিবহণ ব্যৱস্থাৰ দ্বাৰা সংযোগ হৈছে। পৰিবহণ ব্যৱস্থাৰ সম্পৰ্কে যেতিয়া শিক্ষাৰ্থীসকলক আভাষ দিয়া হ’ল তাৰ পাচত এটা পৰিকল্পনাৰ যোগেদি ভাৰতবৰ্ষৰ পৰিবহণ ব্যৱস্থাৰ ওপৰত আলোচনা আৰু উদ্ভাৱন কৰিবলৈ তেওঁলোকক কোৱা হওঁক। যিমান সংখ্যক কাম্য, সিমান দলত ছাত্ৰসকলক ভগোৱা হওঁক, প্ৰত্যেক দলতে সমান সংখ্যক ছাত্ৰ থাকিব। প্ৰত্যেকটো দলে চাৰিওটা ব্যৱস্থাৰ ওপৰত অধ্যয়ণ কৰিব। যিকোনো এটা পৰিবহণ ব্যৱস্থা বাচি লোৱাৰ কাৰণে তেওঁলোকক স্বাধীনতা আৰু যথেষ্ট সময় দিয়ক। তেওঁলোকে যি পৰিবহণ ব্যৱস্থা বাচি লয়, বাতৰি সংগ্ৰহ, ছবি আৰু মানচিত্ৰৰ সহায়ত সেইটো উপলব্ধ হয় নে নহয় সেয়া তেওঁলোকক সুধিব লাগিব। যথাযোগ্য ....... বিৰতিৰ যোগেদি আপুনি তেওঁলোকক পৰিচালনা কৰিব। অনুসন্ধানৰ পাছত তেওঁলোকে সংগ্ৰহ কৰা সকলো তথ্য আৰু সম্ভেদ শৃংখলিত কৰিব আৰু আলোচনাৰ যোগেদি শ্ৰেণীত পেচ কৰিব।

আপুনি এতিয়া আৰু দ’কৈ শ্ৰেণীত পৰিবহণৰ সুবিধাৰ বিষয়ে আলোচনা কৰক। প্ৰত্যেকজন ছাত্ৰকে পৰিবহনে আনি দিয়া এবিধ সুবিধাৰ বিষয়ে ক’বলৈ দিয়ক। শ্ৰেণীৰ ফলকত (Black Board) তালিকা কৰি লিখিবলৈ কওঁক। আপুনি কেইটামান এনে সুবিধা ফলকত লিখক যাৰ পৰা এখন দেশত আৰ্থিক বিকাশ হয় (যেনে- খনিজাত বস্তু আৰু উপভোক্তাৰ সামগ্ৰীৰ পৰিবহণ)। পৰিবহণ ব্যৱস্থাই কেনেকৈ দেশৰ বিকাশ আনে, সেই সম্বন্ধে ছাত্ৰক প্ৰশ্ন কৰক। সামগ্ৰী উৎপাদনত সকলোবোৰ ঠাই আত্মনিৰ্ভৰশীল নহয়। সেই কথা ছাত্ৰই জনাৰ প্ৰয়োজন। ঠাইবোৰ পৰস্পৰ নিৰ্ভৰশীল। স্থানীয়, আঞ্চলিক, দেশীয় আৰু আন্তৰ্জাতিক সকলো পৰ্য্যায়তে

পৰস্পৰ নিৰ্ভৰশীলতা বিদ্যমান। ছাত্ৰক জানিবলৈ দিয়ক তেওঁলোক থকা ঠাইৰ পৰা কি কি সামগ্ৰী বাহিৰলৈ যায় আৰু বাহিৰৰ ঠাইৰ পৰা কি কি সামগ্ৰী আহে। তলত বৰ্ণনা কৰা জৰীপৰ পৰা ছাত্ৰসকলক এই কথা বোধগম্য কৰাব পাৰি।

**পথত যান-বাহনৰ জৰীপ**

বেলেগ বেলেগ দলত শ্ৰেণী ভগোৱা হওঁক। আপুনি থকা ঠাইৰ বেলেগ বেলেগ অঞ্চলৰ নক্সা ভগাই দিয়ক। প্ৰত্যেক দলৰ প্ৰতিজন ছাত্ৰকে ১০ মিনিটৰ ভিতৰত বেলেগ বেলেগ গাড়ীৰ সংখ্যা লিখিবলৈ কওঁক (জন্তুৱে টনা গাড়ী, দুচকীয়া বাহন, তিনিচকীয়া, লঘু বাহন / সৰু মটৰ গাড়ী, গধুৰ বাহন / ট্ৰাক আৰু বাছ)। যদি গাড়ীবোৰ অন্য ৰাজ্যত পঞ্জীয়ন হৈছে, তাৰো টোকা ৰাখিব। নিজৰ ৰাজ্যত চলি থকা ট্ৰাকে কি কি সামগ্ৰী কঢ়িয়াই নিয়ে, সেই বিষয়ে ছাত্ৰসকলে বয়সস্থ লোকৰ পৰা জানি ল'ব।

জৰীপ কাৰ্য্য শেষ হোৱাৰ পাছত ছাত্ৰসকল দল হিচাবে বহিব আৰু কিমান সংখ্যক যান-বাহন আৰু ইয়াৰ ভাগবোৰ একগোট কৰিব। তলত এই বিষয়ে দেখুৱা হৈছে।

স্থানীয় পৰিবহণ ব্যৱস্থাৰ ভূমিকা ঃ

দলৰ নম্বৰ ঃ

নিৰীক্ষণ কৰা ঠাই ঃ

সময় ঃ

সময়সীমা ঃ ১০ মিনিট।

| **যানবাহনৰ প্ৰকাৰ** | **কিমান সংখ্যক যান-বাহন নিৰীক্ষণ হ'ল** | **পঞ্জীয়ন হোৱা ৰাজ্য** | **বেলেগ ৰাজ্যত হোৱা পঞ্জীয়ন** |
|---|---|---|---|
| জন্তুৱে টনা গাড়ী। | | | |
| দুচকীয়া যান-বাহন। | | | |
| তিনি চকাৰ যান-বাহন। | | | |
| লঘু বাহন / চাৰিচকাযুক্ত বাহন। | | | |
| গধুৰ যান বাহন / ট্ৰাক। | | | |

জৰীপৰ পৰা অহা সকলো তথ্য শ্ৰেণীটোৰ কাৰণে থূলমূলকৈ প্ৰস্তুত কৰক আৰু বিভিন্ন যানবাহনৰ দ্বাৰা মানুহ আৰু বয় বস্তু কেনেকৈ অনা-নিয়া কৰে সেই বিষয়ে আলোচনা কৰক। যান-বাহনৰ বাবে কেনেকৈ পৰিৰেশ কলুষিত হৈছে আৰু ইয়াক কেনেকৈ কম কৰি ৰাখিব পাৰি, এই বিষয়েও আলোচনা কৰিব। আৰ্থিক বিকাশত পৰিবহণৰ ভূমিকা কি ইয়াৰ ওপৰত জৰীপৰ পৰা লাভ কৰা তথ্যসমূহৰ যোগেদি আলোচনা কৰিব পাৰি। শ্ৰেণীত আলোচনা কৰিবলৈ কেইটামান মুখ্য প্ৰশ্ন তৈয়াৰ কৰি লওঁক। আপুনি কৰিবলগীয়া প্ৰশ্নকেইটা তলত দিয়া ৰেখাৰে আবৃতি স্থানত লিখি থওঁক।

পৰিবহণৰ ওপৰত আভাষ দিয়া ভাৰতৰ মানচিত্ৰ ব্যৱহাৰ কৰক। নিজৰ ৰাজ্যত উপলব্ধ পৰিবহণ ব্যৱস্থাৰ ভিন্ন প্ৰকাৰ আৰু যিবোৰ পৰিবহণ ব্যৱস্থা সীমিত আৰু প্ৰায় শূণ্য এইবিষয়ে ছাত্ৰসকলক উল্লেখ কৰিবলৈ কওঁক। অতিৰিক্ত তথ্য আনি শ্ৰেণীত এটা আলোচনা কৰিব পাৰি। ছায়াছবিৰ সহায় লব পৰাও যায়। ওপৰুৱা তথ্যবোৰ শ্ৰেণীৰ পাঠ্যপুথিত উল্লেখ নাই।

যিবোৰ প্ৰশ্ন কৰিব ঃ

অসমত কিয় সুন্দৰ জলপথ আছে?

চিকিমত কিয় ৰেল ব্যৱস্থা নাই?

উত্তৰ-পূব ৰাজ্যসমূহত অন্য যাতায়ত ব্যৱস্থাতকৈ কেৱল পথ পৰিবহণ বেছি। কিয়?

কিছুমান ঠাই পৰিবহণৰ কাৰণে জন্তুক ব্যৱহাৰ কৰা হয় কিয়?

এখন ঠাইত সকলো ধৰণৰ পৰিবহণ ব্যৱস্থা থকা নথকাতো বহুতো কাৰকৰ ওপৰত নিৰ্ভৰ কৰে। সেই বিষয়ে ওপৰুক্ত আলোচনাই ছাত্ৰসকলক বুজাত সহায় কৰিব।

এতিয়া আপুনি আপোনাৰ ৰাজ্যখনৰ দৃষ্টান্ত লওঁক আৰু ছাত্ৰসকলক বুজিবলৈ দিয়ক কিয় ৰাজ্যখনৰ সকলো ঠাইত সকলো প্ৰকাৰৰ পৰিবহণৰ ব্যৱস্থাৰ সুবিধা নাই? তলত দিয়া ঠাইত ইয়াৰ উত্তৰ লিখক।

পাঠ্যপুথিত যিমান লিখা থাকে, তাতকৈ বেছি জানিবৰ বাবে ছাত্ৰসকল আগ্ৰহী। ঘৰত নাইবা ওচৰ-চুবুৰীত বয়সস্থ লোকৰ লগত কথা পাতিবলৈ ছাত্ৰসকলক দিহা দিয়ক আৰু তেওঁলোকৰ আন বয়সৰ কালছোৱাত পৰিবহণ ব্যৱস্থা কি কি আছিল ক'বলৈ কওঁক। কিয় তেনেকুৱা আছিল তাৰ ওপৰত চিন্তা কৰিব। এতিয়া কিয় বেলেগ? পূৰ্বৰ আৰু বৰ্তমানৰ পৰিবহণ ব্যৱস্থা তুলনা কৰিবলৈ ছাত্ৰসকলক উৎসাহ দিয়ক আৰু তেওঁলোকৰ অঞ্চলত বৰ্তমানৰ পৰিবহণৰ যি উন্নত অৱস্থা উপলব্ধ হৈছে, ছাত্ৰসকলক তাৰ শলাগ ল'বলৈ কওঁক। ইয়াৰ পৰা "ভাৰতবৰ্ষৰ পৰিবহণ" ব্যৱস্থাৰ ওপৰত ছাত্ৰসকলক পৰিচয় কৰাব। পৰিবহণৰ মানচিত্ৰ পৰিবেশন কৰিব লাগিব আৰু শিক্ষাৰ্থীয়ে মানচিত্ৰখন অধ্যয়ণ কৰিব। ছাত্ৰসকলক প্ৰয়োজনীয় কিছুমান আপুনি প্ৰশ্ন কৰিব যাৰ যোগেদি বিশেষ ধৰণৰ তথ্য তেওঁলোকে মানচিত্ৰৰ পৰা বিচাৰি পাব। কিছুমান প্ৰশ্ন পৰৱৰ্তী পৃষ্ঠাত উল্লেখ কৰা হৈছে।

— গঙ্গাৰ কোনটো অঞ্চলত নাও চলাচল কৰিব পাৰি?

— গোটেই গঙ্গা নদীখন কিয় জলপথ হিচাবে ব্যৱহাৰ কৰিব নোৱাৰি?

— উত্তৰ-পূব ভাৰত আৰু জম্মু আৰু কাশ্মীৰত ৰেল আৰু বায়ুপথৰ আন্তঃগাঠনি মন কৰক। কি পাৰ্থক্য নিৰীক্ষণ কৰিলে? কিয় এনে হয়?

— National Corritors আৰু Golden Quadrilateral চিনাক্তকৰণ কৰক। যিবিলাক ৰাজ্যৰ মাজেদি ই পাৰ হৈ গৈছে, সেই ৰাজ্যবোৰৰ তালিকা বনাওক। এই পথবিলাকত সুবিধা কি?

ওপৰৰ প্ৰশ্নবোৰৰ দৰে আপুনি অধিক প্ৰশ্ন সুধিব পাৰে, ছাত্ৰসকলৰ পৰা তেওঁলোকৰ অভিজ্ঞতা অনুসৰি উত্তৰ আদায় কৰক। থূপ খাই থকা আৰু সিচৰিত হৈ থকা মানুহৰ বসতি অঞ্চলবোৰ পথসহ ছবি অংকণৰ যোগেদি প্ৰদৰ্শন কৰক।

| একগোট হৈ থকা বসতি | সিঁচৰিত বসতি |
|---|---|

ছবিখন নিৰীক্ষণ কৰিবলৈ ছাত্ৰসকলক কওঁক আৰু বসতি এনেকুৱা হোৱা কাৰণে যুক্তি দিয়ক। পৰিবহণৰ সুবিধাৰ কাৰণে মানুহে এখন ঠাইৰ পৰা অন্য এখন ঠাইলৈ পৰিভ্ৰমণ কৰে, সেই কথা উল্লেখ কৰক। স্থানীয় কিছুমান উদাহৰণ দিয়ক য'ত জনসংখ্যাৰ অৱস্থিতি অসমান — ঘনবসতিপূৰ্ণ আৰু পাতল আৰু ছাত্ৰসকলৰ পৰা জানিবলৈ চেষ্টা কৰক। মানুহৰ বসতি কিয় এনে অসমান হয়। ইয়াৰ পৰা ছাত্ৰসকলে বুজিব যে পৰিবহণে মানুহৰ বসতিৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। আপোনালোকে জানে যে পৰিবহনে এখন ঠাইৰ সংস্কৃতিৰ পৰিৱৰ্তন কৰে। এইটো ছাত্ৰসকলক বুজোৱাৰ কাৰণে শ্ৰেণীত কি কাৰ্য্যাৱলী ল'বলৈ আপুনি পৰামৰ্শ দিব?

৪.৮ **সাৰাংশ**

এই গোটটোত আপোনাক সমাজ বিজ্ঞানৰ এটা প্ৰয়োজনীয় অংশৰ লগত চিনাকি কৰি দিয়া হ'ল। আশা কৰা হৈছে এই বিশেষ অংশটোৰ সৈতে আপোনাৰ বিস্তৃতভাৱে বুজাপৰা হৈছে। আপুনি ধৰিব পাৰিছে যে ভূগোল হৈছে পৃথিৱীৰ ওপৰিভাগৰ ওপৰত কৰা অধ্যয়ন যাৰ যোগেদি ভূত্বকৰ ওপৰত ঘটি থকা ঘটনাবোৰ (প্ৰাকৃতিক আৰু মানৱ সম্বন্ধীয়) আমি অধ্যয়ন কৰো। আমি এইটোও শিকিলো যে ভূগোল (সৰ্বাত্মক আৰু আঞ্চলিক) দুয়ো দিশৰ পৰা অধ্যয়ন কৰিব পাৰি। আপুনি এই কথা শিকিলে যে ভূগোল ভূত্বকৰ প্ৰাকৃতিক গঠন অধ্যয়ন কৰা এটা বিষয় আৰু ই ঠাই বিশেষৰ বিশেষত্ব আৰু ধৰ্ম (গুণ) ৰ ওপৰত বিচাৰ কৰে। পৃথিৱীৰ ওপৰিভাগত (Space) হোৱা ঘটনা প্ৰবাহৰ বিভিন্ন ঠাই, অৱস্থিতি, সমষ্টিকৰণৰ (Concentration) প্ৰক্ৰিয়া ই অধ্যয়ন কৰে আৰু যিবোৰ ব্যাখ্যা আহে বা আছে তাক বুজাই দিয়ে। প্ৰাকৃতিক বাতাবৰণ আৰু মানুহৰ মাজত হোৱা ঘাট-প্ৰতিঘাটৰ ফলস্বৰূপে যিবোৰ ঘটনা সংঘটিত হ'ব, সেই ঘটনাবোৰৰ মাজত থকা পাৰস্পৰিক সম্বন্ধ আৰু সঙ্গও

বিচাৰ কৰে। এই গোটটোত আমি ভূগোলৰ পৰিসৰ আৰু প্ৰভাৱৰ বিষয়ে বুজিবলৈ চেষ্টা কৰিলো। এইটো দেখিলো যে প্ৰাকৃতিক আৰু সমাজ বিজ্ঞানৰ বিষয়ত বস্তুৰ ওপৰত ভিত্তি কৰি ভূগোলত বহুতো প্ৰকাৰৰ বিশেষ শাখা আছে। এই গোটটোত উচ্চ প্ৰাথমিক সমাজ বিজ্ঞানৰ পাঠ্যপুথিৰ তালিকাত ভূগোলৰ স্থান কি তাক উপলব্ধি কৰিলে। উচ্চ প্ৰাথমিকত ভূগোলৰ বিষয়বস্তুৰ ওপৰত ৰেখাপাত হ'ল। লগতে ভূগোলৰ শিক্ষাৰ উদ্দেশ্য বুজি পালে। আপুনি এইটো লক্ষ্য কৰিছে যে এই স্তৰটোত (উচ্চ প্ৰাথমিক) তিনিটা প্ৰধান ভাবৰ ওপৰত বিষয়বস্তু প্ৰতিষ্ঠিত। আমাৰ পৃথিৱীখন, পাৰিপাৰ্শ্বিকতা, সম্পদ আৰু বিকাশ। উক্ত তিনিওটা বিষয় বেলেগ বেলেগ ষষ্ঠ, সপ্তম আৰু অষ্টম শ্ৰেণীত পঢ়ুৱা হৈছে। পিছৰ গোটবোৰত এই পাঠ কেইটা পঢ়াওতে কি ধৰণে কৌশল ব্যৱহাৰ কৰিব। তাক বুজিবলৈ সুবিধা পাব। এই পাঠকেইটা পঢ়াবলৈ কি কি সম্বল পাব এই বিষয়েও গম পাব।

৪.৯ **নিৰ্ঘণ্ট আৰু সংক্ষেপকৰণ ঃ**

**মানচিত্ৰৰ ৰেখা অংকণ ঃ** কলা, বিজ্ঞান আৰু কাৰিকৰী কৌশল বা পদ্ধতি মানচিত্ৰ তৈয়াৰ কৰাৰ কাৰণে

**Remote Sensing :** দৈহিক সংস্পৰ্শ নোহোৱাকৈ এটা বস্তুৰ বা ঘটনাৰ খবৰ লোৱা। বৰ্তমান কালত আকাশী পথৰ পৰা পৃথিৱীৰ ওপৰিভাগ, বায়ুমণ্ডল আৰু সাগৰ-মহাসাগৰত থকা পদাৰ্থ, দৃশ্যমান বস্তুবোৰ বিচাৰি উলিওৱা আৰু ভাগ কৰা। উৰা জাহাজ আৰু উপগ্ৰহৰ পৰা পঠিওৱা সংকেতৰ সহায় লোৱা হয়।

**GIS (Geographic Information System) :** এইটো এটা ব্যৱস্থা প্ৰণালী যি ভূগোল সম্বন্ধীয় সকলো তথ্য ধৰি ৰাখে, জমা কৰে, বিশ্লেষণ কৰে, বিচৰা ৰূপত পেচ কৰে (Manipulate)। সহজ ভাষাত ক'বলৈ গ'লে GIS হৈছে মানচিত্ৰ অংকণ পদ্ধতি, পৰিসংখ্যা ব্যৱহাৰ কৰি কৰা বিশ্লেষণ আৰু তথ্যৰ ওপৰত আধাৰত কাৰিকৰী বিষয়।

**GPS (Global Positioning System) :** ই এটা পৃথিৱীপৃষ্ঠৰ ওপৰত থকা গোলকীয় দিক্ নিৰ্ণয়ক উপগ্ৰহ প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াই অৱস্থিতি, সময়ৰ সংবাদ, পৃথিৱী বা পৃথিৱীৰ ওচৰত সকলো বতৰতে খবৰ দিয়ে। চাৰিটা বা তাতকৈ বেছি GPS উপগ্ৰহলৈ বাধাহীন দৃশ্য লাভৰ সুবিধা অৱশ্যে থাকিব লাগিব।

**Quantitative Techniques :** পৰিসংখ্যা, গাণিতিক আৰু হিচাব গণনাৰ দ্বাৰা যিবোৰ সামাজিক ঘটনা ক্ৰমাগতভাৱে বৈজ্ঞানিকভিত্তিক অনুসন্ধান কৰে। সেয়া এই অধ্যয়ণ পদ্ধতিৰ অন্তৰ্গত।

**Spatial Science :** জৰীপ কাৰ্য্য, ভৌগলিক সংবাদ প্ৰক্ৰিয়া, জলস্তৰ অধ্যয়ণ আৰু তাৰ মানচিত্ৰ প্ৰস্তুতকৰণ, মানচিত্ৰ অংকন কৰা পদ্ধতি আৰু কলা কৌশল এইবোৰ বিষয় লৈ Spatial Science এক শৈক্ষিক বিভাগ। পৃথিৱীৰ প্ৰাকৃতিক উপাদান আৰু পাৰিপাৰ্শ্বিকতা ইয়াৰ বিভিন্ন ঠাইত অৱস্থিতি আৰু সম্ভেদ লগতে জোখ-মাপ, পৰিচালনা, বিশ্লেষণ আৰু প্ৰদৰ্শন ইয়াৰ দ্বাৰাই পৃথিৱীৰ প্ৰাকৃতিক গঠন আৰু সৃষ্ট হোৱা বাতাবৰণ Spatial Science য়ে বৰ্ণনা কৰে।

**Areal differntiation :** ইও ভূগোল অধ্যয়ন কৰা এটা দিশ। ই পৃথিৱীৰ ওপৰিভাগৰ কেনেকৈ তাৰতম্য ঘটে মানুহ আৰু ভৌতিক ঘটনাবোৰ কেনেকৈ বেলেগ হয় আৰু শেষলৈ বসবাস কৰা পৃথিৱীলৈ পৰিৱৰ্তন কেনেকৈ আহে তাৰ বিষয়ে বিচাৰ কৰে।

পঢ়িবলগীয়া পাঠ্য আৰু উদ্ধৃতিসমূহ

**৪.১১ গোট আৰু অনুশীলণী**

- আপোনাৰ ৰাজ্যত ভূগোল আৰু সমাজবিজ্ঞানৰ যিবিলাক কিতাপ উপলব্ধ হয়, তাৰ ওপৰত ভিত্তি কৰি তলত উল্লেখ কৰা বিষয়ৰ ওপৰত মন্তব্য দিয়ক।

(ক) ভূগোলৰ শিক্ষাদান আৰু শিক্ষা লাভৰ প্ৰয়োজনীয়তা।

(খ) ভূগোলৰ বিষয়বস্তু।

(গ) সমাজ বিজ্ঞান আৰু ভূগোল পঢ়ুৱাবলৈ কেনেকৈ আগবাঢ়িব।

- অষ্টম শ্ৰেণীত ভূগোল পঢ়ুৱাবৰ কাৰণে এটা পাঠ সাজু কৰক। শিক্ষাদানৰ উদ্দেশ্য, প্ৰয়োজনীয় কিতাপ, ক্ৰমাগতভাৱে শিকোৱা পদ্ধতি আৰু মূল্যাংকণৰ পদ্ধতি এইবোৰৰ ওপৰত গুৰুত্ব আপুনি গুৰুত্ব দিব লাগিব।

**৫ নং গোট**

# ৰাজনীতি বিজ্ঞান/অৰ্থনীতি আৰু সমাজশাস্ত্ৰৰ সংহতপূৰ্ণ বিষয় হিচাবে সামাজিক আৰু ৰাজনৈতিক জীৱন

**গঠন**


৫.০ পাতনি

৫.১ উদ্দেশ্য শিকা

৫.২ প্ৰাথমিক স্তৰত সমাজ বিজ্ঞানত উদ্ধৃত সামাজিক আৰু ৰাজনৈতিক জীৱনৰ পাঠ

৫.২.১ সামাজিক আৰু ৰাজনৈতিক জীৱন — প্ৰাথমিক স্তৰত সমাজবিজ্ঞানৰ এটা অংশ।

৫.২.২ সামাজিক আৰু ৰাজনৈতিক জীৱন — ৰাজনীতি বিজ্ঞান, অৰ্থনীতি আৰু সমাজশাস্ত্ৰৰ সংহতিপূৰ্ণ বিষয়।

৫.২.৩ সামাজিক আৰু ৰাজনীতিবিজ্ঞানৰ পাঠ্যই সমাজবিজ্ঞানলৈ কেনেকৈ অৰিহণা যোগায়।

৫.৩ ৰাজনীতি বিজ্ঞান, অৰ্থনীতি আৰু সমাজশাস্ত্ৰত সমাজবিজ্ঞানে ব্যৱহাৰ কৰা প্ৰণালী/আৰম্ভণি।

৫.৩.১ ৰাজনীতি বিজ্ঞান আয়ত্ব কৰিবলৈ সমাজ বিজ্ঞানীয়ে ব্যৱহাৰ কৰা প্ৰণালী/আৰম্ভণি।

৫.৩.২ অৰ্থনীতি আয়ত্ব কৰিবলৈ ব্যৱহাৰ কৰা প্ৰণালী/আৰম্ভণি।

৫.৩.৩ সমাজশাস্ত্ৰ আয়ত্ব কৰিবলৈ ব্যৱহাৰ কৰা প্ৰণালী/আৰম্ভণি।

৫.৪ সমাজবিজ্ঞানৰ কেৰিকুলামত সামাজিক আৰু ৰাজনৈতিক জীৱনৰ গুৰুত্ব।

৫.৪.১ সমাজ বিজ্ঞানৰ কেৰিকুলামত সামাজিক আৰু ৰাজনৈতিক জীৱনৰ তাৎপৰ্য্য।

৫.৪.২ সামাজিক আৰু ৰাজনৈতিক জীৱনৰ শিকিবলগীয়া শিক্ষাবিষয়ক সূত্ৰ আৰু সমাজবিজ্ঞানৰ কেৰিকুলাম।

৫.৫ সমাজ বিজ্ঞানৰ কেৰিকুলামত সামাজিক আৰু ৰাজনৈতিক জীৱনৰ বিষয়ে শিক্ষাদানত পাঠৰ পৰিকল্পনা কৰা।

৫.৬ সাৰাংশ

৫.৭ নিৰ্ঘণ্ট / সংক্ষেপকৰণ

৫.৮ অগ্ৰগতিৰ খতিয়ান আৰু উত্তৰ

৫.৯ পঢ়িবলগীয়া কিতাপ আৰু উদ্ধৃতি

৫.১০ অনুশীলণী

**৫.০ পাতনি**

সমাজবিজ্ঞানৰ পাঠ্য তালিকাত উচ্চ প্ৰাথমিক শিক্ষাৰ কাৰণে তিনিটা মুখ্য ভাগ থাকে এয়া হ'ল বুৰঞ্জী, ভূগোল আৰু সামাজিক আৰু ৰাজনৈতিক জীৱন। এই খণ্ডৰ ৩নং গোট আৰু ৪নং গোটৰ অধ্যয়ণত উচ্চ প্ৰাথমিকৰ সমাজবিজ্ঞানত 'ভূগোল' আৰু 'বুৰঞ্জী' য়ে মুখ্য বিষয়, সেয়া গম পালে। এই অধ্যায়ত 'সামাজিক আৰু ৰাজনৈতিক জীৱনো' যে সমাজ বিজ্ঞানৰ এক মুখ্য অংশ তাক বুজি পাব। এই অধ্যায়টোৱে যি কেইটা মূল বিষয়ৰ লগত আপোনাক পৰিচয় কৰাই দিব, সেয়া হ'ল প্ৰাথমিক বিদ্যাৰ সমাজবিজ্ঞানত সামাজিক আৰু ৰাজনৈতিক জীৱনৰ বিষয়বস্তু; ৰাজনীতি বিজ্ঞান, অৰ্থনীতি আৰু সমাজ বিজ্ঞানত সমাজবিজ্ঞানীসকলে গ্ৰহণ কৰা পদ্ধতি আৰু আৰম্ভণি প্ৰক্ৰিয়া; সামাজিক আৰু ৰাজনৈতিক জীৱনৰ গুৰুত্ব।

সমাজ বিজ্ঞান কোৰিকুলামৰ অংশ হিচাবে তপন কুমাৰ বাসন্তিয়াৰ Doctoral Dissertation প্ৰচ্ছদসমূহ এই গোটত ব্যৱহাৰ কৰা হৈছে। সামাজিক আৰু ৰাজনৈতিক জীৱনৰ বিষয়ে শিকাবলৈ যিবোৰ পাঠৰ প্ৰয়োজন তাকো আগবঢ়াই নিব পাৰিব। এই গোটটোত সমাজ বিজ্ঞানৰ এটা গুৰুত্বপূৰ্ণ অংগ — সামাজিক আৰু ৰাজনৈতিক জীৱনৰ বিষয়ে বুজাবলৈ তাত্বিক আলোচনাৰ ওপৰিও কৃত্ৰিম আঁচনিৰ সহায় লোৱা হৈছে।

**৫.১ উদ্দেশ্যৰ শিক্ষা আহৰণ**

এই গোটটো অধ্যয়ণ কৰাৰ পাছত আপুনি বুজি পাব —

- সমাজ বিজ্ঞানৰ পাঠ্যতালিকাত 'বুৰঞ্জী' আৰু 'ভূগোল'ৰ ভাগৰ পৰা সামাজিক আৰু ৰাজনৈতিক জীৱনৰ ভাগ পৃথকিকৰণ।
- ৰাজনীতি বিজ্ঞান, অৰ্থনীতি আৰু সমাজশাস্ত্ৰত সামাজিক আৰু ৰাজনৈতিক জীৱনৰ অধ্যয়ণ যে এটা সংহতপূৰ্ণ (Integrated) বিষয়, তাক মান্যতা দিয়া।
- "সামাজিক আৰু ৰাজনৈতিক জীৱনৰ" বিষয়বস্তু চিনাক্ত কৰা।
- ৰাজনীতি বিজ্ঞান, অৰ্থনীতি আৰু সমাজশাস্ত্ৰ বুজাবলৈ সমাজবিজ্ঞানীসকলে গ্ৰহণ কৰা পদ্ধতি আৰু আৰম্ভণি প্ৰক্ৰিয়া।
- সমাজ বিজ্ঞানৰ পাঠ্যতালিকাত "সামাজিক আৰু ৰাজনৈতিক জীৱন" অধ্যয়ণৰ অৰ্থ বুজাই দিয়া।
- সমাজ বিজ্ঞানৰ পাঠ্য তালিকাত সামাজিক আৰু ৰাজনৈতিক অধ্যয়ণৰ কাৰণে শৈক্ষিক সূত্ৰসমূহ উদাহৰণসহ বুজাই দিয়া।
- উক্ত বিষয়ে শিকাবৰ কাৰণে পাঠ প্ৰস্তুত কৰা।

**৫.২ প্ৰাথমিক স্তৰত সমাজবিজ্ঞানত সামাজিক আৰু ৰাজনৈতিক জীৱনৰ বিষয়ে বিষয়বস্তু**

সমাজবিজ্ঞানৰ শিক্ষা আহৰণ মানৰ জীৱনৰ সমানেই পুৰণি। প্ৰাচীন সমাজত সমাজবিজ্ঞানৰ অধ্যয়ণ শৃঙ্খলাবদ্ধ আৰু আনুষ্ঠানিক নাছিল। শিক্ষা প্ৰক্ৰিয়া অনানুষ্ঠানিক, ব্যক্তিকেন্দ্ৰিক আৰু স্বেচ্ছাধীন আছিল। কিন্তু

সমসাময়িক পৃথিৱীত সমাজ ব্যৱস্থাৰ জটিলতা, জ্ঞানৰ বিস্তাৰ, বহু বিধ প্ৰয়োজনীয়তা আৰু দাবীৰ হেতু সমাজবিজ্ঞানৰ শিক্ষা আহৰণ শৃঙ্খলাবদ্ধ আৰু আনুষ্ঠানিক হৈছে। প্ৰাথমিক স্তৰত "পাৰিপাৰ্শ্বিকতা অধ্যয়ণ" এই শিতানৰ যোগেদি আৰু উচ্চ প্ৰাথমিকত "সমাজবিজ্ঞানৰ পাঠ্য তালিকা" হিচাবে সমাজবিজ্ঞানৰ পাঠ্যতালিকাত অন্তৰ্ভূক্ত হৈছে।

উচ্চ প্ৰাথমিকত সমাজবিজ্ঞানৰ পাঠ্যপুথি তালিকাই তিনিটা প্ৰধান শৈক্ষিক বিষয় সামৰি লয় — 'বুৰঞ্জী', 'ভূগোল' আৰু 'সামাজিক আৰু ৰাজনৈতিক জীৱন'।

### ৫.২.১ সামাজিক আৰু ৰাজনৈতিক জীৱন

প্ৰাথমিক স্তৰত (বিশেষকৈ উচ্চ প্ৰাথমিক) সমাজ বিজ্ঞানক আনুষ্ঠানিক স্কুলীয়া বিষয় হিচাবে গণ্য কৰা হয়; যি ধৰণে ভাষা, বিজ্ঞান, গণিত ইত্যাদি বিষয় পঢ়োৱা হয়। উচ্চ প্ৰাথমিকত সমাজবিজ্ঞানৰ পাঠ্যপুথি তালিকাই তিনিটা প্ৰধান শৈক্ষিক বিষয় সামৰি লয় — 'বুৰঞ্জী', 'ভূগোল' আৰু 'সামাজিক আৰু ৰাজনৈতিক জীৱন'। সমাজবিজ্ঞানৰ কেৰিকুলাম ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ বিয়পি থাকে। উচ্চ প্ৰাথমিকত সমাজবিজ্ঞানৰ পাঠ্য তালিকা সংহতিপূৰ্ণভাৱে এনেদৰে প্ৰস্তুত কৰা হৈছে যাতে সংশ্লিষ্ট সকলোবোৰ বিষয় আৰু ভিন্ন পৰ্য্যায়ৰ ওপৰত ই গুৰুত্ব প্ৰদান কৰে। সকলোবোৰ বিষয় হ'ল — বুৰঞ্জী, ভূগোল আৰু সামাজিক আৰু ৰাজনৈতিক জীৱন আৰু ভিন্ন পৰ্য্যায়বোৰ হ'ল (ষষ্ঠ শ্ৰেণী, সপ্তম শ্ৰেণী আৰু অষ্টম শ্ৰেণী)।

উচ্চ প্ৰাথমিক স্তৰত বুৰঞ্জীৰ শিক্ষা আহৰণ ঃ সময়ৰ তাৰতম্যত ভাৰতবৰ্ষ আৰু পৃথিৱীৰ বিভিন্ন অংশত যিবোৰ ঘটনা ঘটি থাকে, এজন শিকাৰুক বুৰঞ্জীৰ পাঠ্যই চিনাকি কৰাই দিয়ে।

ভূগোল ঃ পৃথিৱীৰ ওপৰিভাগত সংঘটিত হোৱা প্ৰকৃতিৰ ঘটনা, পাৰিপাৰ্শ্বিকতা, সম্পদ, সামগ্ৰী ইত্যাদিৰ বিষয়ে শিক্ষাৰ্থীৰ চিনাকি কৰি দিয়ে (স্থানীয় এলেকাৰ পৰা গোটেই পৃথিৱীলৈ বিস্তাৰিত হয়)।

সামাজিক আৰু ৰাজনৈতিক জীৱন ঃ উচ্চ প্ৰাথমিকত ই ৰাজনীতি বিজ্ঞান, অৰ্থনীতি আৰু সমাজশাস্ত্ৰ তিনিওটাৰ সমন্বয়ত কাম কৰে। কেনেকৈ সমিলমিলত আগবাঢ়ে তলত দেখুওৱা হ'ল।

### ৫.২.২ সামাজিক আৰু ৰাজনৈতিক জীৱন ঃ ৰাজনীতি বিজ্ঞান, অৰ্থনীতি আৰু সমাজশাস্ত্ৰৰ এটা উমৈহতীয়া বিষয়।

সমাজ শাস্ত্ৰৰ পাঠ্য তালিকাত সামাজিক আৰু ৰাজনৈতিক জীৱনৰ পাঠ এটা নতুন সংযোজন। উচ্চ প্ৰাথমিকত থকা ই অন্য এটা পাঠ্যক্ৰম Civics ৰ স্থান লৈছে। NCF ৰ মতে ঔপনিৱেশৰ যি সময়ছোৱাত Civics বিষয় হিচাবে স্কুলীয়া পাঠ্যক্ৰমত অন্তৰ্ভূক্ত কৰিছিল, তেতিয়া বৃটিছ শাসনৰ বিৰুদ্ধে ভাৰতীয়সকল ক্ৰমাগতভাৱে আনুগত্যবিহীন হৈ আহিছিল। Civicsৰ মুখ্য ধৰ্ম আছিল বাধ্যতা আৰু আনুগত্য।" সামাজিক আৰু ৰাজনৈতিক জীৱন বাস্তৱ জীৱনৰ লগত সাদৃশ্য থকা আৰু তেনেকুৱা পৰিস্থিতিৰ ওপৰত ভিত্তি থকা। ই তাত্ত্বিক ধাৰণা বাস্তৱ পৰিস্থিতিৰ পৰা সংগ্ৰহ কৰে আৰু পঢ়ুৱাত সহায় হোৱা কাৰণ ই বিশ্বাস কৰে যে ল'ৰা-

ছোৱালীয়ে সম্যক অভিজ্ঞতাৰ পৰা শিকিবলৈ ভাল পায়। পৰিয়াল আৰু সমাজ সম্বন্ধীয় যিবিলাক অনুসন্ধিৎসু প্ৰশ্ন মধ্য স্কুলৰ ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণীলৈ লৈ আনে, সেই সমস্যাকে এই অধ্যয়ণে পেচ কৰে।

সামাজিক আৰু ৰাজনৈতিক জীৱনে ইয়াৰ শিক্ষাৰ অভিজ্ঞতা প্ৰধানতঃ ৰাজনীতি বিজ্ঞান, অৰ্থনীতি আৰু সমাজ শাস্ত্ৰৰ পৰা আহৰণ কৰে। ৰাজনৈতিক বিজ্ঞানে এজন ল'ৰাক গণতান্ত্ৰিক প্ৰক্ৰিয়া আৰু ইয়াত অংশগ্ৰহণৰ ওপৰত পৰিচয় কৰায়। অৰ্থনীতিয়ে আৰ্থিক কাৰ্য্যকলাপ যেনেঃ উৎপাদন, বিতৰণ, বিনিময় আৰু সমাজ শাস্ত্ৰই জাতি, শ্ৰেণী, ধৰ্মৰ পৰিধিৰ বাহিৰলৈ গৈ এজন ল'ৰাক নাগৰিক সমাজৰ প্ৰয়োজনীয় সভ্য হোৱাত সহায় কৰে।

৫.২.৩ **সামাজিক আৰু ৰাজনৈতিক জীৱনৰ পাঠ্য** ঃ উচ্চ প্ৰাথমিকত সামাজিক আৰু ৰাজনৈতিক জীৱন বিষয়টো পূৰ্বতে প্ৰজাস্বত্ব বিষয়ক (Civics) বিষয় হিচাবে শিকোৱা হৈছিল। Civics কেনেকৈ স্থানচ্যুত হ'ল, সেই বিষয়ে ইতিমধ্যে আলোচনা কৰা হৈছে। ঈশ্বৰ ভাই পেটেল সমিতি (১৯৭৭) আৰু National Focus Group on Teaching of Social Science (2006) য়ে আগবঢ়োৱা আদৰ্শ পাঠ্য তালিকাৰ বিষয়বস্তু আমি পৰীক্ষা আৰু প্ৰাৰ্থক্যকৰণ কৰে।

উচ্চ প্ৰাথমিকত সমাজবিজ্ঞানৰ পাঠ্যতালিকাত ঈশ্বৰ ভাই পেটেল সমিতিয়ে (১৯৭৭) Civics ৰ কাৰণে আগবাঢ়োৱা আদৰ্শ পাঠ (ষষ্ঠ, সপ্তম আৰু অষ্টম শ্ৰেণী)

### Civics (ষষ্ঠ শ্ৰেণী — নাগৰিক জীৱন)

১. সমূহীয়া আঁচনি, সমবায় আৰু সমুহীয়া সম্প্ৰদায়ৰ উন্নয়ণ।

২. স্থানীয় শাসন (নগৰ অঞ্চল) ঃ গঠন আৰু কাৰ্য্যবিশেষ।

৩. স্থানীয় শাসন (গ্ৰাম্য) ঃ প্ৰয়োজনীয়তা, গঠন আৰু কাৰ্য্য বিশেষ।

৪. জিলাৰ শাসন ব্যৱস্থা ঃ আইন আৰু শৃঙ্খলা, নাগৰিকৰ সা-সুবিধা।

৫. সমূহীয়া সম্পত্তিৰ সংৰক্ষণ ঃ ৰাজহুৱা সম্পত্তি, ইয়াৰ সংৰক্ষণ, বুৰঞ্জীমূলক কীৰ্ত্তিহিবোৰ।

৬. আঁচনিঃ যিকোনো কৰ্মমুখী নাগৰিকক সক্ষম কৰি তোলাৰ কাৰণে সুবিধা দিয়া ঃ সমস্যা।

### Civics (সপ্তম শ্ৰেণী — আমাৰ নাইবা ভাৰতীয় সংবিধান)

১. আমাৰ সংবিধানৰ মুখ্য বৈশিষ্ট্য ঃ মুখ্য নীতি, জাতীয় চৰকাৰ, ৰাজ্যিক চৰকাৰ, অধিকাৰ, কৰ্তব্য, নিৰ্দেশিত নীতি, ৰাষ্ট্ৰীয় প্ৰতীক।

২. আইন প্ৰণয়ণ প্ৰক্ৰিয়া ঃ লোকসভা/ৰাজ্যসভা, আইন কেনেকৈ প্ৰণয়ণ কৰা হয়?

৩. কাৰ্যবাহী আইন ঃ ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী আৰু মন্ত্ৰীসভা, ৰাজ্যপাল, মুখ্যমন্ত্ৰী আৰু মন্ত্ৰীমণ্ডল আৰু ৰাজহুৱা সেৱা।

৪. আইনৰ বাখ্যাকৰণ ঃ উচ্চ ন্যায়ালয়, উচ্চতম ন্যায়ালয় আৰু ইয়াৰ অধীনৰ ন্যায়ালয়বোৰ।

৫. আঁচনি।

**Civics (অষ্টম শ্ৰেণী — স্বাধীন ভাৰতবৰ্ষ ঃ সফলতা আৰু প্ৰত্যাহ্বান)**

১. ৰাষ্ট্ৰীয় লক্ষ্য ঃ গণতন্ত্ৰ, সমাজতন্ত্ৰ, নিৰপেক্ষতা, আন্তৰ্জাতিক সহযোগিতা।

২. গণতন্ত্ৰৰ মজবুতকৰণ ঃ গণতন্ত্ৰত নাগৰিকত্ব, ভাৰতবৰ্ষৰ সাক্ষৰতা।

৩. সামাজিক আৰু আৰ্থিক পুনৰ গঠনঃ দাৰিদ্ৰ্য, জনসংখ্যা, কৰ্মহীনতা, জাতিভেদ প্ৰথা।

৪. পাচঁবছৰীয়া পৰিকল্পনা ঃ সফলতা আৰু বিফলতা, কৃষি, উদ্যোগ, গ্ৰাম্য জীৱন।

৫. দেশৰ প্ৰতিৰক্ষা ঃ সৈন্যবল, Territorial Army, সীমাবল, NCC, ACC, নাগৰিক আৰু প্ৰতিৰক্ষা।

৬. ভাৰতবৰ্ষ আৰু পৃথিৱী ঃ সহযোগিতাৰ প্ৰয়োজনীয়তা, সহ অৱস্থান আৰু ৰাষ্ট্ৰসংঘ।

৭. আঁচনি।

উচ্চ প্ৰাথমিকৰ (ষষ্ঠ, সপ্তম আৰু অষ্টম শ্ৰেণী) সমাজ বিজ্ঞানৰ পাঠ্যতালিকাত ‘সামাজিক আৰু ৰাজনৈতিক জীৱন’ৰ আদৰ্শ পাঠৰ কাৰণে National Focus Group on Teaching of Social Sciences (২০০৬) য়ে দিয়া পৰামৰ্শৱলী।

**ষষ্ঠ শ্ৰেণী (অনৈক্য আৰু পৰস্পৰ নিৰ্ভৰশীলতা)**

গোট ১ — অনৈক্য

গোট ২ — চৰকাৰ

গোট ৩ — স্থানীয় শাসন

গোট ৪ — জীৱন যাপনৰ ব্যৱস্থা

**সপ্তম শ্ৰেণী (গণতন্ত্ৰ আৰু সমতা)**

১নং গোট — গণতন্ত্ৰ

২নং গোট — ৰাজ্যিক চৰকাৰ

৩নং গোট — জনসংযোগৰ দিশ

৪নং গোট — লিংগ ভেদ

৫নং গোট — আমাৰ চৌপাশৰ বজাৰ

**অষ্টম শ্ৰেণী (আইনী শাসন আৰু সামাজিক ন্যায়)**

১নং গোট — সংবিধান

২নং গোট — সংসদীয় চৰকাৰ

৩নং গোট — ন্যায়পালিকা

৪নং গোট — সামাজিক ন্যায় আৰু উপান্ত গোট

৫নং গোট — চৰকাৰৰ আৰ্থিক অৱস্থিতি

**আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক —**

প্ৰশ্ন ঃ ৰাজনীতিবিজ্ঞান, অৰ্থনীতি আৰু সমাজশাস্ত্ৰৰ লগত “সামাজিক আৰু ৰাজনৈতিক জীৱন” কেনেকৈ জড়িত?

(টোকা ঃ তলত থকা ঠাইত আপোনাৰ উত্তৰ লিখক আৰু গোটৰ শেষত দিয়া আৰ্হি উত্তৰৰ লগত আপোনাৰ উত্তৰবোৰ তুলনা কৰক)

.......................................................................................................................................

.......................................................................................................................................

.......................................................................................................................................

.......................................................................................................................................

**৫.৩ ৰাজনীতি বিজ্ঞান, অৰ্থনীতি আৰু সমাজশাস্ত্ৰত সমাজবিজ্ঞানীসকলে গ্ৰহণ কৰা আৰম্ভণি প্ৰথা ঃ**

এইটো আগতেই উল্লেখ কৰা হৈছে যে ‘সামাজিক আৰু ৰাজনৈতিক জীৱন’ ৰাজনীতি বিজ্ঞান, অৰ্থনীতি আৰু সমাজশাস্ত্ৰৰ সংহত অধ্যয়ণ যদিও এই তিনিওটা স্বতন্ত্ৰ বিভাগ, ইয়াৰ নিজস্ব বিষয় আছে আৰু অধ্যয়ণৰ নিজা কৌশল পদ্ধতি আছে। বহুতো প্ৰকাৰে বিষয় কেইটাৰ পাঠ্য, স্বভাৱ আৰু সুযোগ ভিন্ন হয়। সেই কাৰণে সমাজ বিজ্ঞানীসকলে এই তিনিটা বিষয় বুজিবলৈ একে পদ্ধতি বা আৰম্ভণি ব্যৱহাৰ নকৰে। বৰং বিষয়কেইটাৰ প্ৰকৃতি অনুসৰি বুজিবলৈ চেষ্টা কৰে। পিছৰ অনুচ্ছেদত আমি এই বিষয় কেইটাৰ পদ্ধতি / আৰম্ভণি আলোচনা কৰিম।

**৫.৩.১ ৰাজনীতি বিজ্ঞান আয়ত্ব কৰাৰ কাৰণে সমাজবিজ্ঞানীয় গ্ৰহণ কৰা আৰম্ভণি প্ৰথা।**

ৰাজনীতি বিজ্ঞান বুজিবলৈ হ'লে ইয়াৰ দুটা ভাগ জনাৰ প্ৰয়োজন। পৰম্পৰাগত আৰু আধুনিক। এতিয়া আধুনিক প্ৰথাই প্ৰসাৰ লাভ কৰিছে। চক্ৰেটিছ, প্লেটো আৰু এৰিষ্টট'লে যি অৰিহণা আগবঢ়ালে তাৰ পৰা পৰম্পৰা প্ৰথাৰ আবিৰ্ভাৱ হয়। ১৯ শতিকাৰ আৰম্ভণিলৈ ইয়াৰ প্ৰভাৱ বৰ্তি থাকিল। আধুনিক প্ৰথাৰ অধ্যয়ণ যদিও ১৫-

১৬ শতিকা মানতে আৰম্ভ হ'ল, বিংশ শতিকাতহে ই আধিপত্য বিস্তাৰ কৰিলে। এই দুয়োবিধ অধ্যয়ণৰ পাৰ্থক্য তলত উল্লেখ কৰা হ'ল —

| পৰম্পৰাগত অধ্যয়ণ প্ৰথা | আধুনিক অধ্যয়ণ প্ৰথা |
|---|---|
| ৰাজনীতিবিজ্ঞানক ৰাজ্য আৰু চৰকাৰী অনুষ্ঠানবোৰ অধ্যয়ণ ক্ষেত্ৰ হিচাপে বাখ্যা কৰে।<br>ৰাজনীতিৰ আনুষ্ঠানিক আহিলাবোৰৰ ওপৰত মনোযোগ দিয়ে — চৰকাৰ, অনুষ্ঠান / প্ৰতিষ্ঠান, সংবিধান।<br>ৰাজনীতি, বিজ্ঞান, ভাবমূলক, তাত্বিক আৰু উদ্দেশ্যধৰ্মী।<br>দৰ্শনৰ প্ৰভাৱ বেছি।<br>ৰাজনীতি বিজ্ঞান নিৰীক্ষণ কৰিব পৰা নহয়। মূল্যবোধৰে সমৃদ্ধি এটা বিষয়।<br>নিৰ্দিষ্ট বিধান প্ৰদানকাৰী আৰু গুণবিশিষ্ট, উত্তম সমাজ গঢ়ি তোলাটো লক্ষ্য।<br>প্ৰধানতঃ একত্ৰীকৰণ প্ৰক্ৰিয়া আৰু সমাজ বিৱৰ্তন আৰু নিয়ন্ত্ৰণত অনুষ্ঠান / প্ৰতিষ্ঠানবোৰৰ ওপৰত গুৰুত্ব দিয়ে। | ৰাজনীতি বিজ্ঞানে ক্ষমতা আৰু ৰাজনৈতিক আচৰণৰ যোগেদি কৰা সিদ্ধান্ত।<br>কাৰ্য্যৰ সমষ্টি বা কাৰ্য্যপ্ৰণালীৰ সেৱা (Process Service)।<br>উদ্দেশ্য প্ৰৰণ, বিজ্ঞান ভিত্তিক আৰু কাৰ্য্যসূচীমুখী।<br>বিশ্লেষণাত্মক গুণবিশিষ্ট।<br>নিৰীক্ষণৰ আওঁতাত থকা আৰু মূল্যবোধৰ পৰা মুক্ত।<br>সংখ্যা আৰু কাৰ্য্যগুণে সাধাৰণ সিদ্ধান্ত স্থাপনত জোৰ দিয়ে। জ্ঞানক বিজ্ঞানভিত্তিক কৰি গঢ়ি তোলা।<br>ওপৰুৱা ৰাজনীতিৰ কাৰণৰ আৰু অৱস্থাৰ ওপৰত জোৰ দিয়ে, যিবিলাকে ৰাজনৈতিক ঘটনাৱলী আৰু অনুষ্ঠানবোৰৰ ওপৰত প্ৰভাৱ পেলায়। |

ওপৰত উল্লেখিত পৰম্পৰাগত আৰু আধুনিক দিশৰ পাৰ্থক্যবোৰ ধ্ৰুৱসত্য নহয়। বহুতো প্ৰসঙ্গত পৰম্পৰাগত আৰম্ভণি আৰু আধুনিক আৰম্ভণি প্ৰথা বিৰামহীন (Continuum)। বহুত পৰিস্থিতিত দুয়োটা প্ৰথাৰ অধ্যয়ণৰ মাজত ঘাট-প্ৰতিঘাট হয়। ৰাজনীতি বিজ্ঞান বুজিবলৈ বহুতো পৰম্পৰাগত অধ্যয়ণ আৰু আধুনিক অধ্যয়ণৰ বাট আছে। ইয়াত আমি দুটাকৈ পৰম্পৰাগত আৰু আধুনিক অধ্যয়ণৰ প্ৰথা পেচ কৰিম। দুটা হ'ল পৰম্পৰাগত (দাৰ্শনিক আৰু ন্যায়িক অনুষ্ঠানৰ অধ্যয়ণ আৰু দুটা আধুনিক প্ৰথা (ব্যৱহাৰিক আৰু মনস্তাতিক অধ্যয়ণ)।

**দাৰ্শনিক অধ্যয়ণৰ আৰম্ভণি ঃ**

এই আৰম্ভণি প্ৰথা সাধাৰণতে কল্পনাশীল আৰু নিয়মজনিত। বহুত পৰম্পৰাগত ৰাজনীতি বিজ্ঞানৰ দৰ্শন পূৰ্বসুৰী সিদ্ধান্ত কিন্তু ক্ষুদ্ৰ নিৰীক্ষণৰ ওপৰত ভিত্তি কৰি হোৱা। এই অধ্যয়ণবোৰ জ্ঞানৰ ভড়াল। প্লেটোৰ Republic, হবচ্'ৰ "লেভিয়াথান" কিতাপ বিমুৰ্ত্ত কিন্তু আদৰ্শ ৰাজ্যৰ শাসন প্ৰণালীৰ পক্ষে। অন্য বহুতো ৰাজনৈতিক দাৰ্শনিক পণ্ডিতে সিদ্ধান্তমূলক যুক্তিৰ দ্বাৰা ৰাজ্য, ন্যায়, আইন, স্বাধীনতা, গণতন্ত্ৰ এই ধাৰণাবোৰৰ

স্পষ্টীকৰণ দিছিল। সিদ্ধান্তমূলক যুক্তিৰ দ্বাৰা এই ৰাজনৈতিক দাৰ্শনিকসকলে ৰাজনৈতিক আচৰণ, চৰকাৰৰ প্ৰকাৰ ইত্যাদিৰ বিষয়ে স্বসাক্ষ্যৰ ওপৰত কিন্তু প্ৰমাণবিহীন সিদ্ধান্ত আগবঢ়াইছিল। কিন্তু আধুনিক বিজ্ঞানমুখী পণ্ডিতসকলে সমালোচনা কৰে যে পুৰণা চামৰ সিদ্ধান্ত ফলপ্ৰসু (Objective) নহয়। মানুহৰ প্ৰকৃতি তেওঁলোকৰ নিজৰ ইচ্ছামতেই বিচাৰ কৰিছিল। সমালোচনা স্বত্বেও ৰাজনীতি অধ্যয়ণ কৰোতে এই লেখাসমূহৰ বহুতো প্ৰাসংগিতা আছে। প্লেটো, লক, এৰিষ্টট'ল, চাণক্য আৰু অন্যান্যৰ ৰাজনৈতিক দৰ্শন এতিয়াও প্ৰাসংগিক।

**ন্যায়িক অনুষ্ঠানৰ (সাংবিধানিক) অধ্যয়ণ ঃ**

সমসাময়িক ৰাজনীতিত ন্যায়িক অনুষ্ঠানৰ যোগেদি যোৱা অধ্যয়ণ এতিয়াও প্ৰভাৱশালী হৈ আছে। ইয়াৰ শিপা — এৰিষ্টট'লৰ গ্ৰীচ দেশৰ নগৰ ৰাজ্যবোৰত (City states) সংবিধান। এই অধ্যয়ণে ৰাজকাৰ্য্য চলাবলৈ যিবোৰ অনানুষ্ঠানিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰয়োজন সেইবোৰৰ ওপৰত আলোকপাত কৰে — চৰকাৰ, অনুষ্ঠানবোৰ, সংবিধান আৰু ৰাজ্যসমূহ। বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানসমূহৰ কাৰ্য্যাৱলী আৰু সিহঁতৰ মাজত থকা সম্বন্ধ ফঁহিয়াই চালে আৰু বৰ্ণনা কৰিবলৈ যাওঁতে ৰাজনৈতিক কাৰ্য্যকলাপৰ ওপৰত সিদ্ধান্ত গ্ৰহণ কৰাৰ কাৰণে গুৰুত্বপূৰ্ণ অৰ্ন্তদৃষ্টি লাভ কৰিব পাৰিব। ন্যায়িক বিধি আৰু প্ৰচলিত প্ৰথাই অনুষ্ঠানবোৰৰ ওপৰত কি প্ৰভাৱ পেলাব সেয়াও ভাবি চাব লাগিব। এই কাৰ্য্যত কাৰ্য্যালয়ৰ পৰা লাভ কৰা নথি আৰু অন্য উৎসই সহায় কৰিব। এই দিশৰ পৰা ধাৱমান হ'লে কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰ আৰু ইহঁতৰ মাজত সাংবিধানিক সম্বন্ধ আৰু কাৰ্য্যপ্ৰণালী ভাল ধৰণে অধ্যয়ণ কৰিব পাৰিব। এই দিশটো স্থবিৰ আৰু প্ৰাণহীন বুলি সমালোচিত হয় কাৰণ ই এটা বিশেষ সময়ৰ চৰকাৰৰ ওপৰতে আলোচনা কৰে। ৰাজনীতি কাৰ্য্যকলাপৰ যে ধাৰাবাহিকতা আছে, সেয়া অৱহেলিত হৈ থাকে। অনুন্নত আৰু পিছপৰা সম্প্ৰদায়সকলৰ মাজত আনুষ্ঠানিক অনুষ্ঠান নাই আৰু ৰাজনীতি অভ্যস্ত আচৰণ প্ৰণালী নাই, সেয়া এই অধ্যয়ণে সামৰি নলয়। আন্তৰ্জাতিক ৰাজনীতি য'ত অশান্ত জৰ্জৰিতা বিদ্যমান আৰু যাৰ আনুষ্ঠানিক অনুষ্ঠান আদি নাই, এই অধ্যয়ণ পদ্ধতি তেনেকুৱা পৰিস্থিতিত ব্যৰ্থ।

**ব্যৱহাৰিক দিশ ঃ**

ৰাজনীতি বিজ্ঞানত ব্যৱহাৰিক দিশৰ যোগেদি অধ্যয়ণ কৰা ১৯৪০ চনৰ পৰা আৰম্ভ হয় আৰু এতিয়ালৈকে প্ৰাধান্য লাভ কৰি আছে। পৰম্পৰাগতভাৱে হোৱা অধ্যয়ণে ঘটনা, গঠন, মতবাদ, অনুষ্ঠান আদিৰ ওপৰত জোৰ দিয়ে আৰু ব্যৱহাৰিক অধ্যয়ণে বিশ্লেষণৰ প্ৰধান আহিলা হিচাবে ব্যক্তি নতুবা সৰু সৰু দলবোৰৰ আচৰণক লক্ষ্য কৰি লয়। ৰৰ্বাট দল (Robert Dahl)ৰ মতে ব্যৱহাৰিক ৰাজনীতিবিজ্ঞানে ৰাজনৈতিক কৰ্তাৰ নিৰীক্ষণ কৰিব পৰা আচৰণসমূহ লক্ষ্য কৰে আৰু বিশ্লেষণ কৰে। বিজ্ঞানসন্মতভাৱে নিশ্চিতকৰণ কৰিব পৰা ৰাজনৈতিক আচৰণ ইয়াৰ মূল কথা। বিত্ত সমালোচকে কয় যে মানুহৰ আচৰণ বিধি পৰীক্ষাসুলভ নহয় আৰু গণিতবিদ্যাৰ সমীকৰণে যি সঠিক সিদ্ধান্ত দিয়ে, ৰাজনীতি বিজ্ঞানৰ সাধাৰণ কৰণত ই প্ৰযোজ্য নহয়। তদুপৰি সমালোচকে কয় যে কেৱল প্ৰত্যক্ষ আচৰণহে উপলব্ধি কৰিব পাৰি আৰু ইও এটা ঘটনাৰ আংশিক প্ৰকাশ। নিঃশব্দ আচৰণ যি ঘটনাটোৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে হৃদয়ঙ্গম কৰা সহজ নহয়।

**মনস্তাতিক দিশ ঃ**

১৯০৮ চনত গ্ৰাহাম ৱালাছৰ “’Human Nature in Politics” কিতাপখন প্ৰকাশ হয় আৰু এই কিতাপখনে ৰাজনীতি বিজ্ঞানত সামাজিক মনস্তাতিক আধাৰৰ আৰম্ভণি কৰে আৰু প্ৰাধান্য বিস্তাৰ কৰে। এই মতত বিশ্বাস কৰাসকলে ভাবে যে আকাৰ আৰু গঠনতকৈও ৰাজনীতিবিজ্ঞান মনস্তাতিক শক্তিৰ দ্বাৰা পৰিচালিত। তেওঁলোকৰ অধ্যয়ণে দাবী কৰে যে মানুহৰ ৰাজনৈতিক কাৰ্য্যকলাপ যুক্তি আৰু বিবেচনাৰ ওপৰত নহয়। মনস্তাত্বিক কাৰণসমূহ যেনে ব্যক্তিত্ব, দৃষ্টিভংগী, উদ্দেশ্যধৰ্মীতাই ইয়াক পৰিচালনা কৰে। সেই কাৰণে বহু ৰাজনীতিবিজ্ঞানীয়ে তেওঁলোকে অধ্যয়ণবোৰত ৰাইজৰ মতামত, ভোটদান কাৰ্য্য ইত্যাদি বিষয়ত ব্যক্তিত্ব, দৃষ্টিভঙ্গী, স্বাৰ্থ, আত্মসন্মান ইত্যাদিক নিৰ্ণয়ক কাৰণ / গৱেষণাৰ উপাদান হিচাপে গণ্য কৰে। মনোবিজ্ঞান শাস্ত্ৰ পুৰামাত্ৰাই পৰীক্ষাসিদ্ধ বিজ্ঞান নহয় আৰু সেয়ে ইয়াৰ সমালোচকসকলে কয় যে ৰাজনৈতিক প্ৰবাহত অংশগ্ৰহণ কৰা লোকসকলৰ ব্যক্তিত্ব আৰু তেওঁলোকৰ মনোবৈজ্ঞানিক লক্ষণ উপলব্ধি কৰা কঠিন।

ওপৰত উল্লেখ কৰা দিশবোৰৰ ওপৰত আৰু অন্য অধ্যয়ণৰ দিশ যেনে তুলনামূলক অধ্যয়ণ, পদ্ধতিগত অধ্যয়ণ, গঠণমূলক আৰু কাৰ্য্যক্ষমৰ ওপৰত বিশ্লেষণ পদ্ধতি আৰু মাক্সবাদৰ দিশ আছে। ৰাজনৈতিক আচৰণ আৰু ঘটনাপ্ৰবাহ আয়ত্ব কৰিবলৈ এই দিশসমূহৰ অধ্যয়ণ পুৰামাত্ৰাই জনপ্ৰিয়।

৫.৩.২ **অৰ্থনীতি অনুধাৱন কৰিবলৈ সমাজ বিজ্ঞানীসকলে গ্ৰহণ কৰা প্ৰণালী / দিশ ঃ**

“অৰ্থনীতি” জ্ঞানসমৃদ্ধ কিন্তু ইয়াৰ স্পষ্ট বাখ্যা নাই। যিহেতু চৰম আৰু পৰিপূৰ্ণভাবে সামৰি লোৱা সংজ্ঞাত অৰ্থনীতি ব্যাখ্যা কৰা কঠিন, সেয়ে সময়ে সময়ে অৰ্থনীতিবিদ্ / সমাজ বিজ্ঞানীসকলে ইয়াক বেলেগ বেলেগ ধৰণে বাখ্যা কৰি আহিছে। “অৰ্থনীতি” বিষয়টো এতিয়াও বিকাশ আৰু উন্নয়নৰ পথত। অৰ্থনীতিবিদসকলে বহু বিধ অধ্যয়ণৰে আগবাঢ়িলেও ইয়াৰ কেইটামান দিশ গুৰুত্বপূৰ্ণ আৰু আপোনালোকৰ আয়ত্বৰ কাৰণে সেইকেইটা দিশহে আলোচনা কৰিম।

**আডাম স্মিথৰ সম্পদ অধ্যয়ণৰ দিশ ঃ**

আডাম স্মিথ যাক অৰ্থনীতিৰ পিতৃ বুলি কোৱা হয়, তেওঁৰ মতে অৰ্থনীতি হ’ল “সম্পদৰ বিজ্ঞান”। ১৭৭৬ চনত আডাম স্মিথে “An Enquiry into the Nature and Causes of Wealth of Nations” প্ৰকাশ কৰে। কিতাপখনত আডাম স্মিথে সম্পদ উৎপাদন আৰু বিস্তাৰৰ ওপৰত মুখ্য প্ৰাধান্য দিয়ে আৰু ইয়েই অৰ্থনীতিৰ বিষয়বস্তু হৈ পৰে। আডাম স্মিথৰ মতে অৰ্থনীতিয়ে সম্পদৰ উৎপাদন, বিতৰণ, ভোগ কৰা আৰু ঐশ্বৰ্য্য বিভূতিৰ বিষয়ে তত্বাৱধান লয়। স্মিথে কয় যে যিবোৰ কাৰকে এখন দেশৰ সম্পদ আৰু ঐশ্বৰ্য্য নিৰ্দ্ধাৰণ কৰে, লগতে ইয়াৰ বিকাশ, তাৰ বিষয়ে অৰ্থনীতিয়ে অনুসন্ধান কৰে। সমালোচকে আডাম স্মিথৰ সম্পদৰ যথাসৰ্বস্ব গুৰুত্ব খাৰিজ কৰিছে আৰু কয় যে সম্পদ আহৰণ মানুহৰ মুখ্য উদ্দেশ্য নহয়। এখন সুশিক্ষিত সমাজত বহুতো ক্ৰিয়াই মানুহৰ কাৰ্য্যকলাপ স্থিৰ কৰে আৰু ই হ’ব পাৰে সম্পদ আহৰণক বাদ দিও। সমালোচকে কয় যে আডাম স্মিথে সম্পদৰ ওপৰত জোৰ দিছে। কিন্তু মানুহৰ মঙ্গলত গুৰুত্ব

দিয়া নাই। অন্য কথাত সম্পদৰ ওপৰত ভিত্তি কৰা অৰ্থনীতিৰ অধ্যয়ণে মানুহৰ মঙ্গল সাধন যে অৰ্থনীতিৰ মুখ্য উদ্দেশ্য তাক প্ৰমাণ নকৰে।

**আলফ্ৰেড মাৰ্শ্বলিৰ মঙ্গলৰ ওপৰত কৰা অধ্যয়ণ ঃ**

১৮৯০ চনত আলফ্ৰেড মাৰ্শ্বালে “Principles of Economics” নামৰ কিতাপখন প্ৰকাশ কৰে। এই কিতাপখনত মাৰ্শ্বালে অৰ্থনীতিক মঙ্গল বিজ্ঞান বুলি অভিহিত কৰিছে। আডাম স্মিথৰ যথাসৰ্বচ্চ সম্পদ বাখ্যাকৰণক সমালোচনা কৰি মাৰ্শ্বালে কয় যে অৰ্থনীতিত সম্পদেই শেষ সীমা নহয়। কিন্তু শেষ সীমালৈ আগবঢ়া ই এটা পথ আৰু শেষটো হ’ল মানুহৰ মঙ্গল সাধন। মাৰ্শ্বালে কয় যে মানুহৰ জীৱনৰ সাধাৰণ সকামক লৈ ব্যস্ত থকা অৰ্থনীতি প্ৰকৃততে মানুহৰ ওপৰত কৰা অধ্যয়ণ। মানুহৰ মঙ্গলৰ কাৰণে যিবোৰ বস্তুৰ প্ৰয়োজন বা মানুহে পাবলগীয়া; তাৰ ব্যৱহাৰ আৰু এই ব্যৱস্থাৰ লগত নিবিড় ভাৱে জড়িত থকা ব্যক্তি / কাৰ্য্যকলাপ সেই দিশবোৰ অৰ্থনীতিয়ে পৰীক্ষা কৰে। মাৰ্শ্বালৰ অৰ্থনীতিৰ ব্যাখ্যাকৰণে তিনিটা কোণ দেখুৱাই দিয়ে। প্ৰথমতে, অৰ্থনীতি হ’ল মানুহৰ ওপৰত কৰা অধ্যয়ণ আৰু মানুহেই সকলো আৰ্থিক কাৰ্য্যকলাপৰ মধ্য বিন্দু। অন্য কথাত মানুহে কেনেকৈ সম্পদ আহৰণ কৰে আৰু ভোগ কৰে, মানুহৰ এই কাৰ্য্য অৰ্থনীতিয়ে অধ্যয়ণ কৰে। দ্বিতীয়তে অৰ্থনীতি সাধাৰণ মানুহৰ দৈনন্দিন জীৱন-যাপনৰ বিষয়তো জড়িত। সাধাৰণ জীৱন-যাপনৰ অৰ্থ হ’ল মানুহে দৈনন্দিন তেওঁলোকৰ খোৰাকী কেনেকৈ যোগাৰ কৰে আৰু ব্যয় কৰে। ইয়াৰ বাহিৰেও মানুহৰ জীৱনৰ অন্য দিশো আছে যেনে- সামাজিক জীৱন, ৰাজনৈতিক জীৱন ইত্যাদি। তৃতীয়তে, অৰ্থনীতিৰ প্ৰাথমিক উদ্দেশ্য হ’ল মানুহৰ বৈষয়িক উন্নতি। লগতে আমি এইটোও বুজিব লাগিব যে মানুহৰ মঙ্গল সাধনতে অৰ্থনীতি সীমাবদ্ধ হৈ নাথাকে। সামগ্ৰিক উন্নতিয়ে দেখুৱাব লাগিব উৎপাদনসমূহ মানুহৰ মঙ্গল সাধনত কি ভাৱে প্ৰয়োগ কৰা হয়। মাৰ্শ্বালে অৰ্থনীতিত বৈষয়িক কল্যাণ সাধনত বেছি গুৰুত্ব দিছিল। কিছুমান অৰ্থনীতিবিদে মাৰ্শ্বালৰ মতবাদক ‘অস্পষ্ট’ আখ্যা দিয়ে কাৰণে তেওঁ ‘জীৱনৰ সাধাৰণ সকাম’ত (কাম-কাজ) কি কি কাৰ্য্যকলাপ অন্তৰ্ভুক্ত হ’ব তাক উল্লেখ কৰা নাই। মাৰ্শ্বালৰ অৰ্থনীতিৰ ধাৰণা কেৱল বৈষয়িক সামগ্ৰীৰ ওপৰত ভিত্তি কৰা। কিন্তু সমালোচক ৰবীন্‌ছ (Robins)ৰ মতে মাৰ্শ্বালৰ ধাৰণাত অনা বৈষয়িক বস্তুৰ কোনো স্থান নাই — কিন্তু অৰ্থনীতিয়ে এই দিশটোও সামৰি লয়।

তাৰোপৰি ৰবীন্‌ছে কৈছিল যে অৰ্থনীতি কেৱল কল্যাণ সাধনৰ অধ্যয়ণ নহয়, কিয়নো সকলো আৰ্থিক কামে মঙ্গল সাধিব নোৱাৰে। অৰ্থনীতিত ধুম্ৰপাণ, মদ ইত্যাদি ক্ষতিকাৰক বস্তুবোৰৰো অধ্যয়ণ কৰা হয়। কিন্তু এইবিলাকৰ অধ্যয়ণে মঙ্গলসাধন কৰিব নোৱাৰে। কাৰণ মঙ্গল সাধন আপেক্ষিকভাৱে ব্যক্তিবিশেষ আৰু পৰিস্থিতি সাপেক্ষে পৰিৱৰ্তনমুখী।

**লায়নেল ৰবিন্‌ছৰ নাটনি আৰু পচন্দমুখী অধ্যয়ণ ঃ**

১৯৩১ চনত লায়নেল ৰবিন্‌ছে অৰ্থনীতিৰ ওপৰত এখন বিখ্যাত কিতাপ “An Essay on the Nature of Significance of Economics Science” প্ৰকাশ কৰে। অৰ্থনীতিৰ ওপৰত ৰবিন্‌ছৰ অধ্যয়ণ আডাম

স্মিথ আৰু মাৰ্শ্বালতকৈ বেছি মাৰ্জিত আৰু সঠিক। ৰবিন্‌ছে তেওঁৰ মতবাদত অৰ্থনীতিক “অভাৱ নাটনি আৰু পছন্দৰ বিজ্ঞান” বুলি অভিহিত কৰিছে। তেওঁৰ মতে অৰ্থনীতি হ'ল বিজ্ঞান যি মানুহৰ আচৰণবিধিক সম্পদ উপলব্ধি আৰু ইয়াৰ নাটনিৰ পৰিপ্ৰেক্ষিতত হোৱা পৰিস্থিতিৰ সম্বন্ধ বুলি বাখ্যা কৰিব খোজে। এবিধ সম্পদৰ ব্যৱহাৰ বহু প্ৰকাৰে হয়। ৰবিন্‌ছৰএই অধ্যয়ন তলত দিয়া বক্তব্যৰ ওপৰত প্ৰতিষ্ঠিত।

১। মানুহৰ প্ৰয়োজনীয়তাৰ সীমা নাই।

২। প্ৰয়োজন অনুসৰি সম্পদ নাই / অভাৱ আছে।

৩। সম্পদ বেলেগ বেলেগ ধৰণে ব্যৱহৃত হয়।

৪। দ্ৰব্য আৰু সেৱাই মঙ্গল সাধনৰ উত্তৰণ ঘটাব নে নাই, সেয়া অৰ্থনীতিৰ বিচাৰ্য নহয়। যদি মানুহৰ প্ৰয়োজনীয়তাৰ ই সন্তুষ্টি আনে, অৰ্থনীতিয়ে ইয়াক অধ্যয়ণ কৰিব লাগে।

৫। সমাজত উপলব্ধ সম্পদ মানুহৰ বিভিন্ন চাহিদা পুৰাবৰ কাৰণে কেনেকৈ বিতৰণ কৰিব লাগে, ইয়াকে অৰ্থনীতিয়ে বিচাৰ কৰে।

বহুতো কাৰণত ৰবিন্‌ছৰ অধ্যয়ণ সমালোচিত হৈছে। ৰবিন্‌ছে মাৰ্শ্বালৰ মঙ্গল সাধানৰ বাখ্যাক সমালোচনা কৰিছে। কিন্তু ৰবিন্‌ছৰ বাখ্যাক যদি সন্তপৰ্ণে বিচাৰ কৰা হয়, দেখা যাব তেওঁৰ বাখ্যাৰ মাজতো মঙ্গল সাধনৰ ধাৰণা বিদ্যমান। ৰবিন্‌ছৰ অধ্যয়ণে সূচনা কৰে যে সম্পদৰ বিতৰণ এনেভাৱে হ'ব লাগে যাতে সৰ্বাধিক সন্তুষ্টি পোৱা যায়। বহু ক্ষেত্ৰত সৰ্বাধিক সন্তুষ্টিয়ে সৰ্বাধিক মঙ্গল সাধন সূচায়। ইয়াৰ উপৰিও ৰবিন্‌ছৰ অধ্যয়ণে আৰ্থিক বিকাশ আৰু উন্নয়নৰ দিশটো সামৰি লোৱা নাই। কিছু বছৰৰ পৰা অৰ্থনীতিত এই দিশটোৱে যথেষ্ট গুৰুত্ব লাভ কৰিছে।

**চেমুৰেলচনৰ বিকাশৰ দিশ ঃ**

আধুনিক অৰ্থনীতিবিদ চেমুৰেলচনে অৰ্থনীতিৰ এক বিকাশমুখী ব্যাখ্যা আগবঢ়াইছে। অৰ্থনীতি হ'ল এক অধ্যয়ণ — যি অধ্যয়ণে মানুহ আৰু সমাজে টকাৰ ব্যৱহাৰৰ যোগেদি বা টকা ব্যৱহাৰ নকৰাকৈ বিৰল উৎপাদনমুখী সম্পদবোৰ সমাজৰ বিভিন্ন ব্যক্তি আৰু সম্প্ৰদায়ৰ মাজত- বৰ্তমানে বা ভৱিষ্যতে- বিভিন্ন ভোগ্য সামগ্ৰী উৎপাদনত ব্যৱহাৰ কৰে আৰু বিতৰণ কৰে অন্যথা এই সম্পদবোৰৰ বিকল্প ব্যৱহাৰ হ'লহেঁতেন। সম্পদ বিতৰণৰ উন্নয়নমুখী ব্যৱস্থাৰ দৰ দাম আৰু উপকাৰিতা ই বিশ্লেষণ কৰে। এই বাখ্যাৰ পৰা আমি তলত দিয়া বিশেষত্ববোৰ পাওঁ।

১। চেমুৰেল্‌চনে উৎপাদনশীল সম্পদৰ নাটনিৰ ওপৰত গুৰুত্ব দিছিল, যি সাধাৰণ মানুহৰ জীৱনৰ ওপৰত প্ৰভাৱ পেলায়।

২। এই বিৰল সম্পদসমূহৰ ব্যৱহাৰ আৰু বিতৰণৰ মাজত থকা আপেক্ষিক সমস্যাসমূহ অৰ্থনীতিয়ে বিশ্লেষণ কৰে।

৩। ৰবিন্‌ছৰ বাখ্যাতকৈ ই বহল ভিত্তিক, কিয়নো চেমুৰেল্‌চন্‌ৰ বাখ্যাই নাটনি আৰু বিকাশ, দুয়োটাকে স্পৰ্শ কৰে।

৪। আৰ্থিক পছন্দৰ ক্ষেত্ৰত মানুহৰ সমস্যাৱলী বিশ্লেষণ কৰোতে ই মুদ্ৰাৰ ব্যৱহাৰ আৰু বিনিময় প্ৰথা দুয়োটাকে অন্তৰ্ভূক্ত কৰে।

৫.৩.৩ **সমাজশাস্ত্ৰৰ অধ্যয়ণত সমাজবিজ্ঞানীয়ে গ্ৰহণ কৰা কৌশল নতুবা আৰম্ভণি প্ৰক্ৰিয়া ঃ**

সমাজশাস্ত্ৰ হ'ল সমাজৰ অধ্যয়ণ। সমাজশাস্ত্ৰই সমাজৰ বিভিন্ন দিশ অধ্যয়ণ কৰে, যেনে- সামাজিক নীতি, নিয়ম, ধাৰা, মূল্যবোধ, গাঠনি, কাৰ্য্যাৱলী ইত্যাদি। কিন্তু সমাজ অধ্যয়ণৰ কাৰণে একমাত্ৰ এটা প্ৰণালী/দিশ নাই, যিটো সমাজবিজ্ঞানীসকলে ব্যৱহাৰ কৰে। বৰং তেওঁলোকে সমাজ অধ্যয়ণৰ কাৰণে অসংখ্য কৌশল/প্ৰণালী ব্যৱহাৰ কৰে। প্ৰত্যেকটো প্ৰণালীৰ নিজা ভৰ আৰু সীমা আছে। কি প্ৰসংগৰ ওপৰত ভিত্তি কৰি সমাজ অধ্যয়ণ কৰিবলৈ বিচৰা হৈছে, ই তাৰ ওপৰত নিৰ্ভৰ কৰে। সমাজ অধ্যয়ণ কৰোতে সমাজ বিজ্ঞানীয়ে যিবোৰ প্ৰণালী/দিশ ব্যৱহাৰ কৰে। সেইবোৰৰ কিছুমান আপোনালোকে ইয়াত শিকিব পাৰিব।

**বুৰঞ্জীমূলক দিশ ঃ**

আগষ্ট কম্‌টে, হাৰ্বাট স্পেনচাৰ আৰু কাৰ্লমাক্সৰ নিচিনা সমাজশাস্ত্ৰৰ প্ৰতিষ্ঠাপক পিতৃয়ে এই দিশটো প্ৰবলভাৱে সমাজ অধ্যয়ণৰ কাৰণে ব্যৱহাৰ কৰিছিল। কিছু বছৰৰ পৰা হৃথহাউচ (Hothouse), বেষ্টাৰমাৰ্ক আৰু এফ. ওপেনহাইমাৰেৰ নিচিনা সমাজ শাস্ত্ৰবিদে এই দিশটোৰ ওপৰত হয়ভৰ দিছে। বুৰঞ্জীমূলক প্ৰক্ৰিয়াই বুজাই যে ই হ'ল অতীত সমাজৰ ঘটনাৱলী, ইয়াৰ ধাৰা আৰু অনুষ্ঠানসমূহৰ অধ্যয়ণ, যি সমসাময়িক সামাজিক জীৱনৰ উৎপত্তি নাইবা পূৰ্বৰ অৱস্থা (anticedents) বিচাৰি উলিওৱাৰ উদ্দেশ্যে ব্যৱহৃত হয়। এইদৰেই এই অধ্যয়ণে সমসাময়িক সামাজিক জীৱনৰ প্ৰকৃতি আৰু কাৰ্য্যকৰণ বুজি উঠে। বুৰঞ্জীমূলক সমাজ শাস্ত্ৰই (বুৰঞ্জীমূলক প্ৰণালীৰ ওপৰত প্ৰতিষ্ঠিত সমাজশাস্ত্ৰ) আমাৰ বৰ্তমান জীৱন ধাৰাৰ উৎপত্তি আৰু তাক ব্যাখ্যা কৰাৰ কাৰণে বহু বছৰৰ আগৰ আৰু কিছু বছৰৰ আগৰ সমাজ অধ্যয়ণ কৰে। বুৰঞ্জীমূলক দিশে সমাজ অধ্যয়ণৰ কাৰণে দুই প্ৰকাৰে অনুসৰণ কৰে — (i) জৈৱিক ক্ৰমবিকাশৰ সূত্ৰই বুৰঞ্জীমূলক সমাজশাস্ত্ৰক প্ৰভাৱিত কৰে। (ii) অৰ্থনৈতিক বাখ্যাকৰণে বুৰঞ্জীমূলক সমাজশাস্ত্ৰক প্ৰভাৱিত কৰে। প্ৰথম দিশটো সমাজৰ উৎপত্তি আৰু উন্নয়নৰ সমস্যাৰ ওপৰত কেন্দ্ৰীভূত। এই দিশত আছিল কম্‌টে আৰু স্পেনচাৰৰ অধ্যয়ণ। দ্বিতীয়টো দিশ হ'ল প্ৰধানতঃ মেক্স ৱেবাৰৰ (Max Weber) পুঁজিবাদৰ উৎপত্তি, আধুনিক আমোলাতন্ত্ৰৰ বিকাশ আৰু পৃথিৱীৰ ধৰ্মসমূহৰ আৰ্থিক প্ৰভাৱৰ অধ্যয়ণ।

**তুলনামূলক দিশ ঃ**

তুলনামূলক দিশে সামাজিক ঘটনাপ্ৰবাহ অধ্যয়ণ কৰিবলৈ যুক্তিসন্মত মত ব্যৱহাৰ কৰে। ই অপ্ৰয়োজনীয় উপাদানবোৰ উৎখাত কৰে আৰু প্ৰয়োজনীয়বোৰ ধৰি ৰাখে। সমাজশাস্ত্ৰত তুলনামূলক দিশে এটা শুদ্ধ সাধাৰণকৰণৰ সূত্ৰত উপনীত হ'বলৈ অতীতৰ বা বৰ্তমানে বৰ্তি থকা সমাজ আৰু সামাজিক অনুষ্ঠানবোৰ অধ্যয়ণ কৰিবলৈ যাওতে নিৰ্বাচন কৰি লয়, এইবোৰৰ তুলনামূলক বিচাৰ কৰে আৰু অপ্ৰয়োজনীয়বোৰ পৰিত্যাগ কৰে। বুৰঞ্জীমূলক,

ৰাজনৈতিক আৰু অন্যান্য বিশেষত্ববোৰ যত সাধাৰণভাবে উমৈহতীয়া, তেনে সমসাময়িক সমাজবোৰ তুলনা কৰা হয়। প্ৰাকৃতিক বিজ্ঞানত বিজ্ঞানীসকলে পৰীক্ষণৰ দ্বাৰা নৈমিত্তিক যোগসূত্ৰ প্ৰতিষ্ঠা কৰিব পাৰে। কিন্তু সমাজ অধ্যয়ণৰ পৰিস্থিতি বৈজ্ঞানিক পৰীক্ষাৰ দ্বাৰা অসম্ভৱ। সেইকাৰণে সমাজবিজ্ঞানীসকলে নৈমিত্তিক যোগসূত্ৰ বিচাৰি উলিয়াবৰ কাৰণে দুটা বা ততোধিক কাৰক থকা ঘটনাবোৰ বিচাৰ কৰে। এনে ঘটনাত কাৰকবোৰৰ দুটা প্ৰকাৰ কেতিয়াবা একেলগে বিদ্যমান অথবা অনুপস্থিত। এইদৰে সমাজ বিজ্ঞানৰ ক্ষেত্ৰত তুলনামূলক অধ্যয়নে দেখুৱায় যে কিছুমান পৰিঘটনা ইটোৰ লগত সিটো লগ হৈ থাকে নতুবা সঘনে নিয়মিত ৰূপত উত্তৰণ হৈ থাকে। দুখেইম (Durkheim), মেক্স ৱেবাৰ আদি সমাজশাস্ত্ৰবিদ্‌সকলে সামাজিক ঘটনা অধ্যয়ণ কৰিবলৈ এই দিশটো সঘনে ব্যৱহাৰ কৰিছিল। দুৰ্খেমে বেলেগ বেলেগ সমাজত আৰু একে সমাজৰ অন্তৰ্ভূক্ত বেলেগ বেলেগ সম্প্ৰদায়ত ঘটি থকা আত্মহত্যাৰ ঘটনা তুলনা কৰিছিল আৰু দেখুৱাইছিল যে আত্মহত্যাৰ হাৰ সামাজিক ঐক্যতাৰ মাপৰ বিপৰীতে বেলেগ হৈছিল।

**কাৰ্য্যকৰণৰ দিশ ঃ**

আধুনিক সমাজ শাস্ত্ৰৰ সূত্ৰ বিচাৰত কাৰ্য্যকৰণৰ দিশটোৰ গভীৰ প্ৰভাৱ আছে। এই অধ্যয়ণ প্ৰকৃততে ক্ৰমবিকাশ সূত্ৰৰ ওপৰত হোৱা প্ৰতিক্ৰিয়াৰ ফল। ইয়াক আচলতে অনুসন্ধানতকৈও বাখ্যাকৰণ দিশ বুলি কব পৰা যায়। কাৰ্য্যকৰণৰ দিশ হ'ল সমাজ/সামাজিক ঘটনাৰ কাৰ্য্যৱলীৰ অধ্যয়ণ। কাৰ্য্যাৱলীৰ কোণৰ পৰা সমাজ/সামাজিক ঘটনা অধ্যয়ণ কৰা হয়। সমাজত বৰ্তি থকা শৃঙ্খলা প্ৰণালীৰ (System) সুস্থ প্ৰতিপালনৰ কাৰণে যিবোৰ কাৰ্য্য পালনকৰিবলগীয়া হয়, সেইখিনি কাৰ্য্য এই শৃঙ্খলা প্ৰণালীটোৱে সম্প্ৰদান কৰে। ধাৰণা কৰি লোৱা হয় যে এটা শৃঙ্খল প্ৰণালী বহুত ভাগৰ সমষ্টি। এটা ভাগৰ লগত ইটো ভাগৰ সম্বন্ধ থাকে। শৃঙ্খলাা প্ৰণালীটোৰ এটা ভাগৰ কাৰ্য্য বুজিবলৈ হ'লে সেই শৃঙ্খলা প্ৰণালীটোৰ অন্য ভাগৰ কাম জানি লোৱাৰ প্ৰয়োজন। এই ধৰণে যদি সমাজক এটা শৃঙ্খলা প্ৰণালী বুলি ধৰি লোৱা হয় তেন্তে ইয়াৰ ভাগবোৰ হ'ল — ধৰ্ম, অৰ্থনীতি, ৰাজনীতি ইত্যাদি। এই কাৰণে সমাজৰ কাম বুজিবলৈ হ'লে ধৰ্ম, অৰ্থনীতি,ৰাজনীতি ইত্যাদিৰ কাম কি, তাক জানিব লাগিব। এয়ে হ'ল কাৰ্য্যকৰণ পদ্ধতিৰ অধ্যয়ণ। আগষ্ট কম্‌টে, স্পেনচাৰ আদিয়ে এই কাৰ্য্যকৰণ পদ্ধতিৰ ভেটি দৃঢ় কৰি গৈছে। দুখেইম্ আছিল ইয়াৰ মুখ্য প্ৰবক্তা। সামাজিক ঘটনা অধ্যয়ন কৰাত ৰেড্‌ক্লিফ ব্ৰাউন আৰু মেলিন'বস্কিয়ে (Malinowski) এই দিশটোক উচ্চভাৱত প্ৰশংসা কৰিছিল।

**পৰিসংখ্যাৰ দিশ ঃ**

সোতৰ শ শতিকাৰ পৰাই সামাজিক ঘটনা অধ্যয়ণ কৰাৰ কাৰণে পৰিসংখ্যাৰ দিশটো ব্যৱহৃত হৈ আহিছে। সংখ্যাগত আৰু বস্তুগত ভাৱে (Objective) সামাজিক ঘটনা এই দিশে অধ্যয়ণ কৰে। ইয়াৰ দ্বাৰা সামাজিক ঘটনা/সমস্যা যেনে জন্ম-মৃত্যু, বিবাহ বিচ্ছেদ, অপৰাধ, প্ৰবজন, আৰ্থিক অৱস্থা, জনমত ইত্যাদি সুন্দৰভাৱে অধ্যয়ণ কৰিব পাৰি। সামাজিক পৰিঘটনাবোৰৰ ইটোৰ লগত অন্য এটাৰ যি ঘনিষ্ঠ সম্বন্ধ থাকে, সেয়া বুজিবৰ কাৰণে এই দিশটো বহুলভাৱে ব্যৱহাৰ কৰি অহা হৈছে।

এইটো সত্য যে বেছিভাগ সামাজিক তথ্য গুণাত্মক, তথাপিও সমাজ বিজ্ঞানীসকলে পৰিসংখ্যা ব্যৱহাৰৰ যোগেদি এই তথ্যবোৰ পৰিমাণবোধক আৰু উদ্দেশ্যধৰ্মী কৰিবলৈ চেষ্টা কৰি আহিছে। সমাজ বিজ্ঞানী গিডিংচ, প্ৰমুখ্যে অন্য বহুতে সমাজশাস্ত্ৰৰ গৱেষণাত এই পদ্ধতি ব্যৱহাৰ কৰিছে।

ইয়াৰ বাহিৰেও অন্য দিশ, বিশেষ ঘটনা অধ্যয়ণ (case study), ক্ৰমবিকাশ পদ্ধতি ইত্যাদি সামাজিক ঘটনা অধ্যয়ণত বহুলভাৱে ব্যবহৃত হয়।

**আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক**

প্ৰশ্ন ঃ ৰবীনৰ অৰ্থনীতি অধ্যয়ণত Scarcity and Choice দিশৰ বিশেষ বিশেষ বৈশিষ্ট্যসমূহ কি?

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

৫.৪ **সমাজবিজ্ঞানৰ পাঠ্যতালিকাত সামাজিক আৰু ৰাজনৈতিক জীৱনৰ গুৰুত্ব ঃ**

সমাজৰ সামাজিক/সাংস্কৃতিক দিশটো যাতে আমাৰ ছাত্ৰসকলে বুজিব পাৰে আৰু বাস্তৱিকৰ লগতে যাতে মুখামুখি হ'ব পাৰে, সেইকাৰণে স্কুলৰ পাঠ্যতালিকাত সমাজ বিজ্ঞান বিষয়টো অন্তৰ্ভূক্ত কৰা হৈছে। সক্ষমতা আৰু মূল্যবোধ আৰু এনে কিছুমান মুখ্য গুণ যাতে ছাত্ৰৰ মাজত বিকাশ সাধন হয় আৰু ইয়াৰ দ্বাৰা বিভিন্ন সমস্যা সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক, আৰ্থিক আৰু অন্যান্য সমস্যা তেওঁলোকে সমাধা কৰিব পাৰে। এই বিষয়টোৱে ছাত্ৰক গণতান্ত্ৰিক সমাজৰ এজন কাৰ্য্যক্ষম ব্যক্তি হোৱাত সহায় কৰে।

উচ্চ প্ৰাথমিকত সমাজ বিজ্ঞানে তিনিটা শিক্ষাদান আৰু শিক্ষালাভৰ উপায় অন্তৰ্ভূক্ত কৰে — 'বুৰঞ্জী', 'ভূগোল' আৰু 'সামাজিক আৰু ৰাজনৈতিক জীৱন'। এতিয়া আপোনালোকে সমাজ বিজ্ঞানৰ অংশ হিচাবে 'সামাজিক আৰু ৰাজনৈতিক জীৱন'ৰ বিষয়ে শিকিব পাৰিব।

৫.৪.১ **সমাজ বিজ্ঞানৰ পাঠ্যতালিকাত 'সামাজিক আৰু ৰাজনৈতিক জীৱন' অধ্যয়নৰ বিশেষত্ব ঃ**

ইয়াৰ আগতে আপুনি গম পালে যে 'সামাজিক আৰু ৰাজনৈতিক জীৱন' পাঠৰ অন্তৰ্ভূক্তিয়ে পূৰ্বৰ "Civics" (প্ৰজাস্বত্ব বিষয়) বিষয়টো সমাজ বিজ্ঞানৰ পাঠ্য তালিকাৰ পৰা আঁতৰাই পঠাইছে। এতিয়া আমি সমাজ বিজ্ঞানৰ পাঠ্যতালিকাত 'সামাজিক আৰু ৰাজনৈতিক জীৱনৰ' অধ্যয়ণৰ গুৰুত্বৰ বিষয়ে আলোচনা কৰিম।

'বুৰঞ্জী' আৰু 'ভূগোলত' 'সামাজিক আৰু ৰাজনৈতিক জীৱন' পাঠে এটা গুৰুত্বপূৰ্ণ স্থান পূৰাই আছে। বুৰঞ্জীৰ অধ্যয়ণে ছাত্ৰসকলক আমাৰ দেশৰ ভিন্ন ভিন্ন সময়ত উন্মলন হোৱা মহান অতীতৰ বিষয়ে অৱগত

কৰে, ভূগোলে তেওঁলোকক ভৌতিক, পাৰিপাৰ্শ্বিক আৰু সামাজিক-সাংস্কৃতিক বৈশিষ্ট্যসমূহৰ লগত পৰিচয় কৰায়। 'সামাজিক আৰু ৰাজনৈতিক পাঠ' সমাজ বিজ্ঞানৰ পাঠ্যতালিকাত এনেদৰে অন্তৰ্ভূক্ত কৰা হৈছে যাতে ই ল'ৰা-ছোৱালীক সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক জীৱনৰ লগত পৰিচয় কৰাই দিব পাৰে। উচ্চ প্ৰাথমিকত ইয়াৰ উদ্দেশ্য তলত দেখুওৱা হ'ল।

- শিক্ষাৰ্থীৰ মাজত সামাজিক, ৰাজনৈতিক আৰু আৰ্থিক মূল্যবোধ বঢ়োৱা।
- শিক্ষাৰ্থীৰ মাজত দেশপ্ৰেম, সহযোগিতা আৰু সহনশীলতাৰ মূল্যবোধৰ বিকাশ সাধন।
- শিক্ষাৰ্থীক সমাজৰ কাৰ্য্যক্ষম অংশগ্ৰহণকাৰী হিচাবে গঢ়ি তোলা।
- শিক্ষাৰ্থীক বিবাদী সামাজিক, ৰাজনৈতিক আৰু আৰ্থিক সমস্যাৰ সমাধান কৰিবলৈ শিকোৱা।
- তেওঁলোকৰ মাজত গণতান্ত্ৰিক আৰু সাংবিধানিক মূল্যৰ অংকুৰণ ঘটোৱা।
- সামাজিক, ৰাজনৈতিক আৰু বিত্তীয় অনুষ্ঠানবোৰৰ লগত পৰিচয় কৰোৱা।
- শিকাৰুসকলৰ মাজত শান্তি আৰু বুজাবুজিৰ ভাব আগবঢ়াই নিয়া।

**উচ্চ প্ৰাথমিকত সমাজ বিজ্ঞানৰ পাঠ্যপুথিত NCF (2005) ৰ ভূমিকা ঃ**

উচ্চ প্ৰাথমিকত সামাজিক বিজ্ঞানে ইয়াৰ বিষয়বস্তু বুৰঞ্জী, ভূগোল, ৰাজনীতি বিজ্ঞান আৰু অৰ্থনীতিৰ পৰা গ্ৰহণ কৰে। ভাৰতৰ ভিন্ন ঠাইত হোৱা ঘটনাবোৰ আৰু লগতে পৃথিৱীৰ বিভিন্ন দেশ বা অঞ্চলৰ অনুৰূপ ঘটনাবোৰ বুৰঞ্জীত সন্নিৱিষ্ট কৰে। ভূগোল পাৰিপাৰ্শ্বিকতা, সম্পদ আৰু বিকাশৰ বিভিন্ন স্তৰ — স্থানীয় অঞ্চলৰ পৰা গোটেই পৃথিৱীলৈ — ভাৰসাম্য দৃষ্টিভঙ্গীৰে চাবলৈ সহায় কৰে। ৰাজনীতি বিজ্ঞানে ছাত্ৰক স্থানীয়, ৰাজ্যিক আৰু কেন্দ্ৰীয় স্তৰত চৰকাৰ কেনেকৈ গঠন হয় আৰু কাৰ্য্য পৰিচালনা কৰে, ইয়াৰ বিষয়ে অৱগত কৰে। গণতান্ত্ৰিক অংশগ্ৰহণ ইয়াৰ এটা উদ্দেশ্য।

অৰ্থনীতিৰ বিভাগে এজন ছাত্ৰক আৰ্থিক/বিত্তীয় অনুষ্ঠানবোৰ যেনেঃ পৰিয়াল, বজাৰ আৰু ৰাজ্যক নিৰীক্ষণ কৰাত সহায় কৰে। ওপৰৰ প্ৰসংগবোৰৰ বিষয়ে বহু বিষয় সম্বলিত অধ্যয়নৰ কাৰণে এটা অনুচ্ছেদ থাকিব।

**National Focus Group on Teaching of Social Sciences য়ে (২০০৬) 'সামাজিক আৰু ৰাজনৈতিক জীৱনৰ' যুক্তিযুক্ততা আৰু উদ্দেশ্য এই ধৰণে বৰ্ণনা কৰিছে ঃ**

প্ৰাথমিক স্তৰত ছাত্ৰ-ছাত্ৰীক ৰাজনৈতিক, সামাজিক আৰু আৰ্থিক দিশৰ বিভিন্ন অধ্যয়ণৰ লগত পৰিচয় কৰাই দিয়া ইয়াৰ উদ্দেশ্য বুলি কব পাৰি। কিছু মুখ্য ধাৰণাৰ ওপৰত প্ৰাথমিক আলোকপাতৰ দ্বাৰাই এই কাৰ্য্য কৰিব পাৰি। ভাৰতীয় গণতন্ত্ৰৰ কাৰ্য্যকলাপ বুজিবলৈ হ'লে এই আলোকপাতৰ প্ৰয়োজন। কিছুমান কাল্পনিক বৰ্ণনাৰ দ্বাৰা এই ধাৰণাবোৰ বাখ্যা কৰিব পা যায়। ল'ৰা-ছোৱালীৰ দৈনন্দিন অভিজ্ঞতা আৰু কাল্পনিক বৰ্ণনাবোৰৰ মাজত কি যোগসূত্ৰ আছে, তাক বিচাৰি উলিয়াবলৈ ল'ৰা-ছোৱালীবোৰক সুবিধা দিব লাগে। এই সময়ছোৱাত ভাৰতবৰ্ষৰ সকলো গণতান্ত্ৰিক গাঠনিৰ দিশ সামৰি ল'ব নালাগে। বৰং এটা ৰূপৰেখা প্ৰস্তুত কৰিব যাৰ দ্বাৰা ছাত্ৰ

বা ছাত্ৰীয়ে ঠন ধৰি উঠা আৰু চলন্ত গণতান্ত্ৰিক ব্যৱস্থাৰলগত খাপ খুৱাই লব পৰাকৈ সবল নাগৰিক হ'ব পাৰে। অনুষ্ঠানবোৰৰ প্ৰকৃত কাম-কাজ আৰু আদৰ্শ কাম-কাজৰ (কল্পিত) নিৰীক্ষণে ছাত্ৰ-ছাত্ৰীৰ দৈনন্দিন জীৱনত ঘটি থকা ৰাজনৈতিক আৰু সামাজিক দিশবোৰৰ মাজত থকা গভীৰ যোগসূত্ৰবোৰ আয়ত্ব কৰিব পাৰিব। বিত্তীয় সিদ্ধান্তবোৰ গ্ৰহণ কৰাত ইয়াৰ প্ৰভাৱ থাকিব।

**উদ্দেশ্য**

- ছাত্ৰ-ছাত্ৰীৰ দৈনন্দিন জীৱন আৰু এই পাঠ্যপুথিত থকা সমস্যাৰ মাজত থকা যোগসূত্ৰবোৰ বুজাত ছাত্ৰক সামৰ্থ দান কৰা।
- ভাৰতীয় সংবিধানৰ আদৰ্শ ছাত্ৰ-ছাত্ৰীৰ মনত সুমুৱাই দিয়া।
- ভাৰতীয় গণতন্ত্ৰৰ কাম-কাজৰ ওপৰত প্ৰকৃত জ্ঞান লাভ কৰা।
- ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক সমস্যা/ঘটনাবোৰৰ মাজত যোগসূত্ৰতা বুজি উঠিবলৈ ছাত্ৰ-ছাত্ৰীক সামৰ্থ দান কৰা।
- সকলো ঘটনা/সমস্যাৰ লগত লিঙ্গভেদ জড়িত আছে ইয়াক স্বীকাৰ কৰা।
- উপান্ত লোকৰ দৃষ্টিকোণৰপৰা ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক উন্নয়নৰ আতিগুৰি মাৰি কেনেকৈ বিশ্লেষণ আৰু বাখ্যা কৰিব এই কৌশল ছাত্ৰ-ছাত্ৰীয়ে আয়ত্ব কৰা।
- ৰাজনীতিয়ে দৈনন্দিন জীৱনত কেনেদৰে প্ৰভাৱ বিস্তাৰ কৰে, সেই কাৰণবোৰ বিচাৰি উলিওৱা।

৫.৪.২ **সমাজ বিজ্ঞানৰ পাঠ্য তালিকাত সামাজিক আৰু ৰাজনৈতিক দিশবোৰৰ অধ্যয়ণৰ কাৰণে শিক্ষা বিষয়ক সূত্ৰ ঃ**

মুখ্যতঃ সামাজিক আৰু ৰাজনৈতিক জীৱনৰ বিষয়ে শিকিবলৈ পৰস্পৰ কৰ্মক্ষম আৰু পৰীক্ষাত্মক শৈক্ষিক বিষয়ৰ প্ৰয়োজন। শিক্ষাদান কাৰ্য্য ল'ৰা-ছোৱালীৰ (শিকাৰু) দৈনন্দিন জীৱন/বাস্তৱ জীৱনৰ পৰিস্থিতিৰ লগত সম্বন্ধ থাকিব লাগিব। তেওঁলোকৰ সামাজিক আৰু সাংস্কৃতিক পৰিৱেশক গোটেই শিক্ষাদানৰ সময়ছোৱাত উচ্চ অগ্ৰাধিকাৰ দিব।

এই পৰিস্থিতি বুজোৱাৰ কাৰণে যি শিক্ষা বিষয়ক সম্পদ ব্যৱহাৰ কৰা হয়, সি সৃষ্টিমূলক, আতিগুৰি মাৰি বুজি লোৱা আৰু সমস্যা সমাধান কৰাৰ সামৰ্থ আহৰণ কৰা। ইয়াত অন্তৰ্ভূক্ত হ'ব খেলা-ধূলাৰ যোগেদি শিক্ষা লাভ, আমোদ প্ৰমোদৰ দ্বাৰা শিক্ষালাভ আৰু কামৰ যোগেদি শিক্ষা লাভ। শিক্ষা বিষয় শিকাৰুকেন্দ্ৰিক হ'ব লাগিব — শিক্ষাদান আৰু শিক্ষালাভ প্ৰক্ৰিয়াত শিক্ষা লাভ কৰোতাজনেই কেন্দ্ৰস্থ ব্যক্তি।

সামাজিক আৰু ৰাজনৈতিক জীৱনৰ শিক্ষা লাভে কেনেকৈ কাৰ্য্যমুখী শিক্ষা লাভ কৰিবলৈ শিক্ষা বিষয়ক অধ্যয়ণ (Pedagogy) অনুসৰণ কৰে, তাৰ বিষয়ে এটা মন্তব্য দিয়ক।

**কাৰ্য্য - ১ (সজ সামাজিক অভ্যাস কামকাজৰ দ্বাৰা শিকা)**

এইটো শ্ৰেণী কোঠাৰ ভিতৰত কৰা কাৰ্য্য। এই কাৰ্য্যৰ উদ্দেশ্য হ'ল শিক্ষা লাভ কৰিবলৈ সকলৰ মাজত সজ অভ্যাস উন্নতি কৰা আৰু তেওঁলোকৰ মাজৰ পৰা বেয়া সামাজিক অভ্যাস নিৰ্মূল কৰা। তলৰ শিৰোনামাত কাৰ্য্যসমূহ বিস্তৃতভাৱে উল্লেখ আছে।

(ক) কাৰ্য্যৰ আভাষ

| | | |
|---|---|---|
| শ্ৰেণী | ঃ | ষষ্ঠ শ্ৰেণী |
| শিক্ষা লাভৰ পৰিসৰ | ঃ | "সামাজিক আৰু ৰাজনৈতিক জীৱন" — সমাজ বিজ্ঞান কোৰিকুলামৰ অন্তৰ্ভূক্ত। |
| শিক্ষা লাভৰ বিষয়বস্তু | ঃ | ভাল সামাজিক অভ্যাস। |
| মুখ্য শিক্ষা লাভৰ উদ্দেশ্য | ঃ | শিকাৰুৰ মাজত ভাল সামাজিক অভ্যাস বিকাশ কৰা আৰু বেয়া সামাজিক অভ্যাস নিৰ্মূল কৰা। |
| লবলগীয়া সামগ্ৰী | ঃ | ভাল সামাজিক অভ্যাস আৰু বেয়া সামাজিক অভ্যাস প্ৰদৰ্শন কৰা কিছু ছবি। |
| কৌশল | ঃ | যথাযুক্ত ছবিৰ ওপৰত Right (ii) আৰু Cross (X) চিহ্ন দিয়া। |
| ধৰণ (mode) | ঃ | ব্যক্তি হিচাবে। |

প্ৰচ্ছদ

(খ) কাৰ্য্য অনুসৰণ

কাৰ্য্য অনুশীলণীত শিক্ষকে শিকাৰুসকলক এইদৰেদ সহায় কৰি আগবঢ়াই নিব।

"মৰমৰ শিক্ষাৰ্থীসকল, পূৰ্বৰ পৃষ্ঠাত কেইবাখনো প্ৰচ্ছদ দিয়া আছে। সকলোবোৰ ছবিয়ে সমাজত ব্যক্তিসকলে কৰা কিছুমান অভ্যাসৰ ওপৰত আলোকপাত কৰিছে। উপযুক্ত ছবিবোৰ বাচি লোৱা। ভাল অভ্যাস দেখুওৱা ছবিসমূহত সোফালে এই চিহ্ন দিয়া (II) আৰু যিবোৰ ছবিয়ে বেয়া অভ্যাসবোৰ দেখুৱাইছে তাৰ সোফালে এই চিহ্ন (X) দিবা।"

**(গ) কাৰ্য্যৰ ওপৰত ভিত্তি কৰি শিক্ষা লাভৰ কাৰণে নিৰ্দিষ্ট কাম (Assignment) ঃ**

শিক্ষা লাভৰ কাৰণে অৰ্পিত এই কামবোৰ শিকাৰুসকলৰ বাবে। এইবোৰ কাম কৰিবৰ কাৰণে শিক্ষকে তলত দিয়া ধৰণে শিকাৰুসকলক দেখুৱাই আগবাঢ়ি যাব।

"তলত তোমালোকৰ (শিকাৰু) কাৰণে কিছুমান কাম দিয়া আছে। এইবোৰ বেচ আমোদজনক। কামবোৰ সম্পূৰ্ণ কৰা আৰু আলোচনা আৰু বিশ্লেষণৰ কাৰণে পেচ কৰা।"

১। এটা সৰু কাহিনী লিখা আৰু কাহিনীটোৰ নাম দিবা ভাল সামাজিক অভ্যাস।

২। 'বেয়া সামাজিক অভ্যাসৰ অনিষ্টকাৰী পৰিণাম' ইয়াৰ ওপৰত এখন ৰচনা লিখা।

৩। ভাল অভ্যাসৰ ওপৰত কিছুমান বিজ্ঞাপন তৈয়াৰ কৰা।

৪। তোমাৰ স্কুল চৌহদত ঘটি থকা বেয়া সামাজিক অভ্যাসবোৰ তালিকাভুক্ত কৰা আৰু শ্ৰেণী শিক্ষকক সেইবোৰ অৱগত কৰা।

আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক

প্ৰশ্ন ঃ সমাজবিজ্ঞানৰ পাঠ্যতালিকাত "সামাজিক আৰু ৰাজনৈতিক জীৱন" দিশটো শিকিবৰ কাৰণে শিক্ষা বিষয়ক সূত্ৰ কি হ'ব (Pedagogical principles)?

....................................................................................................................................

....................................................................................................................................

....................................................................................................................................

....................................................................................................................................

....................................................................................................................................

**৫.৬ সমাজ বিজ্ঞানৰ পাঠ্য তালিকাত সামাজিক আৰু ৰাজনৈতিক জীৱনৰ দিশত অধ্যয়ণ কৰাৰ কাৰণে পাঠৰ পৰিকল্পনা কৰা আৰু ইয়াক উন্নত কৰা ঃ**

আপোনাৰ শিক্ষা লাভ আৰু আলোচনাৰ কাৰণে ওপৰুক্ত বিষয়ৰ ওপৰত এটা পাঠৰ পৰিকল্পনা দিয়া হৈছে।

ষষ্ঠ শ্ৰেণীৰ স্তৰত “অনৈক্য আৰু ঐক্যতা” এই পাঠটো পঢ়ুৱাবৰ কাৰণে সাজু কৰা হৈছে। শিক্ষাদান আৰু শিক্ষা লাভত গঠনমূলক অধ্যয়ণ কৰাৰ (Constructivist Approach) কাৰণে এই পাঠৰ পৰিকল্পনা কৰা হৈছে। শিক্ষাৰ্থীৰ সম্পূৰ্ণ শিক্ষা লাভৰ সময়ছোৱাত শিক্ষকজনে ছাত্ৰসকলক পৰিচালনা কৰি আগবঢ়াই নিব। তলত উল্লেখ কৰা শিতানত পৰিকল্পনাটোৰ বিৰৰণ উল্লেখ কৰা আছে।

**(ক) পাঠৰ বিষয়বস্তু**

| | |
|---|---|
| শ্ৰেণী | ঃ ষষ্ঠ শ্ৰেণীৰ স্তৰ |
| শিক্ষালাভৰ পৰিসৰ | ঃ সমাজ বিজ্ঞানৰ কেৰিকুলামত “সামাজিক আৰু ৰাজনৈতিক জীৱনৰ’ ভাগছোৱা। |
| পাঠ | ঃ অনৈক্য আৰু ঐক্য ভাৰতবৰ্ষ। |
| সময় | ঃ এটা শ্ৰেণীৰ সময়। |
| শিক্ষা লাভৰ পদ্ধতি | ঃ গঠনমূলক (Constructivist) |

**(খ) পাঠটোৰ শিক্ষালাভৰ উদ্দেশ্য ঃ**

এই পাঠটোৰ শিক্ষালাভৰ পাছত শিক্ষাৰ্থীসকল তলত উল্লেখ কৰা বক্তব্যবোৰৰ উত্তৰ দিয়াত সমৰ্থবান হ’ব।

- ভাৰতবৰ্ষত প্ৰচলিত হৈ থকা বেলেগ বেলেগ অনৈক্যসমূহ চিনাক্তকৰণ কৰা (উদাহৰণ ঃ ধৰ্মৰ বিভিন্নতা, জাতিভেদৰ বিভিন্নতা, শ্ৰেণীগত বিভিন্নতা ইত্যাদি)।
- ওপৰৰ অনৈক্যৰ স্বভাৱ আৰু কাৰণসমূহ বাখ্যা কৰা।
- ভাৰতীয়সকলৰ মাজত দেশৰ বৈচিত্ৰ্য কেনেকৈ ঐক্যতাৰ আধাৰ হৈছে, তাৰ যথাৰ্থ দেখুওৱা।
- ভাৰতবৰ্ষৰ সামাজিক, সাংস্কৃতিক মানচিত্ৰত অনৈক্যৰ বৈশিষ্ট্যবোৰৰ অৱস্থিতি (ঠাইসমূহ) বিচাৰি উলিয়াওক।
- ভাৰতবৰ্ষৰ প্ৰসংগত বৈচিত্ৰত্যৰ মাজত ঐক্যতা ইয়াৰ ওপৰত / আঁচনি / পৰিকল্পনা তৈয়াৰ কৰক।

**(গ) শিকাৰ পদ্ধতি ঃ**

শ্ৰেণীত সোমোৱাৰ পাছত শিক্ষকে শ্ৰেণীটো সঠিক ৰূপত সজাই পৰাই লৈছেনে নাই, তাক নিশ্চিত কৰিব। প্ৰথমতে শিক্ষকে শ্ৰেণীটো উচিতভাৱে শৃঙ্খলাবদ্ধ কৰি ৰাখিব। তাৰ পাছত শিক্ষকে কিছুমান উদ্দেশ্যধৰ্মী কৌশল ছাত্ৰসকলক শিক্ষালাভ আৰু শিক্ষাদানৰ কাৰণে ব্যৱহাৰ কৰিব। পাঠদানৰ কাৰণে ছাত্ৰসকলক উদ্দেশ্যপ্ৰণোদীত কৰাই ইয়াৰ কাৰণ। শ্ৰেণীটোত শিক্ষাদান আৰু শিক্ষালাভৰ কাৰণে মুখ্যতঃ Constructionist পদ্ধতি অনুসৰণ কৰিব। ল’ৰা-ছোৱালীবোৰৰ লগত আদান-প্ৰদান কৰোতে শিক্ষকে যি বিতং কাৰ্য্যনিৰ্বাহ প্ৰক্ৰিয়া অনুসৰণ কৰিব, তাক তলৰ শিতানত দেখুওৱা হৈছে।

**(ঘ) পাঠটোৰ পাতনি ঃ**

ছাত্রসকলক আগ্রহী কৰিবৰ কাৰণে শিক্ষকজনে তেওঁলোকক কিছু ছবি দেখুৱাই ল'ব। এখন ছবিত বেলেগ বেলেগ ধাৰ্মিক স্থান, ধৰ্ম পুথি দেখুওৱা হৈছে। ছবিৰ মতে তলত দিয়া ধৰণে প্ৰশ্ন কৰক।

ছবি

| শিক্ষকৰ কাৰ্য্য | শিকাৰুৰ কাৰ্য্য (আশা কৰা মতে) |
| --- | --- |
| এই ছবিসমূহৰ মাজত থকা পাৰ্থক্য উলিয়াব পাৰিবানে? | হয় |
| ছবিবোৰ এখনৰ পৰা অন্য এখনত কিহত প্ৰভেদ (পাৰ্থক্যৰ ভিত্তি)? | ধৰ্মৰ আধাৰত পৃথক হৈছে। |
| এটা ধৰ্মৰ লগতে ছবিবোৰৰ সম্বন্ধ আছেনে? | নহয়, এইবোৰ বেলেগ বেলেগ ধৰ্মত বিভক্ত। |
| আটাইবোৰ ধৰ্ম ভাৰতবৰ্ষত আছেনে? | হয়। |

**(ঙ) পাঠৰ ঘোষণা ঃ**

শিকাৰুৰ লগত ওপৰৰ আলোচনা কৰাৰ পাছত, শিক্ষকে কব যে ধৰ্মীয় বৈচিত্ৰ ভাৰতবৰ্ষৰ প্ৰধান বৈশিষ্ট্য, আৰু ধৰ্মৰ ওপৰিও অন্য এনেকুৱা বৈচিত্ৰ্য ভাৰতত পোৱা যায় নে নেযায় তাৰ ওপৰত আলোচনা কৰা হওঁক।

**(চ) নিবেদন ঃ**

এইটো সময়ত ভাৰত উপমহাদেশত থকা বৈচিত্ৰ আৰু ঐক্যতাৰ বৈশিষ্ট্যবোৰ শিকাৰুসকলৰ লগত আলোচনা কৰাৰ কাৰণে শিক্ষকে বিভিন্ন দিশ/কৌশল অৱলম্বন কৰিব। এনেকুৱা দিশ/কৌশলবোৰ বিতংভাৱে তলৰ দুটা অনুচ্ছেদত আলোচনা কৰা হ'ব। (অনুচ্ছেদ ক আৰু খ)

অনুচ্ছেদ-ক (বৈচিত্ৰময় প্ৰসংগত শিক্ষালাভৰ কৌশল গঠন কৰা)

ছবি-২ বৈচিত্ৰ প্ৰসংগ

| শিক্ষকৰ কাৰ্য্য | শিক্ষাৰ্থীৰ কাৰ্য্য আশা কৰা মতে |
| --- | --- |
| ওপৰৰ চাৰিওটা দৃশ্য চাঁওক আৰু কওঁক কেনেকৈ প্ৰত্যেকটো দৃশ্য ইটোৰ পৰা সিটো বেলেগ। | শিক্ষাৰ্থীসকলে নিজৰ অভিজ্ঞতাৰ পৰা পাৰ্থক্য বিচাৰি উলিয়াব। |
| বিভিন্ন সময়ত আৰু বিভিন্ন স্থানত এই প্ৰভেদ অভিজ্ঞতা ভাৰতত কেনেকৈ উপলব্ধ হয়। তাৰ ওপৰত সঠিকভাৱে আৰু বিশুদ্ধ এখন ৰচনা লিখা। | তেওঁলোকৰ অভিজ্ঞতা অনুসৰি শিক্ষাৰ্থীসকলে এই ৰচনা লিখিব। |

শিক্ষকে শিকাৰুসকলে লিখা ৰচনাখন আলোচনা কৰিব। ভাৰতীয়সকলে নিজৰ নিজৰ জীৱন শৈলীত এই বৈচিত্ৰ অভিজ্ঞতাবোৰ কেনেকৈ লাভ কৰে, শিক্ষক আৰু ছাত্ৰসকলে বিস্তৃতভাৱে আলোচনা কৰিব।

**বৈশিষ্ট্যৰ প্ৰসংগ**

প্ৰচ্ছদ

| শিক্ষকৰ কাৰ্য্য | শিক্ষাৰ্থীৰ কাৰ্য্য আশা কৰা মতে |
|---|---|
| ওপৰত কিছুমান ছবি দিয়া আছে। সকলোবোৰ ছবিৰ ভিতৰত কিছুমান গ্ৰামীণ ঠাই আৰু কিছুমান নগৰীয়া অঞ্চলৰ। নগৰীয়া আৰু গ্ৰাম্য ইয়াৰ লগত সম্বন্ধ ৰাখি ছবিবোৰ পাৰ্থক্যকৰণ কৰা।<br>গ্ৰামীণ ভাৰত আৰু ভাৰতৰ চহৰ অঞ্চলৰ মাজত থকা অন্য পাৰ্থক্যবোৰ আপুনি বিচাৰি পাবনে? | ছবিবোৰ চোৱাৰ পাছত শিক্ষাৰ্থীয়ে পাৰ্থক্যকৰণ কৰিব।<br>শিক্ষাৰ্থীসকলে যদি অন্য বিভিন্নতা আছে বিচাৰি ল'ব। |

গঠনমূলক শিক্ষালাভৰ মাজত হোৱা ঘাট-প্ৰতিঘাট (ওপৰত উল্লেখ কৰা ছবিৰ বৈচিত্ৰ্ৰ প্ৰসংগৰ আঁত ধৰি)

শিক্ষাৰ্থীসকলে বৈচিত্ৰ্ৰ ওপৰত লাভ কৰা শিক্ষা তলত দিয়া ধৰণে গঠন কৰিব (ওপৰৰ দুটা বৈচিত্ৰ্ৰ লগত তেওঁলোক মুখামুখী হঁওক বা নহওঁক)।

| শিক্ষকৰ কাৰ্য্য | শিক্ষাৰ্থীৰ কাৰ্য্য আশা কৰা মতে |
|---|---|
| আমি ভাৰতবৰ্ষত অন্য কেনেকুৱা পাৰ্থক্য দেখা পাঁও। এনে পাৰ্থক্যতাৰ তালিকা তৈয়াৰ কৰক।<br>কি কি বেলেগ জাত আমাৰ মাজত/দেশত আছে? | শিক্ষাৰ্থীসকলে জাতি, শ্ৰেণীগত, আঞ্চলিক, ভাষিক, সংস্কৃতি, খাদ্য অভ্যাস, সাজসজ্জা, উৎসৱ পাৰ্বন, জন্তু আৰু চৰাই ইত্যাদিৰ বিভিন্নতা বৰ্ণনা কৰিব। |
| জাতিভেদ প্ৰথা আৰ্শীৰ্বাদ নে অভিশাপ? আপোনাৰ মতামত দিয়ক। | |

| শিক্ষকৰ কাৰ্য্য | শিক্ষাৰ্থীৰ কাৰ্য্য আশা কৰা মতে |
|---|---|
| বহু সময়ত আমি ভাৰতীয় মানুহৰ মাজত শ্ৰেণীগত সংগ্ৰাম, ভাষাৰ কাৰণে সংগ্ৰাম, আঞ্চলিক যুজ বাগৰ দেখা পাওঁ।<br>এই যুজ বাগৰবোৰ আমাৰ দেশত কিয় হৈছে? ইয়াৰ কুপৰিণাম কি? | এই যুঁজ বাগৰবোৰৰ বিষয়ে শিক্ষাৰ্থীসকলে কাৰণ আৰু ফলাফলৰ ওপৰত আতি গুৰি মাৰি বিশ্লেষণ কৰিব। তেওঁলোকৰ দৃষ্টিভংগী ইজনে সিজনৰ লগত ভগাব আৰু পৰস্পৰে আদান-প্ৰদান কৰিব। |
| ভাৰতবৰ্ষ এখন ডাঙৰ আৰু বৈচিত্ৰপূৰ্ণ দেশ। আপোনাৰ দৃষ্টিত ভাৰতবৰ্ষৰ বৈচিত্ৰ ভাৰতীয় মানুহৰ কাৰণে আৰ্শীবাদ নে অভিশাপ? | এই সমস্যাটোৰ ওপৰত ছাত্ৰসকলে আলোচনা কৰিব আৰু তেওঁলোকৰ দৃষ্টিভংগী শ্ৰেণীত উত্থাপন কৰিব। |

অনুচ্ছেদ খ — ঐক্যতাৰ প্ৰসংগত শিক্ষালাভ গঠন প্ৰণালী

**ঐক্যতাৰ প্ৰসংগ — ১**

ভাৰতবৰ্ষৰ মান চিত্ৰ

| শিক্ষকৰ কাৰ্য্য | শিক্ষাৰ্থীৰ কাৰ্য্য আশা কৰা মতে |
|---|---|
| ছবিখনলৈ চাঁওক। ছবিখনত কি দেখা পাইছে? ছবিখন দেখাত কিমান ভাল? এই ছবিখনৰ পৰা ভাৰতবৰ্ষত কিবা ঐক্যৰ বৈশিষ্ট্য বিচাৰি পায়নে? | সকলো ধৰণৰ পাৰ্থক্যৰ মাজতো ভাৰতবৰ্ষই কিমান দূৰলৈকে নিজৰ ঐক্য বজাই ৰাখিব পাৰিছে। |

**ঐক্যতাৰ প্ৰসংগ — ২**

প্ৰচ্ছদ

| শিক্ষকৰ কাৰ্য্য | শিক্ষাৰ্থীৰ কাৰ্য্য আশা কৰা মতে |
|---|---|
| ওপৰত থকা ছবিসমূহলৈ চাওঁক। আপুনি অনুভৱ কৰেনে যে সাংস্কৃতিক বিভিন্নতাৰ কাৰণে ভাৰতবৰ্ষ এখন মহান দেশ।<br>ওপৰৰ ছবিবোৰ চাওঁক। সংক্ষেপতে এইটো কওঁক বিভিন্নতা স্বত্বেও ভাৰতবৰ্ষই কেনেকৈ ইয়াৰ ঐক্য বজাই ৰাখে। | হয়।<br>শিকাৰুসকলে বিচাৰ কৰিব ভাৰতবৰ্ষই কেনেকৈ সাংস্কৃতিক ঐক্য বজাই ৰাখে। |

গঠনমূলক শিক্ষালাভ আৰু ঘাট-প্ৰতিঘাত (ওপৰত উল্লেখিত দুটা ঐক্যতাৰ প্ৰসংগত)

দুটা যি ঐক্যতাৰ প্ৰসংগ দাঙি ধৰা হ'ল তাৰ ওপৰত ভিত্তি কৰি শিকাৰুসকলে বিচিত্ৰতাৰ মাজত ঐক্য সম্পৰ্কে শিক্ষালাভৰ গাঠনি প্ৰস্তুত কৰিব।

| শিক্ষকৰ কাৰ্য্য | শিক্ষাৰ্থীৰ কাৰ্য্য আশা কৰা মতে |
|---|---|
| শিক্ষকে এখন দহটকীয়া নোট দেখুৱাব আৰু বৰ্ণনা কৰি কি ধৰণে নোটখনত ভাৰতৰ বিচিত্ৰতা আৰু ঐকতাৰ বৈশিষ্ট্য দেখুওৱা হৈছে। | শিক্ষাৰ্থীসকলে নোটখন চাব আৰু এনে নোটবোৰত প্ৰদৰ্শন কৰা দেশৰ বিচিত্ৰতা আৰু ঐক্যতাৰ বৈশিষ্ট্য সমূহ বুজি লব। |

| শিক্ষকৰ কাৰ্য্য | শিক্ষাৰ্থীৰ কাৰ্য্য আশা কৰা মতে |
|---|---|
| পৃথিৱীয়ে ভাৰতবৰ্ষৰ ভাষিক, ধৰ্ম আৰু সাংস্কৃতিক ঐক্যৰ স্বীকৃতি দিছে— ইয়াৰ ওপৰত আপোনাৰ মন্তব্য দিয়ক। | নিজৰ অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি শিক্ষাৰ্থী সকলে মতামত দিব। |
| ভাৰতবৰ্ষৰ বৃহৎ বৃহৎ মহানগৰবোৰক (Metropolitan Cities) বৈচিত্ৰ্যৰ মাজত ঐক্যৰ প্ৰতীক হিচাবে আপুনি স্বীকাৰ কৰে। | শিক্ষাৰ্থীসকলে বৃহৎ বৃহৎ চহৰবোৰত ঐক্যতাৰ বৈশিষ্ট্যসমূহ বিচাৰি লব। |
| আমাৰ দেশৰ বিচিত্ৰতাৰ মাজত ঐক্য ইয়াক দেখুৱাব পৰা গীত আৰু সংকল্পবাণী সমূহৰ এখন তালিকা বনাঁওক। | শিক্ষাৰ্থীসকলে এই বিষয়ে দেখুৱাব পৰা নীতি, সংকল্প বাণীসমূহ গোটাই লব পাৰে। উদাহৰণ— চাৰে জঁহা চে অচ্ছা ...........। |

**মূল্যাংকণ ঃ**

নিম্নোক্ত কাৰ্য্যবোৰ তোমালোকৰ কাৰণে থোৰা হৈছে (শিক্ষাৰ্থী)। কামবোৰ সমাধা কৰা।

১। তোমাৰ ৰাজ্যত পালন কৰা ৩টা উৎসৱৰ বিষয়ে উল্লেখ কৰা। এই তিনিওটা উৎসৱতে অংশগ্ৰহণ কৰা ধৰ্মীয় আৰু সাংস্কৃতিক দলবোৰৰ নাম দিয়া।

২। বৃটিশ শাসনৰ সময়ত ভাৰতবৰ্ষৰ বহু আৰু বিভিন্ন মানুহৰ সমষ্টিয়ে ঐক্যতাৰ বৈশিষ্ট্য প্ৰদৰ্শন কৰিছিল আৰু দেশক ইংৰাজ শাসনৰ পৰা মুক্ত কৰিছিল। তোমাৰ মতামত দিয়া।

৩। তলত উল্লেখ কৰা ভাবৰ ওপৰত এটা আঁচনি তৈয়াৰ কৰা।

'তোমাৰ থকা ঠাই / গাঁওলৈ যোৱা। বেলেগ বেলেগ সাংস্কৃতিক, জাতি আৰু ধৰ্মীয় মানুহৰ সমষ্টিবোৰ বিচাৰি উলিওৱা। তেওঁলোকৰ মাজত থকা বিভিন্নতা/প্ৰভেদ বিচাৰ কৰা। "তেওঁলোকৰ মাজত যাতে ঐক্যতা আনিবলৈ কিছু উপায় দিয়া।"

তলত 'ক' শাৰীত চাৰিজন জাতীয় নেতাৰ নাম আৰু 'খ' শাৰীত তেওঁলোকে জন্ম লাভ কৰা ৰাজ্যবোৰৰ নাম দিয়া আছে। দুয়োটা শাৰী মিলাই তেওঁলোকৰ জন্মস্থানৰ লগত নামবোৰ কাড় মাৰি মিলাই দিয়া।

| **শাৰী ঃ ক** | **শাৰী ঃ খ** |
|---|---|
| সুভাষ বোস | অসম |
| জৱাহৰলাল নেহৰু | উত্তৰ প্ৰদেশ |
| মহাত্মা গান্ধী | উৰিষ্যা |
| বাল গঙ্গাধৰ তিলক | গুজৰাট |
| মহাৰাষ্ট্ৰ | কৰ্ণাটক |

৫ ঃ ৪নং প্ৰশ্নত ৪জন জাতীয় নেতাৰ নাম দিয়া হৈছে। দেশৰ কাৰণে তেওঁলোকে কেনেকৈ আত্মত্যাগ কৰিছিল বৰ্ণনা কৰা।

আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক - ৪

প্ৰশ্নঃ ভাৰতবৰ্ষত উপলব্ধ বিভিন্ন বৈচিত্ৰ কি কি?

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

**৫.৬ সংক্ষেপকৰণ ঃ**

এই গোটটোত "সামাজিক আৰু ৰাজনৈতিক" জীৱন যে ৰাজনীতি বিজ্ঞান / অৰ্থনীতি / সমাজ শাস্ত্ৰৰ সংহতপূৰ্ণ বিষয় তাৰ ওপৰত আলোচনা কৰা হ'ল। তিনিটা দিশৰ ওপৰত গোটটোৱে আলোকপাত কৰিলে — প্ৰাথমিক স্তৰত সমাজ বিজ্ঞানৰ অন্তৰ্ভূক্ত ৰাজনৈতিক আৰু সামাজিক পাঠৰ বিষয়বস্তু, ৰাজনীতিবিজ্ঞান, অৰ্থনীতি আৰু সমাজ শাস্ত্ৰত সমাজ বিজ্ঞানীসকলে প্ৰয়োগ কৰা প্ৰণালী / আৰম্ভণি আৰু সমাজ বিজ্ঞানৰ পাঠ্য তালিকাত "সামাজিক আৰু ৰাজনৈতিক জীৱনৰ" গুৰুত্ব। শেষৰ অংশত সমাজ বিজ্ঞানৰ পাঠ্য তালিকাত "সামাজিক আৰু ৰাজনৈতিক" দিশটোৰ পাঠৰ ওপৰত পৰিকল্পনা দিয়া হৈছে।

৫.৭ **নিৰ্ঘণ্ট / সংক্ষেপকৰণ**

সামাজিক আৰু ৰাজনৈতিক জীৱন ঃ উচ্চ প্ৰাথমিকত "সামাজিক আৰু ৰাজনৈতিক জীৱন" সমাজ বিজ্ঞানৰ পাঠ্য তালিকাৰ এটা অংশ / সাংগঠনিক ভাগ। অন্য অংশ বা সাংগঠনিক ভাগ হ'ল 'বুৰঞ্জী' আৰু 'ভূগোল'।

ৰাজ ঃ ৰাজ শব্দই ইয়াত বৃটিছ ৰাজ বা ইংৰাজ শাসনক বুজাইছে।

Civics ঃ উচ্চ প্ৰাথমিকত আগতে Civics সমাজ বিজ্ঞানৰ পাঠ্যতালিকাৰ অন্তৰ্ভূক্ত আছিল। এই স্তৰত এতিয়া "সামাজিক আৰু ৰাজনৈতিক জীৱন" পাঠে Civicsৰ ঠাই দখল কৰিছে।

৫.৮ **আপোনাৰ অগ্ৰগতিৰ বিষয়ে পৰীক্ষা কৰিবলৈ দিয়া উত্তৰসমূহ আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক —১**

"সামাজিক আৰু ৰাজনৈতিক জীৱন" পাঠে ইয়াৰ শিক্ষাদানৰ বিষয়বস্তু আৰু অভিজ্ঞতা বেছিকৈ ৰাজনীতি বিজ্ঞান, অৰ্থনীতি আৰু সমাজ শাস্ত্ৰৰ পৰা আহৰণ কৰে। ৰাজনীতি বিজ্ঞানে ল'ৰা-ছোৱালীক গণতান্ত্ৰিক ব্যৱস্থা

আৰু ইয়াত অংশগ্ৰহণ কৰাৰ কাৰণে সূত্ৰপাত কৰে। অৰ্থনীতিয়ে ল'ৰা-ছোৱালীক আৰ্থিক কাৰ্য্যকলাপ যেনে- উৎপাদন, ব্যয় কৰা, বিতৰণ, বিনিময় আদিৰ লগত পৰিচয় কৰাই দিয়ে। সমাজ শাস্ত্ৰই এজন ল'ৰাক জাত পাত, শ্ৰেণী, ধৰ্ম এইবিলাক পথৰ হেঙ্গাৰৰ পৰা মুক্ত কৰি এখন নাগৰিক সমাজৰ প্ৰয়োজনীয় সভ্য হ'বলৈ শিকায়।

**আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক — ২**

ৰবীনে অৰ্থনীতিক বিজ্ঞান বুলি অভিহিত কৰিছে। এই বিজ্ঞানে মানুহৰ প্ৰয়োজন (Ends) আৰু সম্পদৰ সীমিত উপলব্ধৰ (means) কাৰণে যি আচৰণ দেখুৱায় তাক অধ্যয়ণ কৰে। উল্লেখযোগ্য যে সীমিত উপায়বোৰৰ বিকল্প ব্যৱহাৰ আছে। ৰবীনৰ অৰ্থনীতি বুজিবলৈ নাটনি আৰু পচন্দৰ বিশেষ বৈশিষ্ট্যবোৰ তলত উল্লেখ কৰা হৈছে।

১। মানুহৰ চাহিদা সীমিত নহয়।

২। সম্পদ সীমিত আৰু প্ৰয়োজনতকৈ ইয়াৰ নাটনি আছে।

৩। সম্পদৰ বেলেগ বেলেগ বিকল্প ব্যৱহাৰ আছে।

৪। সামগ্ৰী আৰু সেৱাই মঙ্গল সাধনৰ কাম আগুৱাই নিবনে বা নিনিয়ে সেইটো অৰ্থনীতিৰ বিচাৰ্য নহয়। যদি সামগ্ৰী আৰু সেৱাই (Goods & Services) মানুহৰ চাহিদা পূৰণ কৰে, তেন্তে অৰ্থনীতিয়ে এই দিশ অধ্যয়ণ কৰিব লাগে।

৫। সমাজৰ সম্পদ মানুহৰ চাহিদা পূৰণৰ অৰ্থে কেনেকৈ বিলাব লাগে, অৰ্থনীতিয়ে ইয়াক অধ্যয়ণ কৰে।

**আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক — ৩**

"সামাজিক আৰু ৰাজনৈতিক জীৱন"ৰ বিষয়ে শিক্ষা লাভ কৰোতে এটা কাৰ্য্যক্ষম আৰু পৰীক্ষামূলক শৈক্ষিক পৰিস্থিতি থকা প্ৰয়োজন। শিকাৰুসকলৰ বাস্তৱ জীৱনৰ অভিজ্ঞতা আৰু শিক্ষাদান দুয়োটাৰ সম্বন্ধ থাকিব লাগিব। ছাত্ৰ-ছাত্ৰীৰ সাংস্কৃতিক আৰু সামাজিক পৰিস্থিতিৰ ওপৰত সম্পূৰ্ণ শিক্ষাদানৰ কালছোৱাত অগ্ৰাধিকাৰ দিব। এই অংশটো শিকিবৰ কাৰণে যি শিক্ষা বিষয়ক কৌশল ব্যৱহাৰ কৰা হৈছে সি শিক্ষাৰ্থীসকলৰ সৃষ্টিমূলক, জটিল বিষয়ত বোধগম্যতা আৰু সমস্যা সমাধান কৰাৰ ক্ষমতা অৰ্পণ কৰিব লাগিব। শিক্ষাদানৰ কৌশল হ'ব লাগিব খেলা-ধূলাৰ মাজেদি শিক্ষা আহৰণ, আমোদ প্ৰমোদৰ দ্বাৰা শিক্ষা আহৰণ আৰু কাৰ্য্যকৰণৰ দ্বাৰা শিক্ষা আহৰণ।

**আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক — ৪**

ভাৰতবৰ্ষত বেলেগ বেলেগ বৈচিত্ৰ দেখা যায়। এই বৈচিত্ৰতা হ'ল — জাত পাত, শ্ৰেণী, আঞ্চলিক, ভাষা, সংস্কৃতি, খাদ্যাভাষ, কাপোৰ-কানি, উৎসৱ, জন্তু, চৰাই, গাঁও আৰু নগৰৰ প্ৰসংগত, জলবায়ুৰ অৱস্থা।

**৫.৯ অধ্যয়ণ আৰু উদ্ধৃতি কিতাপৰ ওপৰত পৰামৰ্শ**

### ৫.১০ গোটৰ শেষত কৰিবলগীয়া অনুশীলনী

১। উচ্চ প্ৰাথমিকত সমাজ বিজ্ঞানৰ পাঠ্য তালিকাৰ “সামাজিক আৰু ৰাজনৈতিক জীৱনৰ” অংশত অন্তৰ্ভূক্ত কৰাৰ প্ৰাসংগিকতা থকা আৰু আপোনাৰ জীৱনত অভিজ্ঞতা লাভ কৰা, কিছুমান আৰ্থ সামাজিক সমস্যাৰ এখন তালিকা তৈয়াৰ কৰক।

২। তলত দিয়া পাঠটোৰ ওপৰত এখন আঁচনি তৈয়াৰ কৰক।

“তোমাৰ গাঁও/নগৰ পালিকাৰ ক্ষেত্ৰলৈ যোৱা। সেই ঠাইত দাৰিদ্ৰ্য সীমাৰেখাৰ তলত থকা পৰিয়ালৰ সংখ্যা কিমান বিচাৰি উলিওৱা। তেওঁলোকৰ সামাজিক জীৱন আৰু জীৱন-যাপনৰ মানদণ্ড অধ্যয়ণ কৰা। তেওঁলোকক উন্নত অৱস্থালৈ আনিবলৈ প্ৰতিকাৰৰ পৰামৰ্শ দিয়ক।”

ষষ্ঠ শ্ৰেণীৰ কাৰণে “ভাৰতবৰ্ষৰ প্ৰসংগত লিংগ বৈষম্যৰ” শিক্ষাদান আৰু শিক্ষা লাভৰ কাৰণে এটা পাঠ সাজু কৰক।